Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, APRIL 19, 2025 ■ শনিবাৰ, ৫ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১০ Guwahati, Assam ।। মূল্যঃ এটকা

## উন্নয়নৰ প্ৰতিশ্ৰুতি দি কাৰ্বি আংলঙৰ পৰা উভতিল মুখ্যমন্ত্ৰী

ই-সংবাদ, ডিফু, ১৮ এপ্ৰিলঃ কাৰ্বি আংলঙৰ সৰ্বোতপ্ৰকাৰৰ উন্নয়নৰ বাবে অসম চৰকাৰে বিভিন্ন উন্নয়নী কাৰ্যপন্থা ইতিমধ্যে সম্পন্ন কৰিছে আৰু আগলৈও বহু পদক্ষেপ হাতত ল'ব। অসমক দেশৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাত কাৰ্বি আংলঙে অনন্য ভূমিকা গ্ৰহণ কৰিব। এই মন্তব্য মুখ্যমন্ত্ৰী ড০



হিমন্ত বিশ্ব শৰ্মাৰ। বৃহস্পতিবাৰ আৰু শুকুৰবাৰে কাৰ্বি আংলঙত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে প্ৰথমটো দিনতে ১০০ কোটি টকাতকৈও অধিক প্ৰকল্প ব্যয়েৰে ২নং পৃষ্ঠাত

## পুনৰ মিত্ৰতাৰ প্ৰয়াস! ড০ গোহাঁইৰ নেতৃত্বত পুনৰবাৰ বিৰোধীৰ বৈঠক



ই-সংবাদ, ১৮ এপ্ৰিলঃ অসমত বিৰোধীৰ ঐক্য এতিয়া ৩ পৃষ্ঠাত চাওক

### কাশ্মীৰ আমাৰ বুলি দাবী কৰা পাকিস্তানক প্ৰত্যুত্তৰ ভাৰতৰ

# 'ভূ-স্বৰ্গ'ক লৈ আকৌ উত্তেজনা

নতুন দিল্লী, ১৮ এপ্ৰিলঃ কাশ্মীৰক লৈ পুনৰ উত্তেজনাৰ অগনি জ্বলিছে দিল্লী-ইছলামাবাদৰ কূটনৈতিক সম্পৰ্কত। বৃহস্পতিবাৰে পাকিস্তানৰ সেনা প্ৰধান শেষাংশ চতুৰ্থ পৃষ্ঠাত




## অনুৰোধ নহয়, বিহু কমিটীক দিলে জুবিনে আদেশ

ই-সংবাদ, ১৮ এপ্ৰিলঃ দিগন্ত ভাৰতীক অপমান কৰা চানমাৰিৰ পূব গুৱাহাটী বিহু সন্মিলন সমিতিক জুবিন গাৰ্গে নিঃচৰ্ত ক্ষমা খুজিবলৈ নিৰ্দেশ দিছিল। শেষাংশ ৭ পৃষ্ঠাত

## ভাগৱত গীতা, নাট্যশাস্ত্ৰলৈ স্বীকৃতি ইউনেস্ক'ৰ

নতুন দিল্লী, ১৮ এপ্ৰিলঃ এক অনন্য আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি ৪নং পৃষ্ঠাত চাওক

## গঞা ৰাইজৰ ক্ষমতা ওভতাই দিয়া হ'ব গঞাক! পঞ্চায়ত নিৰ্বাচনৰ ঘোষণা পত্ৰ মুকলি কংগ্ৰেছৰ



ই-সংবাদ, গুৱাহাটী, ১৮ এপ্ৰিলঃ গ্ৰাম্য অৰ্থনীতি সবল কৰাৰ পৰিকল্পনাৰে আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে পঞ্চায়ত নিৰ্বাচনৰ ইস্তাহাৰ প্ৰকাশ কৰে। ঘোষণা-পত্ৰ নাম ২ পৃষ্ঠাত চাওক

## সন্ত্ৰাসবাদী হৰপ্ৰীতক গ্ৰেপ্তাৰ

নতুন দিল্লী, ১৮ এপ্ৰিলঃ আমেৰিকাত গ্ৰেপ্তাৰ পঞ্জাৱ বিস্ফোৰণৰ মূল ৭ পৃষ্ঠাত

## ৱাকফ বিৰোধী হিংসা
## মমতাৰ বিৰুদ্ধে কেন্দ্ৰক কাণ চোৱাবলৈ সাজু ৰাজ্যপাল!

কলকাতা, ১৮ এপ্ৰিলঃ পশ্চিমবংগত অব্যাহত আছে ৱাকফ সংশোধনী আইনৰ বিৰুদ্ধে হিংসাত্মক প্ৰতিবাদ। মুৰ্ছিদাবাদত ইতিমধ্যে তিনিজন লোকৰ ৫ পৃষ্ঠাত

### ৱাকফ আইনৰ সপক্ষে গুৱাহাটীত জনসজাগতা সভা

## মোদী মুছলমান হিতৈষী! সংখ্যালঘুক বুজনি বিজেপিৰ

ই-সংবাদ, ১৮ এপ্ৰিলঃ অসম ৰাজ্যিক বিজেপিৰ বশিষ্ঠস্থিত কাৰ্যালয়ত আজি ৱাকফ সংশোধনী শেষাংশ ৫ পৃষ্ঠাত



## গোহাঁই ছাৰৰ কান্ধত বন্দুক থৈ ৰুটি সেকিছে বিৰোধীয়েঃ দিলীপ

ই-সংবাদ, ১৮ এপ্ৰিলঃ অসমৰ বিৰোধী দলসমূহৰ পৰা বিশিষ্ট ৩ পৃষ্ঠাত চাওক

## কেন্দ্ৰক চেলেঞ্জ ষ্টেলিনৰ
## 'কোনো শ্বাহেই তামিলনাডুত শাসন কৰিব নোৱাৰে'

চেন্নাই, ১৮ এপ্ৰিলঃ "অমিত শ্বাহ কিয়, কোনো শ্বাহেই তামিলনাডুত শাসন কৰিব নোৱাৰে" - এই মন্তব্যৰে বিজেপিক প্ৰত্যক্ষ প্ৰত্যাহ্বান জনালে ৩ পৃষ্ঠাত চাওক

## পঞ্চায়তে পঞ্চায়তে জয়ধ্বনি বিজেপি-অগপৰ

ই-সংবাদ, ১৮ এপ্ৰিলঃ পঞ্চায়ত নিৰ্বাচনত বিৰোধীৰ প্ৰাৰ্থীক আৰক্ষীৰ হতুৱাই ভয়-ভাবুকি প্ৰদানৰ অভিযোগ উত্থাপন হৈ আহিছে।



৩৫৭ খন আসনত বিনা-প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ এনডিএৰ, কংগ্ৰেছৰ প্ৰতিবাদ

আঁচনি কৰ্তন কৰাৰ ধমক দি মনোনয়ন বাতিল কৰিবলৈ বাধ্য কৰোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। কংগ্ৰেছ ৪ পৃষ্ঠাত চাওক

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গঞা ৰাইজৰ ক্ষমতা ওভতাই দিয়া হ'ব

দি প্ৰস্তুত কৰা ইস্তাহাৰখনত গ্ৰামাঞ্চলৰ জনতাৰ হাতলৈ ২৯ টা বিভাগৰ ক্ষমতাৰ লগতে পুঁজিৰ ব্যৱস্থা কৰি প্ৰকৃত গ্ৰাম্য স্বৰাজ গঢ়াৰ বাস্তৱিক কেতবোৰ আঁচনি অন্তৰ্ভুক্ত কৰা এই ইস্তাহাৰখন গুৱাহাটীৰ ৰাজীৱ ভৱনত আজি মুকলি কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই। বৰাই প্ৰসংগক্ৰমে কয় যে বিহু আমাৰ যেনেদৰে জাতীয় উৎসৱ, গ্ৰামাঞ্চলত পঞ্চায়ত নিৰ্বাচন হ'ল গণতন্ত্ৰৰ উৎসৱ। এই উৎসৱ আজি অসমৰ গ্ৰামাঞ্চলত ঠায়ে ঠায়ে অনুষ্ঠিত হ'বলৈ দিয়া নাই। নদুৱাৰ সমষ্টিত বিধায়ক পদ্ম হাজৰিকাই কংগ্ৰেছমুক্ত নদুৱাৰ বুলি কৈ ৰাইজৰ ভোটাধিকাৰ নোহোৱা কৰি গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিছে। নগাঁও, মৰিগাঁও, গহপুৰ, লখিমপুৰ, ধেমাজি, নলবাৰীকে ধৰি বৰাক-ব্ৰহ্মপুত্ৰৰ বহু এলেকাত পঞ্চায়ত প্ৰাৰ্থীক ভয়-ভাবুকিৰে মনোনয়ন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰাই বিজেপি দল আৰু চৰকাৰে পঞ্চায়ত নিৰ্বাচনত ৰাইজৰ অংশগ্ৰহণত হেঙাৰ সৃষ্টি কৰিছে। এই ধিক্কাৰজনক ঘটনাৰ প্ৰত্যুত্তৰ অসমৰ ৰাইজে দিব বুলি উল্লেখ কৰি তেওঁ কয় যে পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছে ভাল ফল দেখুৱাব। ঘোষণা-পত্ৰ মুকলি অনুষ্ঠানত উপস্থিত থাকি প্ৰাক্তন সাংসদ ৰিপুণ বৰাই কয় যে কংগ্ৰেছৰ দিনত পঞ্চায়তত যিবোৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল সেয়া বিজেপি চৰকাৰে বন্ধ কৰি মাত্ৰ ৩ খন আঁচনিহে চলাই ৰাখিছে। গাঁৱৰ মানুহক বিজেপিয়ে ক্ষমতা নিদিয়ে আৰু সেইবাবে তেওঁলোকে এক দেশ এক নিৰ্বাচন বিচাৰে। কংগ্ৰেছে পূৰ্বতে ঘোষণা কৰা সকলো আঁচনি পুনৰ আৰম্ভ কৰিব বুলি বৰাই উল্লেখ কৰে। ইস্তাহাৰ প্ৰস্তুত সমিতিৰ অধ্যক্ষ হিচাপে প্ৰাক্তন সাংসদ ৰিপুণ বৰা আৰু সদস্য হিচাপে বেদব্ৰত বৰা, প্ৰফুল্ল কুমাৰ দাস, অৰূপজ্যোতি ভূঞা মুকলি অনুষ্ঠানত উপস্থিত থাকে। একেদৰে জ্যেষ্ঠ নেতা নৃপেন ঠাকুৰীয়া, দীপ বায়নকে প্ৰমুখ্য কৰি কংগ্ৰেছৰ গুৰুত্বপূৰ্ণ পদবীত থকা নেতাসকলো অনুষ্ঠানটোত উপস্থিত থাকে। উল্লেখ্য যে আজি মুকলি কৰা এই ইস্তাহাৰত জব কাৰ্ডৰ অধিকাৰীক ন্যূনতম এশ দিনৰ কৰ্মনিশ্চিতি আৰু মজুৰি বৃদ্ধি, পঞ্চায়তৰ জৰিয়তে তৃণমূল পৰ্যায়লৈ ক্ষমতা হস্তান্তৰ, পিএমএৱাইৰ অৰ্ধনিৰ্মিত ঘৰসমূহ সম্পূৰ্ণ কৰা, সময়মতে পুঁজি মুকলি কৰা, গ্ৰামাঞ্চলত প্ৰেম-ভাতৃত্ববোধ আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ ভেটি সুদৃঢ় কৰা, স্বজন তোষণ নাইকিয়া কৰা, অৰুণোদয়ত চলি থকা দুৰ্নীতি নিৰ্মূল কৰা, প্ৰকৃতাৰ্থত মহিলা সবলীকৰণ, পঞ্চায়ত প্ৰতিনিধিৰ মাহিলি পাৰিতোষিক নিশ্চিতকৰণ, পঞ্চায়তৰ সকলো খালী পদ পূৰণ আৰু অস্থায়ী ঠিকাভিত্তিক কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ, আঁচনিৰ প্ৰলোভনেৰে মাতৃ সমাজক কৰা অপমান ৰোধ কৰি মহিলাসকলৰ সন্মান অটুট ৰখা, জলজীৱন আঁচনিক পুনৰুজ্জীৱিতকৰ, গ্ৰামাঞ্চলত বৃদ্ধি পোৱা অসামাজিক কাৰ্য ৰোধৰ বাবে সজাগতা গোট গঠন কৰাকে ধৰি গ্ৰামাঞ্চলৰ একাধিক সমস্যাক গুৰুত্ব দিয়া হৈছে। কংগ্ৰেছৰ ইস্তাহাৰ তথা প্ৰতিশ্ৰুতিসমূহক অসমৰ জনগণে কেনেদৰে গ্ৰহণ কৰে সেয়া ফলাফলে প্ৰমাণ কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উন্নয়নৰ প্ৰতিশ্ৰুতি দি কাৰ্বি আংলঙৰ পৰা

সুচল যাতায়াত আৰু সংযোগ ব্যৱস্থাৰ বাবে পথ আন্তঃগাঁথনি প্ৰকল্প ৰাইজলৈ উছৰ্গা কৰে। বৃহস্পতিবাৰে এক সমৃদ্ধ সমাজ গঢ়ি তোলাত সহায় কৰিবলৈ হিংসাৰ বাট ত্যাগ কৰা কাৰ্বি আংলঙৰ বিভিন্ন সশস্ত্ৰ গোটৰ প্ৰাক্তন কেডাৰসকলক সাক্ষাৎ কৰে। কাৰ্বি আংলং ভ্ৰমণৰ কালিৰ প্ৰথম দিনটোত কাৰ্বি ভূমিৰ উন্নয়নী যাত্ৰাৰ চিনস্বৰূপে ১০০ কোটি টকাৰ ব্যয়সাপেক্ষ পথ আন্তঃগাঁথনি প্ৰকল্প উছৰ্গা কৰাৰ লগতে লগতে প্ৰথম কাৰ্বি ৰজা-ৰাণীৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। ভাৰত ৰত্ন ড০ ভূপেন হাজৰিকাদেৱৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ লগতে কাৰ্বি ভূমিৰ জনসাধাৰণ তথা কাৰ্যকৰ্তাসকলকো সাক্ষাৎ কৰে। শুকুৰবাৰে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে কাৰ্বি আংলং অঞ্চল আৰু ইয়াৰ দুখন জিলা কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙে অসমৰ উন্নয়নৰ যাত্ৰাত যথেষ্ট গুৰুত্ব বহন কৰি আহিছে। অতীতৰ কংগ্ৰেছ চৰকাৰৰ দ্বাৰা বহু বছৰৰ অৱহেলাৰ পিছত আমাৰ চৰকাৰে অঞ্চলটোত উন্নয়নমূলক কাৰ্যসূচী দ্ৰুতগতিত আগবঢ়াই নিছে যাতে ই অসমৰ আন অংশৰ সৈতে উন্নয়নৰ সমতা স্থাপন কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে জ্যেষ্ঠ বিষয়া আৰু কাৰ্বি নেতৃত্বৰ সৈতে অঞ্চলটোত চলিত বিভিন্ন পৰিকল্পনা আৰু কাৰ্যসূচীৰ পৰ্যালোচনা আৰু অঞ্চলটোৰ বাবে আমাৰ ভৱিষ্যতৰ দৃষ্টিভংগী ৰূপায়ণৰ বাবে এক ৰূপৰেখা নিৰ্ধাৰণ কৰিবলৈ এক বৈঠকত মিলিত হয়। এক বন্যপ্ৰাণী সংমণ্ডলৰ পুনৰ্গঠন আৰু সৃষ্টি, দুয়ো জিলাত খনিজ অন্বেষণৰ সম্ভাৱনা, ভূমি সংস্কাৰ-দীৰ্ঘদিন ধৰি স্থগিত থকা ভূমি বিবাদ সমাধান কৰি ভূমি হস্তান্তৰ প্ৰক্ৰিয়াসমূহ সৰল কৰাৰ ওপৰত এক বিশেষ গুৰুত্ব প্ৰদান, ২০১১ আৰু ২০২১ বৰ্ষৰ নিষ্পত্তি চুক্তি ৰূপায়ণ আৰু প্ৰাক্তন কেডাৰসকলৰ কল্যাণ নিশ্চিত কৰা, লোক নিৰ্মাণ, স্বাস্থ্য, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, জনস্বাস্থ্য কাৰিকৰী আদিৰ দৰে বিভিন্ন বিভাগৰ দ্বাৰা আন্তঃগাঁথনি বিকাশ আদিয়ে বৈঠকত বিশেষ স্থান লাভ কৰে। মুখ্যমন্ত্ৰীয়ে বিষয়াসকলৰ সৈতে বৈঠকৰ অন্তত নাগৰিকসকলৰ সৈতে মিলিত হৈ তেওঁলোকৰ সমস্যাবোৰ বুজ লয়। তেওঁলোকে কাৰ্বি ভাষাৰ বিকাশ, শিক্ষা আৰু সাংস্কৃতিক সংৰক্ষণ, আন্তঃগাঁথনি বিকাশৰ সৈতে সম্পৰ্কিত গুৰুত্বপূৰ্ণ বিষয়সমূহ সন্দৰ্ভত দৃষ্টিগোচৰ কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ সমস্যা বা দাবীসমূহ কাৰ্বি আংলঙৰ বাবে চৰকাৰৰ বিদ্যমান দৃষ্টিভংগীৰ সৈতে সংগতিপূৰ্ণ আৰু এইসমূহ নিষ্পত্তি বা সমাধান কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, পৰ্যালোচনা বৈঠক আৰু জনসাধাৰণৰ সৈতে কথোপকথনৰ পিছত দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ পদক্ষেপৰ সৈতে সম্পৰ্কিত অসম চৰকাৰৰ প্ৰচেষ্টাই অঞ্চলটোত বিকাশৰ এক নতুন যুগৰ সূচনা কৰিব, মানুহৰ আশা-আকাংক্ষা পূৰণ কৰিব, আনহাতে তেওঁলোকৰ সুন্দৰ সংস্কৃতি আৰু প্ৰকৃতিক সুৰক্ষা প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাৰ্বিসকলে আজি পালন কৰা জনজাতীয় পৰম্পৰা সমৃদ্ধ বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে ভাষণত কয় যে আমাৰ দেশৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ আদিয়ে হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতবৰ্ষক সমৃদ্ধ কৰি ৰাখিছে। বাহ্যিক প্ৰভাৱৰ পৰা এই ৰীতি-নীতি, ধৰ্মীয় লোকাচাৰ, সংস্কৃতি ৰক্ষা কৰাটো আমাৰ প্ৰতিজনৰে দায়িত্ব। বিশেষকৈ এই শিপাসমূহ ধৰি ৰখা তথা প্ৰচাৰ-প্ৰসাৰৰ অৰ্থে আমাৰ যুৱ সমাজ আগবাঢ়ি আহিব লাগিব। আমাৰ বৰ্ণিল সমাজ তেতিয়াহে সম্ভ্ৰান্ত হৈ থাকিব আৰু ভৱিষ্যৎ সুৰক্ষিত হৈ থাকিব, যেতিয়া আমাৰ যুৱক-যুৱতীসকলে নিজৰ প্ৰকৃত ঐতিহ্য আৰু ইতিহাসৰ প্ৰতি সচেতন হ'ব। তেওঁ পুনৰ কয়, ভাষা, সাজ-পোছাক, ধৰ্ম, সংস্কৃতি আৰু খাদ্যাভ্যাসে ৫০০০ বছৰ পুৰণি কাৰ্বি জাতিটোক প্ৰাণৱন্ত কৰি ৰাখিছে আৰু চন্দ্ৰ-সূৰ্য থকালৈকে জীয়াই ৰাখিব। আমাৰ সংস্কৃতি, ভাষা আদিক জীয়াই ৰখাৰ দায়িত্ব কেৱল আমাৰ নিজৰ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ড০ গোহাঁইৰ নেতৃত্বত পুনৰবাৰ বিৰোধীৰ

এক কৌতুক হৈ পৰিছে। দিনত ইটো দলে সিটো দলক গালি দিয়ে। অসমৰ বিৰোধী ঐক্য কৌতুকৰ বাহিৰে আন একো হৈ থকা নাই। নিশা আকৌ সেই একেই দলৰ নেতাৰ সৈতে বহি কথা পাতে। কালি এটা নিউজ চেনেলক ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কংগ্ৰেছক গুৱাল গালি দি কংগ্ৰেছ দলক অৰাজক আখ্যা দিছিল। কিন্তু সেইজন অখিল গগৈয়ে নিশা ভুপেন বৰাৰ সৈতে বৈঠক কৰিবলৈ দৌৰি আহিল। দিনত কংগ্ৰেছক গালি, ৰাতি বৈঠক কৰি হাঁহি-স্ফূৰ্তি। এয়া কেনেধৰণৰ বিৰোধী ঐক্য সেয়া ৰাইজে আজিলৈ বুজি নাপালে। উপ-নিৰ্বাচনত মিত্ৰতা নহ'ল। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনত মিত্ৰতা নহ'ল। কিন্তু পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ দিন পাৰ হৈ যোৱাৰ পিছতহে বিৰোধীয়ে একত্ৰিত হৈ বহিবলৈ সময় পালে। কালি নিশা বিশিষ্ট বুদ্ধিজীৱী হীৰেন গোহাঁই, আব্দুল মান্নান আৰু পৰেশ মালাকাৰ, অধিবক্তা শান্তনু বৰঠাকুৰৰ মধ্যস্থতাত আটাইকেইটা বিৰোধী দলে বৈঠক অনুষ্ঠিত কৰে। অসম দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, সাংসদ অজিত কুমাৰ ভূঞা, জগদীশ পাটগিৰিয়ে নাগৰিক সমাজৰ প্ৰতিনিধিৰ সৈতে জৰুৰী বৈঠক অনুষ্ঠিত কৰে। এই বৈঠক প্ৰায় দুঘণ্টাজোৰা অনুষ্ঠিত হয়। বৈঠকত বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজাৰ সংকল্প গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। শীঘ্ৰেই বিৰোধীৰ আটাইকেইটা দলৰ মাজত আসন বুজাবুজি হোৱাৰ আশা কৰা হৈছে। নিশাৰ বৈঠকৰ দ্বাৰা পুনৰ বিৰোধী দলসমূহে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত একত্ৰিত হ'বলৈ চেষ্টা চলাইছে। বিশিষ্ট বুদ্ধিজীৱী ড০ হীৰেন গোহাঁইৰ মধ্যস্থতাত হঠাতে সংবাদ মাধ্যমত খবৰ নিদিয়াকৈ অনুষ্ঠিত বৈঠকখনত ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞা, কংগ্ৰেছ সভাপতি ভুপেন বৰা, অখিল গগৈ, লুৰীণজ্যোতি গগৈ, জগদীশ ভূঞাই একমুখে একত্ৰিত হৈ নিৰ্বাচন খেলিলে বিজেপিক হৰুৱাব পৰা যাব বুলি দোহাৰে। যিকোনো বিনিময়ত, এৰা-ধৰা কৰি আটাইকেইটা দলে ২০২৬ চনৰ নিৰ্বাচনত নিৰ্বাচনত নমাৰ পোষকতা কৰে। অখিল গগৈয়ে কংগ্ৰেছক সোনকালে আসনৰ ভাগ-বাটোৱাৰা কৰাৰ পৰামৰ্শ দি বিৰোধী দলসমূহে উজনি-নামনি আৰু বৰাকত একেলগে সভা অনুষ্ঠিত কৰাৰ পোষকতা কৰে। কেইবাঘণ্টা ধৰি অনুষ্ঠিত বৈঠকক লৈ লুৰীণজ্যোতি গগৈয়ে মন্তব্য দি কয় যে পঞ্চায়তত ইচ্ছা সত্বেও আমাৰ মাজত মিত্ৰতা নহ'ল। মিত্ৰতাৰ কথা আমি বাৰে বাৰে কৈ আহিছিলো। কিন্তু এতিয়া কথা গ'ল, সেয়া অতীত হ'ল। যদি আমি ২০২৬ চনৰ নিৰ্বাচনত বিজেপিক পৰাভূত কৰিব বিচাৰো তেন্তে মিত্ৰতাৰে খেলিম আৰু খেলিব লাগিব। এতিয়াৰ পৰাই ৰণকৌশল তৈয়াৰ কৰিব খোজো। নিশাৰ বৈঠকত সকলো ধৰণৰ কথা বিস্তৃতভাৱে আলোচনা কৰিছো বুলি উল্লেখ কৰি লুৰীণজ্যোতি গগৈয়ে কয় যে এৰা-ধৰাৰ মাধ্যমেৰে বিজেপিক হৰুৱাবৰ বাবে সকলোৱে ঐক্যবদ্ধতাৰে যুঁজিব লাগিব। বহু ভুল থাকি গৈছে আৰু ভুলৰ পৰা শিক্ষা ল'ব লাগিব। প্ৰত্যেকেই ভুল কৰিছে আৰু ভুলৰ শুধৰণি কৰিব লাগিব। অতীত খুঁচৰি থাকিব নালাগে। পঞ্চায়ত নিৰ্বাচনত বিৰোধীৰ প্ৰাৰ্থীসকলক জয়ী কৰাবৰ বাবে ৰণকৌশল তৈয়াৰ কৰিব লাগিব। বিৰোধীয়ে শিক্ষা নললে ফল শাসকীয় পক্ষই লাভ কৰিব। ইতিমধ্যে এনে বৈঠক অনুষ্ঠিত হৈ গৈছে যদিও বাৰে বাৰে ফলাফল শূন্য।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'কোনো শ্বাহেই তামিলনাডুত শাসন

তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ডি এম কেৰ দুৰ্গত ভৰি দিবলৈ হাহাকাৰ কৰিছে বিজেপি-এআইএডিএমকেৰ মিত্ৰজোঁট। কিন্তু সেই প্ৰচেষ্টাক অৱজ্ঞা কৰি মুখ্যমন্ত্ৰীয়ে তামিল আত্মসন্মানৰ নামত কামান নিক্ষেপ কৰে। দিল্লীৰ আধিপত্য মানি ল'বলৈ অনিচ্ছুক ডিএমকেৰ মুৰব্বীগৰাকীয়ে তিৰুৱল্লুৰ জিলাত অনুষ্ঠিত এখন বৈঠকত স্পষ্টকৈ কয়, "তামিলনাডুৱে কেতিয়াও মূৰ নোদোৱায়"। উল্লেখ্য যে, শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এখন বৈঠকত কয় যে ২০২৬ চনৰ নিৰ্বাচনত তামিলনাডুত বিজেপি-এআইএডিএমকে মিত্ৰজোঁটে চৰকাৰ গঠন কৰিব। তেওঁৰ মন্তব্যৰ উত্তৰত ষ্টেলিনে কয়, "তামিল ভূমিয়ে দিল্লীৰ সাম্ৰাজ্যবাদক মানি নলয়। অমিত শ্বাহৰ সপোন কেতিয়াও বাস্তৱায়িত নহ'ব।" কেন্দ্ৰৰ ওপৰত আক্ৰমণ তীব্ৰতৰ কৰি তেওঁ আৰু কয়, "বিজেপিয়ে তামিলনাডুক নিয়ন্ত্ৰণ কৰিব বিচাৰে। কিন্তু আমাৰ সংস্কৃতি, আত্মসন্মান আৰু গণতন্ত্ৰৰ ভাৱনাই কেতিয়াও তেওঁলোকৰ আগত নতশিৰ নকৰে।" ষ্টেলিনে বিজেপিৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থাসমূহক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ অভিযোগো উত্থাপন কৰে। তেওঁৰ ভাষাত, "ইডি-চিবিআইৰ সৈতে অভিযান, বিৰোধী দল ভাঙি পেলোৱা -এই কৌশলে তামিলনাডুত কাম নকৰে। ৰাইজে এই কথা মানি নলয়। ডিএমকেয়ে সকলো বাধা অতিক্ৰম কৰি ২০২৬ ৰ নিৰ্বাচনত পুনৰ চৰকাৰ গঠন কৰিব।" ষ্টেলিন ইয়াতেই থমকি নৰৈ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধেও সৰৱ হৈ পৰে। শেহতীয়াকৈ তামিলনাডু ভ্ৰমণৰ সময়ত মোদীয়ে কয় যে কেন্দ্ৰই ৰাজ্যখনক বহু ধন দিলেও ৰাজ্য চৰকাৰে "কান্দিছে"। এই বক্তব্য সন্দৰ্ভত ষ্টেলিনে কয়, "আমি কোনো ধৰণৰ ভিক্ষা বিচৰা নাই। আমি যি দাবী সেয়া আমাৰ অধিকাৰ। এই দাবীক 'কান্দোন' বুলি কোৱাটো অসন্মানজনক। তামিল জনসাধাৰণৰ অধিকাৰ লাভৰ বাবে যুঁজিছো।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গোহাঁই ছাৰৰ কান্ধত বন্দুক থৈ ৰুটী

বুদ্ধিজীৱী হীৰেন গোহাঁইক সাৱধানে থকাৰ আহ্বান জনাইছে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই। বিজেপিৰ নেতা-কৰ্মীয়ে সামাজিক মাধ্যমযোগে হীৰেন গোহাঁইক প্ৰায়ে আক্ৰমণ কৰে যদিও বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া হীৰেন গোহাঁইক শ্ৰদ্ধা আৰু সন্মান কৰো বুলি উল্লেখ কৰিছে। কালি কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ নেতাৰ সৈতে বুদ্ধিজীৱীগৰাকীয়ে বৈঠক কৰাৰ পিছতে আজি দিলীপ শইকীয়াই এইদৰে কয়। আজি সাংবাদিকৰে মুখামুখি হৈ দিলীপ শইকীয়াই কয় যে ঋণাত্মক শক্তি, যিয়ে কেৱল নিজৰ স্বাৰ্থৰ কথা চিন্তা কৰে এওঁলোকক হীৰেন গোহাঁই ছাৰে এক কৰিব নোৱাৰে। এই কথা বৰ্তমান পৰিৱেশে কৈছে। পূৰ্বৰ অভিজ্ঞতাই কৈছে। হীৰেন গোহাঁই ডাঙৰীয়াক ইমান শ্ৰদ্ধা কৰো, সন্মানো কৰো। তেখেতৰ কাম-কাজবোৰ লাহে লাগে ৰাইজে অপছন্দ কৰা হৈছে। তেখেতৰ কাম এইটো নহয়। নাগৰিক সমাজৰ কাম হ'ল চৰকাৰখনে যদি ক'ৰবাত বেয়া কাম কৰিছে তেন্তে চৰকাৰখনক সোঁৱৰাই দিব লাগে। কোনোবাই যদি বেয়া কাম কৰিছে সেইটো নাগৰিক সমাজে শুধৰাই দিব লাগে। তাৰ পৰিবৰ্তে হীৰেন গোহাঁইদেৱ ৰাজনীতিৰ এটা অংশ হৈ গ'ল। সন্মান লাহে লাহে কমিব। কথাতে কোৱা হয় যে ৰস থাকোঁতেই নাম থ'ব লাগে। হীৰেন গোহাঁই ডাঙৰীয়াৰ বহুত ইতিহাস আছে। এইবিলাক খুঁচৰিব বিচৰা নাই। তেখেত আমাৰ সকলোৰে শ্ৰদ্ধাৰ। পোষ্টমৰ্টেম কৰিব বিচৰা নাই। মই তেখেতক অনুৰোধ কৰো যে এই ঋণাত্মক শক্তিটো, অসম বিৰোধী শক্তিটোৰ ভয়াৱহ ব্লুপ্ৰিন্ট তাক হীৰেন গোহাঁই ছাৰৰ কান্ধত বন্দুক থৈ ৰাজনীতিৰ ৰুটী সেকিব বিচাৰিছে। তাৰ পৰা হীৰেন গোহাঁই ছাৰ সাৱধান হৈ থাকিব লাগে। শইকীয়াৰ মন্তব্যক বিৰোধীয়ে কেনেদৰে প্ৰত্যুত্তৰ দিয়ে লক্ষণীয় হব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাগৱত গীতা, নাট্যশাস্ত্ৰলৈ স্বীকৃতি

লাভ কৰিলে যুগ যুগ ধৰি ভাৰতীয় জ্ঞান আৰু সংস্কৃতিৰ শ্ৰেষ্ঠতম নিদৰ্শন হিচাপে পৰিগণিত হৈ অহা দুখন অমূল্য গ্ৰন্থ শ্ৰীমদ্ভাগৱত গীতা আৰু ভাৰত মুনিৰ নাট্যশাস্ত্ৰ। ইউনেস্ক'ৰ 'মেম'ৰী অৱ দ্য ৱৰ্ল্ড ৰেজিষ্টাৰ'ত অন্তৰ্ভুক্ত হৈছে এই দুখন প্ৰাচীন ভাৰতীয় গ্ৰন্থৰ নাম। ইউনেস্ক'ৰ পৰা এই স্বীকৃতি লাভৰ পিছতে এয়া ভাৰতৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি মন্তব্য কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁ ছ'চিয়েল মিডিয়াত লিখিছে, "ইউনেস্কৰ স্মৃতি বিশ্ব পঞ্জীত গীতা আৰু নাট্যশাস্ত্ৰৰ অন্তৰ্ভুক্তি প্ৰতিজন ভাৰতীয়ৰ বাবে এক গৌৰৱৰ মুহূৰ্ত। ই আমাৰ চিৰন্তন জ্ঞান আৰু চহকী সংস্কৃতিৰ স্বীকৃতি। এই দুখন গ্ৰন্থই যুগ যুগ ধৰি সভ্যতা আৰু চেতনাৰ পথ হৈ আহিছে, আৰু আজিও বিশ্বক অনুপ্ৰাণিত কৰি আহিছে।" উল্লেখ্য যে ইউনেস্ক'ৰ এই কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে মানৱ সভ্যতাৰ বিকাশত মূল ভূমিকা গ্ৰহণ কৰা কিতাপ, পাণ্ডুলিপি আৰু তথ্যচিত্ৰৰ ৰেকৰ্ড সংৰক্ষণ আৰু সুলভ কৰি তোলা। মহাভাৰতৰ ভীষ্মপৰ্বৰ অন্তৰ্ভুক্ত এই ৭০০ পদৰ ভাগৱত গীতা কুৰুক্ষেত্ৰ যুদ্ধৰ প্ৰাকক্ষণত অৰ্জুন আৰু কৃষ্ণৰ মাজত এক গভীৰ দাৰ্শনিক সংলাপ। ইয়াত কৰ্তব্য, ধৰ্ম, নৈতিকতা, আত্মা আৰু ধৰ্মতত্ত্বৰ অন্তহীন অনুসন্ধানৰ সৃষ্টি হয়। বেদ, বৌদ্ধ, জৈন, চৰ্বক দৰ্শনৰ মিশ্ৰণ গীতা যুগ যুগ ধৰি বিশ্বজুৰি অনুবাদ আৰু বিভিন্ন ভাষাত আবৃত্ত হৈ আহিছে। গীতা আজিও আত্মবিকাশৰ এখন জনপ্ৰিয় গ্ৰন্থ। একে সময়তে খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত ৰচিত নাট্যশাস্ত্ৰ ভাৰতীয় নাট, নৃত্য আৰু সংগীতৰ ভেটি। ভৰত মুনিয়ে ৰচনা কৰা এই সংস্কৃত গ্ৰন্থখনত নাটক (নাট্য), পৰিবেশন, ৰুচি আৰু আৱেগ আদি বহুতো প্ৰাসংগিক কলাত্মক ধাৰণা উল্লেখ কৰা হৈছে, যিবোৰে আজিও বিশ্বজুৰি শিল্প-সাহিত্যত গভীৰ প্ৰভাৱ পেলায়। প্ৰায় ৩৬ হাজাৰ পদেৰে গঠিত এই শাস্ত্ৰখনতে ঘোষিত হৈছে সেই অমোঘ নীতিবাক্য- "ৰস অবিহনে কোনো অৰ্থ প্ৰকাশ নহয়।" এই তত্ত্ব এতিয়াও নৃত্য, নাট্য, চলচ্চিত্ৰৰ জগতখনত শিল্পৰ মৌলিক দৰ্শন হিচাপে প্ৰতিষ্ঠিত। এই দুখন অনন্য গ্ৰন্থৰ আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিয়ে ভাৰতীয় পৰম্পৰাক এক নতুন উচ্চতালৈ লৈ গ'ল। বিশ্বদৰবাৰত ভাৰত কেৱল ইতিহাসৰ জন্মভূমিয়েই নহয়, সভ্যতা আৰু চেতনাৰ চিৰন্তন বাহক বুলিও প্ৰমাণিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ভূ-স্বৰ্গ'ক লৈ আকৌ উত্তেজনা

জেনেৰেল আছিম মুনীয়ে ভিডিঅ' বাৰ্তাযোগে কাশ্মীৰক "ইছলামাবাদৰ ধমনীৰ ৰক্তপ্ৰবাহ" বুলি অভিহিত কৰাৰ পিছত ভাৰতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। দেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয়, "কাশ্মীৰ ভাৰতৰ এক অবিচ্ছেদ্য অংগ। পাকিস্তানৰ সৈতে কাশ্মীৰৰ কোনো সম্পৰ্ক নাই। বৰঞ্চ তেওঁলোকৰ একমাত্ৰ দায়িত্ব হ'ল অবৈধভাৱে দখল কৰা ভূমি খালী কৰা।" এই প্ৰসংগত তেওঁ কটুভাৱে প্ৰশ্ন কৰে, "বিদেশৰ এটুকুৰা ভূখণ্ড পাকিস্তানৰ ধমনীৰ ৰক্তপ্ৰবাহ কেনেকৈ হ'ব পাৰে?" তেওঁ কয় যে পাকিস্তানৰ এনে ভিত্তিহীন দাবী আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত অপ্ৰাসংগিক আৰু তেওঁলোকৰ একমাত্ৰ কৰ্তব্য হ'ল ভাৰতীয় ভূমিৰ পৰা অবৈধ দখল আঁতৰোৱা। এই বক্তব্যক লৈ এক নতুন বিতৰ্কৰ সৃষ্টি হৈছে। পাকিস্তানী যুৱক-যুৱতীসকলৰ আগত দিয়া ভাষণত সেনাধ্যক্ষ মুনিয়ে কৈছিল, "আমাৰ পূৰ্বপুৰুষসকলে বুজি পাইছিল যে আমি ধৰ্ম, চিন্তা, সংস্কৃতিৰ পৰা হিন্দুসকলৰ পৰা পৃথক। এইটোৱেই আমাৰ দুখন ৰাষ্ট্ৰৰ তত্ত্বৰ ভিত্তি। পাকিস্তানৰ প্ৰতিটো প্ৰজন্মই দেশৰ বাবে বলিদান দিছে আৰু পৰৱৰ্তী প্ৰজন্ময়ো দেশৰ ইতিহাস আৰু বাস্তৱতাক মনত ৰাখিব লাগিব।" তেওঁৰ এই মন্তব্য দেশৰ ভিতৰত জাতীয়তাবাদী আৱেগ জগাই তোলাৰ উদ্দেশ্যে আছিল যদিও কাশ্মীৰ সন্দৰ্ভত তেওঁৰ বক্তব্যৰ ওপৰত ভাৰতে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। এই মন্তব্যৰ বাবেই ইছলামবাদ পুনৰ হেঁচাত পৰিছে। একে সময়তে পাকিস্তানৰ সেনা প্ৰধানগৰাকীয়ে বেলুচিস্তানৰ ক্ষেত্ৰতো নিজৰ স্থিতি স্পষ্ট কৰে। তেওঁ কয়, "সন্ত্ৰাসবাদীৰ দহটা প্ৰজন্ম আহিলেও তেওঁলোকে বেলুচিস্তান আৰু পাকিস্তানৰ কোনো ক্ষতি কৰিব নোৱাৰিব। পাকিস্তান সেনা সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ সম্পূৰ্ণৰূপে সাজু আৰু দেশৰ অখণ্ডতা বজাই ৰখাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।" ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়েও ইছলামবাদক সমালোচনা কৰি কয় যে পাকিস্তান এতিয়াও সন্ত্ৰাসবাদৰ আশ্ৰয়স্থল। ২৬/১১ৰ মুম্বাই আক্ৰমণৰ অভিযুক্ত তাহাউৰ ৰাণাক প্ৰত্যৰ্পণ সন্দৰ্ভত মন্ত্ৰালয়ে কয় যে ইয়াৰ দ্বাৰা পুনৰ প্ৰমাণিত হৈছে যে পাকিস্তানে এতিয়াও দোষীক আশ্ৰয় দি আছে। মন্ত্ৰালয়ে এই স্থিতিক 'লজ্জাজনক' বুলি অভিহিত কৰি অভিযোগ কৰে ইছলামবাদে ২৬/১১ আক্ৰমণৰ মাষ্টাৰমাইণ্ডসকলক ন্যায়ৰ সন্মুখীন কৰাবলৈ কোনো ইচ্ছা প্ৰকাশ কৰা নাই। ভাৰতৰ বিৰুদ্ধে পাকৰ এনে মন্তব্য সহজলভ্য হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়তে পঞ্চায়তে জয়ধ্বনি বিজেপি-

দলে বাৰে বাৰে এই অভিযোগ উত্থাপন কৰি আহিছে। আনহাতে ১৭ এপ্ৰিলৰ সমগ্ৰ দিনটো কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত গুৱাহাটীত উত্তাল প্ৰতিবাদ কৰে। ১৭ এপ্ৰিল আছিল মনোনয়ন বাতিলৰ শেষ দিন। ১৬ এপ্ৰিলৰ নিশাৰে পৰা একাংশ কংগ্ৰেছ প্ৰাৰ্থীক আৰক্ষীয়ে বিচাৰিবলৈ আৰম্ভ কৰিছিল। যাৰ ফলত নিশা বহু কংগ্ৰেছ প্ৰাৰ্থী গোপন স্থানত লুকাই থাকিবলগীয়া হয়। কংগ্ৰেছে বাৰে বাৰে তেওঁলোকৰ প্ৰাৰ্থীক ভয়-ভাবুকি, প্ৰলোভন, আঁচনি কৰ্তনৰ ভাবুকি দি মনোনয়ন প্ৰত্যাহাৰৰ বাবে ধমক দিয়াৰ অভিযোগ উত্থাপন কৰি আহিছিল যদিও আজি বিজেপিৰ কিমানগৰাকী প্ৰাৰ্থীয়ে পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাত জয়ী হৈছে সেই তথ্য প্ৰকাশ কৰিছে। প্ৰকাশিত তথ্য অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ ৩৭ খন জিলা পৰিষদত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে বিজেপি মিত্ৰজোঁটে। ইয়াৰে দুখন আসনত অগপ প্ৰাৰ্থী জয়ী হৈছে। আঞ্চলিক পঞ্চায়তৰ ৩১১ খন আসনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে বিজেপি মিত্ৰজোঁটে। ইয়াৰে অগপই ২৯ খন, নিৰ্দলীয়ই ১৩ খন আসন লাভ কৰিছে। ইফালে কংগ্ৰেছ দলে বিনা প্ৰতিদ্বন্দ্বিতাৰে লাভ কৰিলে মাত্ৰ ৯ খন আসন। আনহাতে সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাই বিনা প্ৰতিদ্বন্দ্বিতাৰে দখল কৰিলে এখন আসন। পঞ্চায়ত নিৰ্বাচনত বিনা ভোট খেলি বিজেপি মিত্ৰজোঁটে বহু আসন দখল কৰিবলৈ সক্ষম হৈছে। মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনটোত কংগ্ৰেছ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰকৃততে কংগ্ৰেছে উত্থাপন কৰা ভয়-ভাবুকিৰ অভিযোগ সঁচা নেকি বুলি চৰ্চা হ'ব ধৰিছে। কংগ্ৰেছী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰি বিজেপি প্ৰাৰ্থী দিয়াত বিনা প্ৰতিদ্বন্দ্বিতাৰে সৰহসংখ্যক প্ৰাৰ্থী জয়ী হয়। বিজেপিৰ গুণ্ডাই বিৰোধীৰ প্ৰাৰ্থীক ভয়-ভাবুকি, প্ৰলোভন দিয়াৰ অভিযোগৰ মাজতে বিজেপিৰ শিবিৰত আনন্দৰ জোৱাৰ দেখা গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী মুছলমান হিতৈষী! সংখ্যালঘুক

আইন ২০২৫ সম্পৰ্কত জনসজাগতা সভা অনুষ্ঠিত হয়। দেশজুৰি ৱাকফ সংশোধনী আইন ২০২৫ সম্পৰ্কত জনসজাগতা অভিযানৰ ৰাজ্যিক কৰ্মশালা অনুষ্ঠিত কৰাৰ দৰেই আজি গুৱাহাটীত ৰাষ্ট্ৰীয় নেতাৰ উপস্থিতিত জনসজাগতা সভা অনুষ্ঠিত হয়। কৰ্মশালাখনত ৱাকফ আইনখনৰ বিভিন্ন দিশ সম্পৰ্কে পৰ্যালোচনা কৰা হয়। দেশৰ বিভিন্ন প্ৰান্তত ৱাকফ সংশোধনী আইন বিৰোধী প্ৰতিবাদ চলি থকাৰ মাজতে অসমত অনুষ্ঠিত জনসজাগতা সভাযোগে সংখ্যালঘু মুছলমানক বুজনি দিবলৈ প্ৰয়াস কৰা হৈছে। ৱাকফ সংশোধনী আইনযোগে কেন্দ্ৰীয় চৰকাৰে বিপ্লৱী সংস্কাৰ কৰিবলৈ প্ৰয়াস কৰা বুলি দাবী কৰি ২০ এপ্ৰিলৰ পৰা জনজাগৰণ অভিযান শীৰ্ষক অভিযান আৰম্ভ কৰিব বিজেপিয়ে। আজি গুৱাহাটীত বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক অনিল কে এণ্টনী, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, নগাঁও সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, অসম প্ৰদেশ সংখ্যালঘু মৰ্চাৰ প্ৰাক্তন সভাপতি মুক্তাৰ হুছেইন খান, জেফ্ৰিন মেহজেবিনৰ উপস্থিতিত অনুষ্ঠিত সজাগতা সভাত ৱাকফ সংশোধনী আইনৰ দ্বাৰা দৰিদ্ৰ মুছলমান আৰু পিছপৰি ৰোৱা শ্ৰেণীৰ সহায় হ'ব বুলি দাবী কৰা হৈছে। ৰাষ্ট্ৰীয় সম্পাদক অনিল কে এণ্টনীয়ে কয় যে ৱাকফ সম্পত্তি একাংশ লোকে দখল কৰি লুণ্ঠন চলাই আহিছে। সেই সম্পত্তি আমি উদ্ধাৰ কৰি গৰিব মুছলমান মহিলাৰ বাবে ব্যৱহাৰ কৰিব বিচাৰিছো। ৱাকফ সম্পত্তিত মহিলাক বঞ্চিক কৰা হৈছিল। আমি মহিলাক সমান অধিকাৰ দিব খুজিছো। দলীয় কৰ্মশালাত বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক অনিল কে এণ্টনীয়ে নতুন আইনখনৰ উদ্দেশ্য হৈছে ৱাকফ সম্পত্তিৰ উন্নত ব্যৱহাৰৰ জৰিয়তে ধৰ্মীয় ন্যায়, স্বচ্ছতা আৰু দৰিদ্ৰ আৰু প্ৰান্তীয় মুছলমানসকলৰ অৰ্থনৈতিক উন্নতিৰ প্ৰচাৰ কৰা। ২০০৬ চনত ৱাকফ বৰ্ডৰ ৩৭ লাখ একৰৰ অধিক ভূমি আছিল। যাৰ মূল্য আছিল প্ৰায় ১০ লাখ কোটি টকা। যদিও ইয়াৰ পৰা বছৰি ১২ হাজাৰ কোটি টকা উপাৰ্জন কৰাৰ সম্ভাৱনা আছে। প্ৰকৃত পঞ্জীয়নভুক্ত উপাৰ্জন আছিল মাত্ৰ ১৬০ কোটি টকা। ৱাকফ ব'ৰ্ডবোৰ দুৰ্নীতি আৰু অব্যৱস্থাৰে ভৰি পৰিছে, সম্প্ৰদায়বোৰক সেৱা আগবঢ়োৱাত বিফল হৈছে। ৱাকফ বৰ্ডৰ স্বচ্ছতা, দায়বদ্ধতা আৰু আধুনিকীকৰণ নিশ্চিত কৰাৰ বাবে অতি প্ৰয়োজনীয় সংস্কাৰ আনিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ প্ৰয়োজন হৈছিল। নতুন আইনৰ অধীনত অহা ছমাহৰ ভিতৰত সমগ্ৰ ভাৰতৰ সকলো ৱাকফ সম্পত্তি পঞ্জীয়ন কৰিব লাগিব আৰু দৰিদ্ৰ মুছলমান পৰিয়াল, মহিলা আৰু অনাথসকলৰ কল্যাণৰ দিশত কাম কৰা হ'ব। নতুন ব্যৱস্থাবোৰে আনকি উপেক্ষিত মুছলমানসকলকো তেওঁলোকৰ নিজা ৱাকফ ব'ৰ্ড গঠন কৰিবলৈ অনুমতি দিব। কংগ্ৰেছ ৰাজনৈতিক লাভৰ বাবে মুছলমান সম্প্ৰদায়ক বিপথে পৰিচালিত কৰিব খোজাৰ অভিযোগ আনে এণ্টনীয়ে। ৱাকফ সংশোধনী জনজাগৰণ অভিযানৰ জৰিয়তে বিজেপি কৰ্মীসকলে আইনখনৰ লাভালাভ আৰু প্ৰয়োজনীয়তা ব্যাখ্যা কৰিবলৈ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ মাদ্ৰাছাৰ শিক্ষাৰ্থী, মহিলা আৰু যুৱসকলৰ ওচৰলৈ যাব। বিৰোধীয়ে ইচ্ছাকৃতভাৱে ভুল ধাৰণা বিয়পাইছে। আমাৰ অভিযানে এই মিছা-ভুল কথাবোৰ আঁতৰ কৰি জনসাধাৰণৰ ওচৰলৈ সত্যটো অনাত গুৰুত্ব দিব। কংগ্ৰেছ তথা বিৰোধী শক্তিয়ে আইনখনৰ গইনা লৈ সাধাৰণ ৰাইজৰ লগতে মুছলমান সমাজতো বিভিন্ন ভুৱা প্ৰচাৰ চলাই এক বিভ্ৰান্তিৰ বাতাৱৰণ সৃষ্টি কৰাৰ লগতে দেশখনক অস্থিৰ কৰি তোলাৰো অপচেষ্টা চলাইছে বুলি অভিযোগ আনে এণ্টনীয়ে। এই সন্দৰ্ভত বিজেপিৰ কাৰ্যকৰ্তাসকলক সজাগ হ'বলৈ আহ্বান জনাই আইনখনৰ ইতিবাচক দিশসমূহ ৰাইজৰ মাজলৈ লৈ যাবলৈ আহ্বান জনায়। ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সজাগতা কৰ্মশালাক লৈ মন্তব্য প্ৰদান কৰি কয় যে ৱাকফ সংশোধনী আইন ২০২৫ সম্পৰ্কত সাধাৰণ ৰাইজৰ লগতে মুছলমান সমাজতো বিভিন্ন ভুৱা প্ৰচাৰ চলাই এক বিভ্ৰান্তিৰ বাতাৱৰণ সৃষ্টি কৰাৰ লগতে ৰাজ্যখনক অস্থিৰ কৰি তোলাৰো অপচেষ্টা চলাইছে। এই সন্দৰ্ভতো আমি আমাৰ দলৰ কাৰ্যকৰ্তাসকলক সজাগ হ'বলৈ আহ্বান জনাওঁ লগতে আইনৰ ইতিবাচক দিশ ৰাইজৰ মাজলৈ লৈ যাবলৈ আহ্বান জনাওঁ। বিজেপিয়ে কংগ্ৰেছক এইদৰে প্ৰত্যাহ্বান জনোৱা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মমতাৰ বিৰুদ্ধে কেন্দ্ৰক কাণ চোৱাবলৈ

মৃত্যু হৈছে, বহু চৰকাৰী সা-সম্পত্তি ধ্বংস হৈছে, জ্বলাই দিয়া হৈছে যান-বাহন। অঞ্চলটোত অব্যাহত থকা এনে হিংসাত্মক পৰিস্থিতিয়ে ইতিমধ্যে ৰাজনৈতিক বিতৰ্কৰো সূত্ৰপাত ঘটাইছে পশ্চিমবংগত। ৱাকফ বিৰোধী এই প্ৰতিবাদৰ বাবে মমতা বেনাৰ্জী চৰকাৰক জগৰীয়া কৰি সৰব হৈ পৰিছে বিজেপি। ৰাজ্যখনত অব্যাহত থকা এনে ৰাজনৈতিক উত্তেজনাৰ মাজতে শুকুৰবাৰে ৰাজ্যৰ শাসকীয় দলৰ আপত্তি সত্ত্বেও মালদাত উপস্থিত হয় ৰাজ্যপাল চিভি আনন্দ বসু। মুখ্যমন্ত্ৰীৰ অনুৰোধক আওকাণ কৰি তেওঁ হিংসাগ্ৰস্ত অঞ্চললৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যপালৰ এই ভ্ৰমণক কেন্দ্ৰ কৰি ৰাজনৈতিক উত্তেজনা আৰু অধিক বৃদ্ধি পাইছে। ৰে'লযোগে ভ্ৰমণ কৰি ৰাজ্যপাল বসুৱে মুৰ্ছিদাবাদ আৰু মালদা দুয়োখন জিলাতে ভুক্তভোগীক সাক্ষাৎ কৰিব বুলি জানিবলৈ দিয়ে। সাহায্য শিবিৰ, চিকিৎসালয়, আৰু ভুক্তভোগীৰ ঘৰলৈ গৈ তেওঁ হিংসাত প্ৰভাৱিতসকলক সাক্ষাৎ কৰিব। এই ভ্ৰমণ সন্দৰ্ভত ৰাজ্যপালগৰাকীয়ে কয়, "মই কেন্দ্ৰলৈ প্ৰতিবেদন প্ৰেৰণ কৰাৰ পূৰ্বে পৰিস্থিতিৰ বুজ ল'ব বিচাৰিছো। মই প্ৰকৃত ছবিখন দেখাৰ পিছতহে কেন্দ্ৰক পৰিস্থিতিৰ বিষয়ে অৱগত কৰিম।" আনহাতে, ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ এটা দলে হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে মালদাত উপস্থিত হৈছে। হিংসাৰ ফলত স্থানচ্যুত হোৱা লোকসকলৰ সৈতে সাক্ষাৎ কৰি এনে ব্যাপক অশান্তি কেনেদৰে সংঘটিত হ'ল তাৰ সম্পূৰ্ণ তদন্ত কৰিব। একে সময়তে ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া ৰোহটকে দুদিনীয়া ভ্ৰমণসূচীৰে মালদা আৰু মুৰ্ছিদাবাদত উপস্থিত হৈ হিংসা প্ৰভাৱিত মহিলাসকলৰ পৰিস্থিতি প্ৰত্যক্ষভাৱে চাবলৈ সক্ষম হৈছে। ৰাজ্য প্ৰশাসনৰ সূত্ৰ অনুসৰি যোৱা ১১ আৰু ১২ এপ্ৰিলত সংঘটিত হোৱা হিংসাৰ সময়ত মুৰ্ছিদাবাদৰ ছামশ্বেৰগঞ্জ, ছুটি, ধুলিয়ান আৰু জাংগীপুৰত ব্যাপক ক্ষতিসাধন হয়। মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চলত বাৰে বাৰে অগ্নিসংযোগ, লণ্ডভণ্ড, আৰক্ষীৰ বাহন জ্বলাই দিয়া হৈছে। পৰিস্থিতি ইমানেই ভয়াবহ হৈ পৰে যে বহু লোকে নিজৰ প্ৰাণ ৰক্ষাৰ বাবে চুবুৰীয়া মালদা জিলাত আশ্ৰয় লয়। এই পৰ্যন্ত আৰক্ষীয়ে প্ৰায় ২৭৪ জন লোকক গ্ৰেপ্তাৰ কৰিছে। এই উত্তপ্ত পৰিবেশত ৰাজ্যপালৰ ভ্ৰমণ আৰু কেন্দ্ৰীয় তদন্তকাৰী দলৰ আগমনক লৈ ক্ষুব্ধ হৈ পৰিছে তৃণমূল কংগ্ৰেছ। দলৰ জ্যেষ্ঠ সাংসদ সৌগাত ৰয়ে অভিযোগ কৰে, "মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক ভ্ৰমণ পিছুৱাই দিবলৈ অনুৰোধ কৰিছিল, কিন্তু তেওঁ সন্মতি দিয়া নাছিল। লক্ষ্য একেই- অশান্তি আৰু অধিক বিয়পোৱা। আৰু কেন্দ্ৰীয় দলসমূহেও বিজেপিক সুবিধা প্ৰদান কৰিবলৈ আহিছে।" এই অভিযোগক লৈ বিজেপিৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰে প্ৰত্যাক্ৰমণ কৰিছে। তেওঁ দাবী কৰে যে "তৃণমূল আতংকিত কাৰণ এই তদন্তই তেওঁলোকৰ হিংসাকাৰীৰ সৈতে গোপন বুজাবুজি প্ৰকাশ কৰিব। ৱাকফ আইনক কেন্দ্ৰ কৰি মুছলমান ভোট বেংকৰ ৰাজনীতিৰ বাবে পৰিস্থিতি এই পৰ্যায় পাইছে। তেওঁলোকে অপৰাধীক লুকুৱাবলৈ তদন্তত বাধা দিবলৈ চেষ্টা কৰিছে।" সাম্প্ৰদায়িক উত্তেজনাৰ পৰিস্থিতিৰ মাজতে পুনৰ পশ্চিমবংগত ৰাজনৈতিক উত্তেজনা তীব্ৰতৰ হৈ পৰিছে। আতংকিত মুৰ্ছিদাবাদ আৰু মালদাৰ বাসিন্দাসকলে এতিয়াও নিৰাপত্তাৰ আশাত দিন গণিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# আজিৰে পৰা গোৰেশ্বৰত শৰণীয়া-কছাৰীৰ কেন্দ্ৰীয় বাঁহ গোসাঁই উৎসৱ

**ই-সংবাদ, গোৰেশ্বৰ, ১৮এপ্ৰিলঃ** আজিৰে পৰা গোৰেশ্বৰৰ বেতনাৰ হিতেশ ডেকা সোঁৱৰণী সমন্বয় ক্ষেত্ৰত শৰণীয়া কছাৰী জনগোষ্ঠীৰ কেন্দ্ৰীয় বাঁহ গোসাঁই উৎসৱ, শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ অষ্টাদশ দ্বি-বাৰ্ষিক আৰু শৰণীয়া কছাৰী শেষাংশ ৯ পৃষ্ঠাত



গোৰেশ্বৰৰ বেতনাৰ হিতেশ ডেকা সোঁৱৰণী সমন্বয় ক্ষেত্ৰত শৰণীয়া-কছাৰীৰ বাঁহ গোসাঁই উৎসৱ, ফটোঃ ই-সংবাদ, গোৰেশ্বৰ

## কংগ্ৰেছৰ জিলা পৰিষদৰ দুই সদস্যৰ মনোনয়ন প্ৰত্যাহাৰ

# কলিয়াবৰত ভয়-ভাবুকিৰ অভিযোগ

**ই-সংবাদ, ১৮ এপ্ৰিলঃ** কলিয়াবৰ বিধানসভা সমষ্টিত দুই কংগ্ৰেছ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাত বিজেপিয়ে প্ৰত্যক্ষ ভোটযুদ্ধত নামিবলৈ ভয় কৰা বুলি দাবী কৰিছে কংগ্ৰেছে। অগপ-বিজেপিৰ ভয়-ভাবুকি আৰু প্ৰলোভনৰ বাবে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাৰ গুৰুতৰ অভিযোগ আনিছে কংগ্ৰেছে। আজি কলিয়াবৰত কলিয়াবৰ জিলা কংগ্ৰেছৰ সভাপতি প্ৰশান্ত কুমাৰ শইকীয়াই শেষাংশ ৮ পৃষ্ঠাত

# ৰঙালীৰ আনন্দৰ মাজতে বন্ধুৰ হাততে প্ৰাণ গ'ল বন্ধুৰ

**ই-সংবাদ ওদালগুৰি, ১৮ এপ্ৰিলঃ** ৰঙালী বিহুৰ আনন্দ উৎসাহ অব্যাহত থকাৰ মাজতে আজি পুৱাৰ ভাগতে ওদালগুৰি চহৰৰ মাজমজিয়াত এগৰাকী যুৱকৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্যই বিৰাজ কৰে। উদ্ধাৰ হোৱা এই মৃতদেহটো ওদালগুৰি চহৰৰ পূৰনগৰ শেষাংশ ৯ পৃষ্ঠাত

# পঞ্চায়ত নিৰ্বাচনত ভয়-ভাবুকি-প্ৰলোভন, আৰক্ষীৰ অপব্যৱহাৰ

## পঞ্চায়ত নিৰ্বাচন হৈ পৰিছে প্ৰহসনঃ চিপিআইএম

**ই-সংবাদ, ১৮ এপ্ৰিলঃ** বিজেপিশাসিত অসমত পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত তৃণমূল পৰ্যায়ৰ গণতন্ত্ৰ ভূলুণ্ঠিত হৈছে। নিৰ্বাচনটো পৰিণত হৈছে একপ্ৰকাৰৰ প্ৰহসনত। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ আগে আগে যিকোনো প্ৰকাৰে পঞ্চায়তবোৰ দখল কৰাটো হৈ পৰিছে শাসক বিজেপিৰ একমাত্ৰ লক্ষ্য। এই অভিযোগ উত্থাপন কৰিছে চিপিআইএমে। চিপিআইএমৰ অসম ৰাজ্যিক কমিটীয়ে আজি এক বিবৃতিযোগে কয় যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিবিৰোধী শেষাংশ ৮ পৃষ্ঠাত



# লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্ত্তিত পিকালে দুৰ্বৃত্তই

**ই-সংবাদ বিশেষ, দুলীয়াজান, ১৮ এপ্ৰিলঃ** এখন গৰু কঢ়িওৱা বাহনক কেন্দ্ৰ কৰি হোৱা সংঘাতে পহিলা ব'হাগত নাওহলীয়া আৰক্ষী চকীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰ লগতে জ্যেষ্ঠ সাংবাদিক ব্ৰজেন গগৈৰ বাসগৃহলৈ শিল নিক্ষেপ কৰাৰ শেষাংশ ১০ পৃষ্ঠাত

# ম'ষ্ট ৱাণ্টেড অভিযুক্ত হৰপ্ৰীত সিং আমেৰিকাত গ্ৰেপ্তাৰ

**নতুন দিল্লী, ১৮ এপ্ৰিলঃ** আমেৰিকাত গ্ৰেপ্তাৰ পঞ্জাব বিস্ফোৰণৰ মূল অভিযুক্ত ম'ষ্ট ৱাণ্টেড হৰপ্ৰীত সিং। কেলিফৰ্নিয়াৰ চেক্ৰেমেণ্টোৰ পৰা এফবিআই আৰু ইউএছ ইমিগ্ৰেচন এনফৰ্চমেণ্ট (ইআৰঅ')ৰে শুকুৰবাৰে নিশা যৌথ অভিযান চলাই গ্ৰেপ্তাৰ কৰে অভিযুক্ত শেষাংশ ৯ পৃষ্ঠাত

## হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা মিঠুন চক্ৰৱৰ্তীৰ

# 'অসমৰ মুখ্যমন্ত্ৰীৰ ৰাজহাড় মজবুত'

**ই-সংবাদ, ১৮ এপ্ৰিলঃ** আজি বৰাক উপত্যকাৰ শিলচৰত উপস্থিত হয় বলীউদৰ প্ৰবীণ অভিনেতা মিঠুন চক্ৰৱৰ্তী। মিঠুন চক্ৰৱৰ্তীয়ে শিলচৰত এবিভিপিৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰে। মিঠুন চক্ৰৱৰ্তীয়ে সাংবাদিকৰ মুখামুখি হৈ অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা কৰে। মুখ্যমন্ত্ৰী ডাঃ শৰ্মাক এজন শক্তিশালী মুখ্যমন্ত্ৰী আখ্যা দি কয় যে অসমৰ মুখ্যমন্ত্ৰীগৰাকীৰ ৰাজহাড় মজবুত। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ তুলনাত হিমন্ত বিশ্ব শৰ্মা অধিক শক্তিশালী। মমতাৰ লগত ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ কোনো তুলনা শেষাংশ ৯ পৃষ্ঠাত

# পথ-গৃহ নিৰ্মাণত মন্ত্ৰী অশোক সিংহলৰ ঘনিষ্ঠৰ লুণ্ঠন

## বিহু-নিৰ্বাচনৰ মাজতে অশোক সিংহল মুৰ্দাবাদ ধ্বনি

**ই-সংবাদ, ১৮ এপ্ৰিলঃ** সাত বিহু তথা পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ চলি থকাৰ মাজতে বিজেপি গ'বেক, অশোক সিংহল মুৰ্দাবাদ ধ্বনিত উত্তাল হ'ল শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি সমষ্টিৰ এটা এলেকা। ঢেকীয়াজুলি সমষ্টিৰ অকৰ্মণ্য বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে শ্ল'গান দি সমষ্টিৰ একাংশ লোক ওলাই আহে। আজি ঢেকীয়াজুলিৰ মাজৰোমাৰীত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ স্থানীয় সমিতিৰ নেতৃত্বত একাংশ লোকে অশোক সিংহলৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। অশোক সিংহলৰ একাংশ ঘনিষ্ঠই সমষ্টিটোত বৃহৎ দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ আনিছে। দৰিদ্ৰ লোকৰ বাবে আবণ্টিত ঘৰ নিৰ্মাণ নকৰি আধৰুৱা শেষাংশ ৮ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অনুৰোধ নহয়, বিহু কমিটীক দিলে

কিন্তু জুবিন গাৰ্গৰ ক্ষমা খোজাৰ নিৰ্দেশক নস্যাৎ কৰিছে পূব গুৱাহাটী বিহু সন্মিলন সমিতিয়ে। দিগন্ত ভাৰতীক অপমান কৰাত সৰৱ হয় জুবিন গাৰ্গ। নলবাৰীত সংগীতানুষ্ঠানৰ মাজতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে গাৰ্গে কয় যে 'কালি এটা ঘটনা হ'ল, দিগন্ত ভাৰতীক চানমাৰি বিহু সমিতিৰ কেইজনমানে অপমান কৰিছে। গতিকে মই বেছিকৈ নকওঁ। বেছিকৈ ক'লে মই গালি দিওঁ। আৰ্টিষ্টৰ লগত সেইটো হ'ব নাপায়। অনুষ্ঠান চাবলৈ গৈছিল, তেওঁক মাতি নিছিল। মাতি নি অপমান কৰিছে। মই কাকো অনুৰোধ নকৰোঁ, মই আদেশ দিছোঁ ক্ষমা খুজিব লাগিব। জুবিন গাৰ্গে চানমাৰি বিহু সমিতিক ক্ষমা খুজিবলৈ নিৰ্দেশ দিয়াৰ কেইটামান ঘণ্টাৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কোনো কাৰণত ক্ষমা নোখোজো বুলি কয়। জুবিন গাৰ্গ কি অথৰিটিত নিৰ্দেশ দিছে বুলি প্ৰশ্ন কৰিছে। পূব গুৱাহাটী বিহু সন্মিলন সমিতিৰ সভাপতি বিপুল তালুকদাৰে সংবাদমাধ্যমৰ মুখামুখি হৈ কয় যে কোনো শিল্পীক আমি অসন্মান কৰাৰ আমাৰ নজিৰ নাই। আমাৰ কিছু নিয়ম-নীতি আছে। আমাক তালিবানৰ সৈতে তুলনা কৰা হৈছে। আমাকো শিল্পীসকলক প্ৰয়োজন আছে। এইখন মঞ্চই বহু শিল্পীক সৃষ্টি কৰিছে। ৰাজহুৱাভাৱে শিল্পীসকলে সমিতিখনক যি অপদস্থ কৰিছে সেয়াও ভাল হোৱা নাই। পূব গুৱাহাটী বিহু সন্মিলন সমিতিত বিহুত দিগন্ত ভাৰতীৰ পত্নীয়ে গীত পৰিৱেশন কৰিবলৈ গৈছিল। পত্নীৰ সংগীতানুষ্ঠান চাবলৈ গৈছিল দিগন্ত ভাৰতী। তেনে সময়তে সাধাৰণ সম্পাদক সীমান্ত ঠাকুৰীয়াই মঞ্চলৈ জোৰকৈ মাতি পিছত জিন্স পেণ্ট পিন্ধাৰ বাবে গাই থাকোতেই মাইক্ৰফোন কাঢ়ি নি মঞ্চৰ পৰা নমাই দিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সন্ত্ৰাসবাদী হৰপ্ৰীতক গ্ৰেপ্তাৰ

অভিযুক্ত ম'ষ্ট ৱাণ্টেড হৰপ্ৰীত সিং। কেলিফৰ্ণিয়াৰ চেক্ৰেমেণ্টোৰ পৰা এফবিআই আৰু ইউএছ ইমিগ্ৰেচন এনফৰ্চমেণ্ট (ইআৰঅ')ৰে শুকুৰবাৰে নিশা যৌথ অভিযান চলাই গ্ৰেপ্তাৰ কৰে অভিযুক্ত সন্ত্ৰাসবাদীজনক। এফবিআইৰ দাবী অনুসৰি পঞ্জাৱ বিস্ফোৰণৰ সৈতে জড়িত হৰপ্ৰীত একাধিক আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত। এফবিআইৰ চেক্ৰেমেণ্টো শাখাই এক বিবৃতিত কয় যে হৰপ্ৰীত সিং ওৰফে হেপ্পী পাছিয়া অবৈধভাৱে আমেৰিকাত প্ৰৱেশ কৰিছিল। তেওঁ বাৰে বাৰে চিম কাৰ্ড সলনি কৰি বিভিন্ন বাৰ্নাৰ ফোন ব্যৱহাৰ কৰি নিজৰ পৰিচয় গোপন কৰি ৰাখিছিল। তেওঁক ভাৰতৰ ম'ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদী তালিকাত স্থান দিয়া হৈছে। ২০২৪ চনত চণ্ডীগড়ত গ্ৰেনেড আক্ৰমণৰ গোচৰত হৰপ্ৰীতৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে ভাৰতৰ ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই। ২৩ মাৰ্চত দাখিল কৰা অভিযোগনামাত বাব্বৰ খালছা ইণ্টাৰনেশ্যনেল (বিকেআই)ৰ চাৰিজন সদস্যৰ নাম উল্লেখ কৰা হৈছে। ইয়াৰ ভিতৰত আছে পাকিস্তানৰ হৰবিন্দৰ সিং ওৰফে ৰিন্দা আৰু আমেৰিকাত থকা হৰপ্ৰীত সিং। তদন্তত এই দুজনেই আছিল চণ্ডীগড় বিস্ফোৰণৰ মূল পৰিকল্পনাকাৰী। ভাৰতৰ স্থানীয় সমৰ্থকসকললৈ তেওঁলোকে অস্ত্ৰ-শস্ত্ৰ, ধন আৰু লজিষ্টিক সহায় প্ৰেৰণ কৰিছিল। ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত পঞ্জাৱ আৰক্ষীৰ এজন প্ৰাক্তন বিষয়াৰ ঘৰৰ সন্মুখত বিস্ফোৰণ ঘটিছিল, যাৰ লক্ষ্য আছিল নিৰাপত্তা বাহিনী আৰু সাধাৰণ জনতাৰ মাজত আতংক বিয়পাই দিয়া। ৰিন্দা আৰু হৰপ্ৰীতৰ নিৰ্দেশমৰ্মে অভিযুক্ত ৰোহন মছীহ আৰু বিশাল মছীহে চণ্ডীগড়ত গোপন অভিযান চলাই বিস্ফোৰণৰ পৰিকল্পনা কৰে। এই চাৰিজন লোকৰ বিৰুদ্ধে ইউএপিএ আৰু বিস্ফোৰক পদাৰ্থ আইনকে ধৰি একাধিক ধাৰাত গোচৰ ৰুজু কৰা হৈছে। ইয়াৰ পূৰ্বে ২০২৩ চনৰ ডিচেম্বৰ মাহত পঞ্জাৱ আৰক্ষীয়ে পাকিস্তান-আইএছআই সমৰ্থিত বিকেআই চক্ৰ এটা উৎখাত কৰে। সেই চক্ৰটো চলাইছিল হৰপ্ৰীত সিং আৰু ছামশ্বেৰ ওৰফে হানিয়ে। সেই অভিযানত গুৰদাসপুৰ আৰু বটালাৰ থানাত সংঘটিত আক্ৰমণৰ মূল সন্দেহযুক্ত অভিজোৎ সিংকে ধৰি পাঁচজন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। ভাৰতীয় তদন্তকাৰী সংস্থাই জানিবলৈ দিয়া মতে সমগ্ৰ বিকেআই সন্ত্ৰাসবাদী নেটৱৰ্কৰ তদন্ত চলাই থকা হৈছে। অচিৰেই গ্ৰেপ্তাৰ কৰি ৰঙাঘৰলৈ প্ৰেৰণ কৰা হব বুলি জানিবলৈ দিয়ে।

# দৰঙৰ বটাবাৰীত গ্ৰন্থদান, গ্ৰন্থ বিষয়ক বক্তৃতানুষ্ঠান সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ১৮ এপ্ৰিলঃ** ৰঙালী বিহুৰ ধামখুমীয়াৰ মাজতে পহিলা ব'হাগত দৰঙৰ দীঘিৰপাৰৰ সমীপৰ বটাবাৰী যুৱক সংঘৰ 'জ্ঞানদায়িনী পুথিভঁৰাল'ৰ অতীত গৌৰৱ সুঁৱৰি স্থানীয় ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক-বৌদ্ধিক আৰু মানসিক উত্তৰণৰ বাবে এটি অধ্যয়নপুষ্ট পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্য পুথিভঁৰালটিক ন ৰূপেৰে সজোৱাৰ আগ্ৰহেৰে গ্ৰন্থ সংগ্ৰহৰ প্ৰক্ৰিয়া হিচাপে 'গ্ৰন্থ দান আৰু গ্ৰন্থ বিষয়ক বক্তৃতানুষ্ঠান' সম্পন্ন হৈ যায়। মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰী মুৰব্বী অধ্যাপক পৰেশ কুমাৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে দৰঙৰ ঐতিহাসিক পথৰুঘাটৰ বিশিষ্ট সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক কমলাকান্ত ডেকা। ডেকাই কেতবোৰ গুৰুত্বপূৰ্ণ আৰু তথ্য সম্বলিত কথাৰে গ্ৰন্থ অধ্যয়ন আৰু গ্ৰন্থ সংৰক্ষণ সম্পৰ্কত বক্তৃতা প্ৰদান কৰে। গ্ৰন্থ পঢ়ুৱৈৰ বাবে, গ্ৰন্থই মানৱৰ সভ্যতাক যুগ যুগান্তৰলৈ এক উজ্জ্বল পথৰ সন্ধান দিয়ে। ভাষণত শ্ৰীমদ্ভাগৱত, বেদ আদিকে কৰি মহান গ্ৰন্থসমূহৰ উদ্ধৃতিৰেও বহু বাৰ্তা ডেকাই সমাজলৈ আগবঢ়ায়। বিশেষকৈ বটাবাৰী যুৱক সংঘৰ শিক্ষা আৰু জ্ঞানদায়িনী পুথিভঁৰাল উপ-সমিতিৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাক এনে গ্ৰন্থ সংৰক্ষণ, গ্ৰন্থ দান আৰু ছাত্ৰ-ছাত্ৰীৰ



মাজত কিতাপ পঢ়াৰ ধাউতি যোগোৱাৰ ক্ষেত্ৰত ব্যতিক্ৰমী চিন্তাৰে আগভাগ লোৱাৰ বাবে ডেকাই নিৰ্দিষ্ট বক্তাৰ আসনৰ পৰা বিশেষভাৱে শলাগ লয়। শিক্ষা আৰু জ্ঞানদায়িনী পুথিভঁৰাল উপ-সমিতিৰ সম্পাদক কৌশিক ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু আঁত ধৰা অনুষ্ঠানটি উদ্বোধন কৰে শিক্ষক তথা সাহিত্যসেৱী সৎৰাম ডেকাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঘনাকান্ত ডেকাই। উল্লেখ্য যে, ২০০০ চনতো পুথিভঁৰালটিৰ গ্ৰন্থৰ সংখ্যা বৃদ্ধিৰ লক্ষ্যৰে এনে এটি গ্ৰন্থদান অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এইবেলি বটাবাৰী গাঁৱৰ ৰাইজৰ লগতে দৰঙৰ ভিন্ন প্ৰান্তৰ গ্ৰন্থপ্ৰেমী ব্যক্তিয়ে পুথিভঁৰালটিলৈ ৫ শতাধিক গ্ৰন্থ দান কৰে। বিশিষ্ট শিল্পী পুৰন্দৰ শৰ্মাৰ পৰিচালনাত সংঘৰ উদীয়মান শিল্পীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা এই অনুষ্ঠানটিত শিক্ষয়িত্ৰী দময়ন্তী ডেকা, শুভেশ্বৰী ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মেশ্বৰ ডেকা, যুৱ লেখক উৎপল কলিতাকে ধৰি ২ শতাধিক ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বটাবাৰী যুৱক সংঘৰ সভাপতি নৱ শৰ্মা আৰু সম্পাদক বিতোপন কৌণ্ডিল্য, শিক্ষা আৰু জ্ঞানদায়িনী পুথিভঁৰাল উপ-সমিতিৰ সভাপতি ধীৰাজ ডেকা আৰু সম্পাদক কৌশিক ডেকাৰ নেতৃত্বত এই পুথিভঁৰালটিয়ে অঞ্চলটিৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক আৰু শৈক্ষিক উত্তৰণত বিশেষভাৱে উপকৃত কৰিব বুলি ৰাইজে আশা কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কলিয়াবৰত ভয়-ভাবুকিৰ অভিযোগ

সংবাদমেল সম্বোধন কৰি কলিয়াবৰ বিধানসভা সমষ্টিৰ ১০ নং চতিয়াল-পূৱথৰীয়া আৰু ১১ নং দ্বাৰ-বাগৰি জিলা পৰিষদৰ কংগ্ৰেছৰ প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰা বুলি কয়। অন্তিম দিনটোত মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰাত জিলা কংগ্ৰেছৰ সভাপতি প্ৰশান্ত কুমাৰ শইকীয়াই অগপ-বিজেপি দলৰ তৃণমূল পৰ্যায়ৰ কৰ্মীৰ মাজত সৃষ্টি হোৱা সংঘাতৰ বাবে প্ৰত্যক্ষ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ভয় কৰা বুলি অভিযোগ আনে। ৰাজ্যিক বিজেপি নেতাৰ পত্নীয়ে জালিয়াতিৰে মনোনয়ন-পত্ৰ দাখিল কৰাত অস্বস্তিত পৰা বিজেপিয়ে প্ৰত্যক্ষ ভোটযুদ্ধত নামিবলৈ ভয় কৰিছে। ২০১৭ আৰু ২০২৪ চনত হাতীমূৰা মথাউৰি ছিঙি কলিয়াবৰত সৃষ্টি কৰা প্ৰবল বানত ক্ষতিগ্ৰস্ত পৰিয়ালে প্ৰাপ্য সাহায্য নাপালে। ৰাইজে কাৰ্যালয় ঘেৰাও আৰু ৰাজপথ অৱৰোধ কৰাত ভোট বিচাৰি যাবলৈ অগপ-বিজেপিয়ে সাহস কৰিব পৰা নাই। প্ৰশান্ত কুমাৰ শইকীয়াই আৰু কয় যে বিজেপি সমৰ্থকসকলে মন্ত্ৰী কেশৱ মহন্তৰ বিৰুদ্ধাচৰণ কৰি চতিয়াল-পূৱথৰীয়া সমষ্টিৰ অগপ প্ৰাৰ্থীগৰাকীক পৰাজিত কৰিবলৈ সিদ্ধান্ত লৈছিল। ফলত অগপ দলৰ নেতা-কৰ্মীয়ে কংগ্ৰেছৰ প্ৰাৰ্থী ৰীতামণি কলিতাক মনোনয়ন প্ৰত্যাহাৰ কৰিবলৈ চূড়ান্ত পৰ্যায়ত হেঁচা প্ৰয়োগ কৰে। দ্বাৰ-বাগৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকীক অগপ সমৰ্থকে জয়যুক্ত কৰিব বিচৰা নাছিল। ফলত কংগ্ৰেছৰ যশোৱন্ত লাল চৌহানক মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰিবলৈ ভয়-ভাবুকি দিছিল। এই কাৰ্যৰ দ্বাৰা গণতান্ত্ৰিক দেশ এখনৰ নাগৰিকক গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ যি কৌশল, সেই লৈ কংগ্ৰেছ দল চিন্তিত আৰু ক্ষোভিত। আনহাতে দল বিৰোধী কাৰ্যকলাপত লিপ্তৰ অভিযোগত কংগ্ৰেছ প্ৰাৰ্থী ৰীতামণি কলিতা আৰু যশোৱন্ত লাল চৌহানক ৬ বছৰৰ বাবে বহিষ্কাৰ কৰে। লগতে অসম প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সদস্য প্ৰদীপ কুমাৰ বৰুৱাক বহিষ্কাৰ কৰা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পথ-গৃহ নিৰ্মাণত মন্ত্ৰী অশোক সিংহলৰ

কৰি ৰখা, মাজৰোমাৰীৰ লক্ষ্মী মন্দিৰৰ-ধাণ্ডামাৰী সংযোগী পথ নিৰ্মাণ সম্পূৰ্ণ নকৰি ধন আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। ফলত গৰিব-দৰিদ্ৰ লোকে বিপদত পৰিছে। যোৱা চাৰি বছৰ ধৰি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত আবণ্টিত দৰিদ্ৰ লোকসকলৰ ঘৰবোৰ নিৰ্মাণ কৰা হোৱা নাই। বিজেপি নেতা তথা সিংহলৰ ঘনিষ্ঠ নেতাই ঠিকা লৈ ঘৰসমূহ সম্পূৰ্ণ কৰিবলৈ সক্ষম হোৱা নাই। মন্ত্ৰী সিংহলৰ ঘনিষ্ঠাই ধন আত্মসাৎ কৰি প্ৰায় ১০ টা ঘৰ অসম্পূৰ্ণ হৈ কৰি ৰখাৰ অভিযোগ আনে প্ৰতিবাদকাৰীসকলে। ফাৰুক আব্দুল্লা নামৰ ঠিকাদাৰজনে ঘৰ নিৰ্মাণৰ বাবে ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰিছে। আনকি আদিবাসী সম্প্ৰদায়ৰ লোকসকলৰ বেংকৰ পাছবুকসমূহ অন্যায়ভাৱে আব্দুল্লাই জিম্মাত লোৱাৰ অভিযোগ উঠিছে। লগতে অশোক সিংহলৰ ঘনিষ্ঠ স্থানীয় বিজেপি নেতা উপেন গৌৰে দৰিদ্ৰ আৰু নিৰক্ষৰ লোকসকলৰ বুঢ়া আঙুলিৰ ছাপ লৈ ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰিছে প্ৰতিবাদকাৰীসকলে। ধাণ্ডামাৰীৰ পৰা মাজৰোমাৰীৰ লক্ষ্মী মন্দিৰ সংযোগী পথৰ কাম নকৰাকৈ ধন আত্মসাৎ কৰা বুলি কয় প্ৰতিবাদকাৰীয়ে। ফাৰুক আব্দুল্লা আৰু উপেন গৌৰৰ দৰে ঠিকাদাৰসকলক তদন্তৰ আওতালৈ আনি শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পঞ্চায়ত নিৰ্বাচনত ভয়-ভাবুকি-

দলসমূহৰ প্ৰাৰ্থীৰ মনোনয়ন-পত্ৰ দাখিল পৰ্ব আৰম্ভ হোৱাৰ পৰা মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম মুহূৰ্তলৈকে বিভিন্ন প্ৰকাৰৰ ভয়-ভাবুকি-প্ৰলোভন, আনকি শাসক দলৰ গুণ্ডা বাহিনীয়ে আক্ৰমণ কৰি হ'লেও বিৰোধী প্ৰাৰ্থীক নিজৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ তথা প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰি থাকিবলৈ হেঁচা প্ৰয়োগ কৰাৰ বাতৰি প্ৰকাশ হোৱাত চিপিআইএমে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে পঞ্চায়ত নিৰ্বাচনতো প্ৰশাসন যন্ত্ৰৰ অপব্যৱহাৰ কৰাৰ উপৰি আনকি ৰাজ্যৰ আৰক্ষী-প্ৰশাসনকো ব্যৱহাৰ কৰি আৰু ঠায়ে ঠায়ে পুলিচ বাহিনী নমাই বিৰোধী দলৰ প্ৰাৰ্থীক ভীতি প্ৰদৰ্শন তথা গাঁও অঞ্চলত বিৰোধী দলসমূহৰ সভ্য-সমৰ্থকৰ মাজত একপ্ৰকাৰৰ ত্ৰাসৰ সৃষ্টি কৰিছে। চিপিআইএমে অতি উদ্বেগেৰে লক্ষ্য কৰিছে যে সংবাদ মাধ্যমৰ খবৰ অনুযায়ী ঢেকীয়াজুলি অঞ্চলত মন্ত্ৰী অশোক সিংহলৰ ভেৰোণীয়া বাহিনীয়ে বিৰোধী প্ৰাৰ্থীৰ বিৰুদ্ধে জঘন্য আচৰণ তথা ভীতি প্ৰদৰ্শন কৰিছে। মাজ বৌমাৰী পঞ্চায়তৰ এগৰাকী মহিলা প্ৰাৰ্থীৰ নাম চৰকাৰী হিতাধিকাৰী আঁচনিৰ পৰা কৰ্তন কৰাই নহয়, চৰকাৰী পুঁজিৰে নিৰ্মাণ কৰিব লগা গাঁওখনৰ পথটোৰ নিৰ্মাণ বন্ধ হ'ব বুলিও ভাবুকি দিছে। ডিগবৈৰ বৰহাপজানতো অসম জাতীয় পৰিষদৰ এগৰাকী মহিলা প্ৰাৰ্থীক ভাবুকি দিয়া হয়। নগাঁও আৰু মৰিগাঁও জিলাৰ কঠীয়াতলী, যমুনামুখ, বঢ়মপুৰ, নেলী, জাগীৰোড, ধৰমতুল আদি ঠাইত পুলিচ আৰু বিজেপিৰ গুণ্ডা বাহিনীয়ে সন্ত্ৰাস সৃষ্টি কৰাৰ বাতৰি সংবাদ মাধ্যমতে প্ৰকাশিত হৈছে। কঠীয়াতলীত কংগ্ৰেছৰ জিলা পৰিষদৰ প্ৰাৰ্থীক ভয়-ভাবুকি দিয়াৰ উপৰি নিশা আৰক্ষীয়ে আটক কৰি অনাৰো অভিযোগ উত্থাপন হৈছে। ভয়-ভাবুকি তথা মনোনয়ন প্ৰত্যাহাৰৰ বাবে হেঁচা প্ৰয়োগৰ অভিযোগ ডিগবৈ, লিডু, দুধনৈ, বিশ্বনাথ চাৰিআলি, নলবাৰী আদি অঞ্চলৰ উপৰি বৰাক উপত্যকাৰ বিভিন্ন ঠাইত উত্থাপিত হৈছে। ৰাজ্যৰ কেইবাঠাইতো মহিলা প্ৰাৰ্থীৰ স্বামীক পুলিচে গ্ৰেপ্তাৰ আৰু পৰিয়ালৰ অন্যান্য সদস্যক ভাবুকি দিয়াৰ বাতৰি পোৱা গৈছে। অতিকৈ উদ্বেগৰ বিষয় যে মনোনয়ন-পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনটোত ৰাজ্যত কেইবাশ প্ৰাৰ্থীয়ে বিজেপি আৰু আৰক্ষীৰ ভয়-ভাবুকি-হেঁচাত মনোনয়ন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হোৱাৰ বাতৰি পোৱা গৈছে। আনহাতে শাসক দলৰ বহু প্ৰাৰ্থী তথাকথিত 'বিনা প্ৰতিদ্বন্দ্বিতা'ৰে নিৰ্বাচিত হৈছে। বিশ্বনাথ চাৰিআলিৰ চতিয়াৰ বিজেপি বিধায়ক পদ্ম হাজৰিকাৰ সমষ্টিত কংগ্ৰেছৰ সকলো প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ বাতৰি সংবাদ মাধ্যমযোগে প্ৰকাশ হৈছে। আচলতে ৰাজ্যত হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ শাসন কালত গণতন্ত্ৰক হত্যা আৰু সুস্থ গণতান্ত্ৰিক নিৰ্বাচন প্ৰক্ৰিয়াক নিঃশেষ কৰাৰ নিৰ্লজ্জ কৰ্মকাণ্ড চলিছে। পঞ্চায়ত নিৰ্বাচনৰ বাবে সমষ্টি পুনৰ্গঠন প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ মুহূৰ্তৰ পৰাই ৰাজ্য চৰকাৰে নিজৰ সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থত সকলো পৰিকল্পনা কৰে। বৈষম্যমূলকভাৱে পঞ্চায়ত তথা ৱাৰ্ডবোৰৰ সীমা নিৰ্ধাৰণ আৰু শাসক দলৰ সুবিধামতে যথেষ্ট পলমকৈ, ব'হাগ বিহুৰ মাজতে নিৰ্বাচন অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্যিক নিৰ্বাচন আয়োগেও নিজৰ স্বতন্ত্ৰ ভূমিকা বিসৰ্জন দি চৰকাৰৰ নিৰ্দেশত ৰাজনৈতিক পক্ষপাতিত্ব অৱলম্বন কৰি নিৰ্বাচনী কাম-কাজ পৰিচালনা কৰি আছে। ক্ৰমাৎ জনবিচ্ছিন্ন হোৱা ৰাজ্যৰ শাসক দলে ধনবল-বাহুবলৰ উপৰি প্ৰশাসন যন্ত্ৰৰ অপব্যৱহাৰ কৰি এতিয়া পঞ্চায়ত নিৰ্বাচনত জয়ী হোৱাৰ বাবে উঠিপৰি লাগিছে। চিপিআই(এম)ৰ অসম ৰাজ্যিক কমিটীয়ে পঞ্চায়ত নিৰ্বাচনটোক ৰাজ্য চৰকাৰে প্ৰসহনত পৰিণত কৰিব বিচৰা কৰ্মকাণ্ড তথা নিৰ্বাচনটোত দলীয় স্বাৰ্থত আৰক্ষীৰ ব্যৱহাৰৰ তীব্ৰ প্ৰতিবাদ জনাইছে আৰু সুস্থ তথা নিকা নিৰ্বাচন নিশ্চিত কৰি তৃণমূল পৰ্যায়ৰ গণতন্ত্ৰ সুনিশ্চিত কৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগৰ ওচৰত দাবী জনাইছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আজিৰে পৰা গোৰেশ্বৰত শৰণীয়া-

গণতান্ত্রিক নাৰী মঞ্চৰ একাদশ বাৰ্ষিক কেন্দ্রীয় অধিৱেশন আৰম্ভ হৈছে। পুৱা ৯.৩০ বজাত বাঁহ গোসাঁই উৎসৱ উপলক্ষে উক্ত সমন্বয় ক্ষেত্ৰত অস্থায়ীকৈ নিৰ্মাণ কৰা গোসাঁইঘৰৰ দ্বাৰ উদঘাটন কৰে অৱসৰী প্ৰধান শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী অমীন্দ্ৰ নাথে। ইয়াৰ পিছতেই মাংগলিক ক্ৰিয়াৰ শুভাৰম্ভ কৰে শৰণীয়া কছাৰী দেউৰী সন্মিলনৰ সভাপতি কান্তেশ্বৰ ডেকাই। ১০ বজাত অস্থায়ী প্ৰেক্ষাগৃহৰ দ্বাৰ মুকলি কৰে বি টি আৰৰ কাৰ্যবাহী সদস্য ৰণেন্দ্ৰ নাৰ্জাৰীয়ে। ১০.৩০ বজাত মুকলি মঞ্চ উদ্বোধন কৰে গোৰেশ্বৰ উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে। ইয়াৰ পিছত পৰ্যায়ক্ৰমে অতিথিশালাৰ দ্বাৰ উন্মোচন, প্ৰতিনিধি শিবিৰ মুকলি, প্ৰদৰ্শনী আৰু বিপণীৰ দ্বাৰ উন্মোচন কৰা হয়। আবেলি ৩ বজাত শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয় আৰু সন্ধিয়া বন্তি প্ৰজ্বলন কৰে পদেফুলি ডেকা, নীলমণি ডেকা, প্ৰফুল্ল শইকীয়া, নিশা ৭ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰে শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ধৰ্মেশ্বৰ ডেকাই। উল্লেখ্য যে পুৱা ৯ বজাত উক্ত উৎসৱৰ অভ্যৰ্থনা সমিতিৰ সভাপতি তথা ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক ভবেশ কলিতাই মুখ্য দ্বাৰ উদঘাটন কৰাৰ কথা আছিল। কিন্তু সভাপতি তথা বিধায়কগৰাকী বাতৰি লিখাৰ পৰলৈকে উক্ত উৎসৱস্থলীত উপস্থিত নোহোৱাত অভ্যৰ্থনা সমিতি বিমোৰত পৰে। পূৰ্বতে বিধায়কগৰাকী গোৰেশ্বৰৰ এলেকাৰ যিকোনো সভা-সমিতিত প্ৰায়ে উপস্থিত আছিল। ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত বেতনা এলেকাটো সমষ্টি পুনৰ গঠনৰ পিছত গোৰেশ্বৰ বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত হোৱা হেতুকে বিধায়ক কলিতাই সভা-সমিতিত উপস্থিত থকাটো প্ৰয়োজনবোধ কৰা নাই নেকি বুলি ৰাইজৰ মাজত প্ৰশ্নৰ উদয় হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘অসমৰ মুখ্যমন্ত্ৰীৰ ৰাজহাড় মজবুত’

নহয়। বিশিষ্ট অভিনেতাগৰাকীয়ে মুখ্যমন্ত্ৰী ডℴ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশংসাত পঞ্চমুখ হৈ অসম আৰু পশ্চিমবংগ এই দুই ৰাজ্যৰ শাসন ব্যৱস্থা সন্দৰ্ভত কয় যে অসমৰ মুখ্যমন্ত্ৰী এগৰাকী শক্তিশালী মুখ্যমন্ত্ৰী, যাৰ ৰাজহাড় মজবুত। তেওঁ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক সমালোচনা কৰি কয় যে তেওঁৰ লগত অসমৰ মুখ্যমন্ত্ৰীৰ কোনো তুলনা নহয়। মমতা বেনাৰ্জী ক্ষমতালোভী হৈ পৰিছে। যাৰ ফলত পশ্চিমবংগত হিংসাত্মক ঘটনা বৃদ্ধি পাইছে। প্ৰবীণ অভিনেতাগৰাকীয়ে ভাৰতীয় সংস্কৃতি সন্দৰ্ভতো নিজৰ মন্তব্য কৰি কয়,আমাৰ সংস্কৃতি খুবেই শক্তিশালী। ভাৰতবৰ্ষৰ সংস্কৃতি খুবেই শক্তিশালী। আমাৰ ভেটিটোৱে হ’ল সংস্কৃতিৰ ওপৰত। ইয়াত অসমৰো যথেষ্ট অৱদান আছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ম’ষ্ট ৱাণ্টেড অভিযুক্ত হৰপ্ৰীত সিং

সন্ত্ৰাসবাদীজনক। এফবিআইৰ দাবী অনুসৰি পঞ্জাৱ বিস্ফোৰণৰ সৈতে জড়িত হৰপ্ৰীত একাধিক আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত। এফবিআইৰ চেক্ৰেমেণ্টো শাখাই এক বিবৃতিত কয় যে হৰপ্ৰীত সিং ওৰফে হেপ্পী পাছিয়াই অবৈধভাৱে আমেৰিকাত প্ৰৱেশ কৰিছিল। তেওঁ বাৰে বাৰে ছিম কাৰ্ড সলনি কৰি বিভিন্ন বাৰ্নাৰ ফোন ব্যৱহাৰ কৰি নিজৰ পৰিচয় গোপন কৰি ৰাখিছিল। তেওঁক ভাৰতৰ ম’ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদী তালিকাত স্থান দিয়া হৈছে। ২০২৪ চনত চণ্ডীগড়ত গ্ৰেনেড আক্ৰমণৰ গোচৰত হৰপ্ৰীতৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে ভাৰতৰ ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই। ২৩ মাৰ্চত দাখিল কৰা অভিযোগনামাত বাব্বৰ খালছা ইণ্টাৰনেশ্যনেল (বিকেআই)ৰ চাৰিজন সদস্যৰ নাম উল্লেখ কৰা হৈছে। ইয়াৰ ভিতৰত আছে পাকিস্তানৰ হৰবিন্দৰ সিং ওৰফে ৰিন্দা আৰু আমেৰিকাত থকা হৰপ্ৰীত সিং। তদন্তত এই দুজনেই আছিল চণ্ডীগড় বিস্ফোৰণৰ মূল পৰিকল্পনাকাৰী। ভাৰতৰ স্থানীয় সমৰ্থকসকললৈ তেওঁলোকে অস্ত্ৰ-শস্ত্ৰ, ধন আৰু লজিষ্টিক সহায় প্ৰেৰণ কৰিছিল। ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত পঞ্জাৱ আৰক্ষীৰ এজন প্ৰাক্তন বিষয়াৰ ঘৰৰ সন্মুখত বিস্ফোৰণ ঘটিছিল, যাৰ লক্ষ্য আছিল নিৰাপত্তা বাহিনী আৰু সাধাৰণ জনতাৰ মাজত আতংক বিয়পাই দিয়া। ৰিন্দা আৰু হৰপ্ৰীতৰ নিৰ্দেশমৰ্মে অভিযুক্ত ৰোহন মছীহ আৰু বিশাল মছীহে চণ্ডীগড়ত গোপন অভিযান চলাই বিস্ফোৰণৰ পৰিকল্পনা কৰে। এই চাৰিজন লোকৰ বিৰুদ্ধে ইউএপিএ আৰু বিস্ফোৰক পদাৰ্থ আইনকে ধৰি একাধিক ধাৰাত গোচৰ ৰুজু কৰা হৈছে। ইয়াৰ পূৰ্বে ২০২৩ চনৰ ডিচেম্বৰ মাহত পঞ্জাৱ আৰক্ষীয়ে পাকিস্তান-আইএছআই সমৰ্থিত বিকেআই চক্ৰ এটা উৎখাত কৰে। সেই চক্ৰটো চলাইছিল হৰপ্ৰীত সিং আৰু ছামশ্বেৰ ওৰফে হানিয়ে। সেই অভিযানত গুৰদাসপুৰ আৰু বটালাৰ থানাত সংঘটিত আক্ৰমণৰ মূল সন্দেহযুক্ত অভিজোৎ সিঙৰুকে ধৰি পাঁচজন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। ভাৰতীয় তদন্তকাৰী সংস্থাই জানিবলৈ দিয়া মতে সমগ্ৰ বিকেআই সন্ত্ৰাসবাদী নেটৱৰ্কৰ তদন্ত চলাই থকা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰঙালীৰ আনন্দৰ মাজতে বন্ধুৰ হাততে

(মেধিপাৰা)ৰ মিণ্টু দাস (২৮) বুলি চিনাক্ত হৈছে। মৃতদেহটোৰ মুখমণ্ডলত আঘাতৰ চিন স্পষ্ট হৈ থকাত এয়া এক হত্যাকাণ্ড বুলিও সন্দেহ কৰিছে ৰাইজে। উল্লেখ্য যে যোৱা নিশা ওদালগুৰি চহৰত ৰঙালী বিহুৰ অন্তিম দিনৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈছিল। ইয়াৰ পাছতে আজি পুৱাৰ ভাগত ওদালগুৰি নগৰ প্ৰাথমিক বিদ্যালয়ৰ সমীপৰ এখন দোকানৰ সন্মুখৰবাৰাণ্ডাত যুৱকজনৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্যৰ সৃষ্টি হয়। ইয়াৰ পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি ওদালগুৰি অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰে। পৰিয়ালৰ লোকে সন্দেহ কৰা মতে বন্ধুৰ সৈতে কালি খানা খাইছিল মিণ্টু দাসে। ইয়াৰ পিছতে গকুল দাস নামৰ বন্ধু জনৰ ঘৰলৈ আহিছিল মিণ্টু দাস। বন্ধু গকুল দাসৰ ঘৰতে হত্যা কৰা হৈছিল মিণ্টু দাসক। ইপিনে ঘটনা সন্দৰ্ভত ওদালগুৰি আৰক্ষী থানাত ৫১/২৫ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ১০৩ ৰ অধীনত গোচৰ পঞ্জীয়ন কৰি ঘটনাৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে ওদালগুৰি আৰক্ষীয়ে। ইয়াৰ পিছতে আৰক্ষীয়ে গকুল দাসক জেৰা কৰি পোৱা পোৱা তথ্য মতে ঘটনাত সহযোগ কৰা মনোজ দাস নামৰ আন এজন যুৱকক কৰায়ত্ত কৰে। দুয়োৰে স্বীকাৰোক্তিৰ ভিত্তিতে আৰক্ষীয়ে মৃত মিণ্টু দাসৰ দুই বন্ধু গকুল দাস ( ২২) আৰু মনোজ দাস ( ১৯) ক গ্ৰেপ্তাৰ কৰে। কিন্তু কি কাৰণত হত্যাকাণ্ডটো সংঘটিত কৰিলে সেয়া এতিয়াও ৰহস্যৰ আৱৰ্তত। জানিব পৰা মতে দুই বন্ধু গকুল দাস আৰু মনোজ দাসে মিণ্টু দাসৰ মৃতদেহ ঘৰৰ পৰা আনি ওচৰৰ এখন দোকানৰ বাৰান্দাত পেলাই ঘটনাৰ অন্য ৰূপ দিয়াৰ চেষ্টা কৰিছিল। এতিয়া এই ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি দিনৰ ভাগত মিণ্টু দাসৰ মৃতদেহৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ

পিছত এইবাৰ দুলীয়াজানৰ নাওশলীয়াত সংঘটিত হৈছে আন এক উদ্বেকজনক ঘটনা। কালি অঞ্চলটোৰ মাধ্যমিক শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান গোপীনাথ বৰদলৈ স্মৃতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ চৌহদত থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্ত্তিত কোনো দুৰ্বৃত্তই তামোল খাই পিকাই দিয়াৰ ঘটনাই দুলীয়াজানত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে । কেৱল ইমানেই নহয় স্বাধীনতাৰ পাছৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰীৰ প্ৰতিমূৰ্ত্তিটোত কোনো নিকৃষ্ট মানসিকতাৰ লোকে কেতবোৰ অশ্লীল চিত্ৰও অংকন কৰি লজ্জিত কৰিছে বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীক। মনকৰিবলগীয়া যে ৰঙালী বিহুত বিদ্যালয় বন্ধৰ সুযোগতে দুৰ্বৃত্তই এনে কাণ্ড কৰাৰ সন্দেহ কৰা হৈছে। বিদ্যালয়ৰ চৌহদত থকা প্ৰতিমূৰ্ত্তিটোৰ উচ্চতা প্ৰায় ১১ ফুট। তেনেস্থলত উক্ত প্ৰতিমূৰ্ত্তিটোত তলৰ পৰা এনে দুষ্কাৰ্য কৰাটো যে সম্ভৱ নহয় সেয়া নিশ্চিত। ইতিমধ্যে সামাজিক মাধ্যমকে ধৰি বিভিন্ন মাধ্যমৰ যোগেদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন ব্যক্তি বিশেষে প্ৰতিক্ৰিয়া ব্যক্ত কৰি দোষীক কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে প্ৰশাসনক। আনহাতে, বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতিৰ আসন অলংকৃত কৰিছে উক্ত বিশ্ববিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ তথা দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰচ গোৱালাই। অৱশ্যে এই ঘটনাৰ পিছত বিধায়কগৰাকীয়ে প্ৰতিমূৰ্ত্তিটো ৰং কৰা বুলি স্থানীয় সূত্ৰই জানিবলৈ দিছে। কিন্তু বিধায়কগৰাকীৰ বাসগৃহৰ পৰা মাত্ৰ কেইশ মিটাৰমান দূৰত্বতে ধাৰাবাহিকভাৱে সংঘটিত এনে ঘটনা সন্দৰ্ভত বিধায়ক গোৱালাই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে হ'ব লক্ষণীয়। ইফালে, পহিলা ব'হাগৰ ঘটনাৰ পৰা অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত পিক্ পেলোৱালৈকে এই সমগ্ৰ ঘটনা কোনো প্ৰতিক্ৰিয়াশীল চক্ৰই পৰিকল্পিতভাৱে সংঘটিত কৰাৰ সন্দেহ প্ৰকাশ কৰিছে অঞ্চলটোৰ সচেতন লোকসকলে।

# প্ৰশ্নকাকত ফাদিল কৰি গ্ৰেপ্তাৰ ২৬ বছৰীয়া মহম্মদ আশিক

**ই-সংবাদ, ১৮ এপ্ৰিলঃ** নগাঁৱৰ বগৰিগুৰি এডভান্স একাডেমীৰ মালিকৰ পুত্ৰ আৰু নগাঁও মেডিকেল কলেজৰ ছাত্ৰ ২৬ বছৰীয়া মহম্মদ আশিকক অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে একাদশ শ্ৰেণীৰ গণিতৰ প্ৰশ্নকাকত ফাদিলৰ গোচৰত গ্ৰেপ্তাৰ কৰিছে। আশিকে অংশকালীনভাৱে শিক্ষক হিচাপে কাম কৰি থকা বুলি জেৰাত উল্লেখ কৰিছে। উল্লেখ্য, নগাঁৱৰ বাগৰিগুৰি এডভান্স একাডেমীৰ স্বত্বাধিকাৰী হৈছে আশিকৰ পিতৃ শ্বেইখ মহম্মদ নাছিৰুদ্দিন। অপৰাধ অনুসন্ধান শাখাৰ তদন্তত ইউপিআই লেনদেন আৰু কেইবাজনো ছাত্ৰৰ স্বীকাৰোক্তিৰ ভিত্তিত এই তথ্য পোহৰলৈ আহে। আশিকৰ বিৰুদ্ধে চিআইডি পিএছ কেচ নম্বৰ ০৬/২৫ অনুসৰি ধাৰা ৬১(২), ৩৩৪(২), ১১২(২), ৩১৮(৪), আৰু ৩১৬(৫)ৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। তেওঁক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰা হয় আৰু আৰক্ষীৰ জিম্মাত ৰখা হৈছে। উল্লেখযোগ্য যে, আশিকৰ বিৰুদ্ধে পূৰ্বেও চুৰি আৰু অপহৰণৰ দুটা পৃথক গোচৰ ৰুজু কৰা হৈছিল।

# নলবাৰীৰ পৰা অসম সাহিত্য সভাৰ সেতুবন্ধ কাৰ্যসূচী আৰম্ভ

**ই-সংবাদ, ১৮ এপ্ৰিলঃ** শৰৎ চন্দ্ৰ গোস্বামী নথকা হ'লে অসম সাহিত্য সভাৰ গজালি নহ'লহেঁতেন; সেই অসম সাহিত্য সভাই বটবৃক্ষৰ ৰূপ লৈ আজি প্ৰাণশক্তি লাভৰ বাবে ৰাইজৰ মাজলৈ আহিছে। অসম সাহিত্য সভাই কি কৰিব নোৱাৰে, ইচ্ছা কৰিলে অসমৰ ৰাইজৰ সহযোগত সকলো কামেই সম্ভৱ। নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত আজি অসম সাহিত্য সভাৰ মন জুৰুৱা আৰু সেতুবন্ধ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ সংখ্যা বৃদ্ধি কৰি সাংগঠনিকভাৱে সভাখনক শক্তিশালী কৰা দায়িত্ব অসমৰ ৰাইজ, শাখা আৰু জিলা সাহিত্য সভাসমূহৰ। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে অসম সাহিত্য সভাৰ ধ্বজা চিৰদিনৰ বাবে উৰুৱাই ৰাখিবলৈ সাহিত্য-ভাষা-সংস্কৃতিৰ উত্তৰণৰ লগতে সাংগঠনিকভাৱেও সভ্য আৰু শাখা সাহিত্য সভাৰ বৃদ্ধিৰে সকলো অসমীয়াই অংশীদাৰিত্ব গ্ৰহণ কৰিব লাগিব। ইফালে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই বিশেষ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰি কয় যে অসম সাহিত্য সভা শক্তিশালী হ'লেহে অসমীয়া জাতি শক্তিশালী হ'ব। জাতিক অস্থিৰ কৰাসকলক আমি চিনাক্ত কৰি সংশোধন কৰাৰ ব্যৱস্থা ল'ব লাগিব। তেওঁ লগতে দোহাৰে যে অসম সাহিত্য সভাৰ দায়িত্ব ল'বলৈ সংগঠক-কৰ্মীৰ অভাৱ নাই, মাত্ৰ আমি তেওঁলোকক শৃংখলিত পদ্ধতিৰে সভাৰ সেৱাৰ বাবে আগুৱাই আনিব লাগিব। নলবাৰী জিলাৰ সুভদ্ৰা চৌধুৰী ভৱনত জিলা সাহিত্য সভাৰ সভাপতিৰ বীৰেন চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক সঞ্জীৱ কুমাৰ শৰ্মা, অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, সচিব অশোক সেনাপতি, স্থায়ী বিত্তীয় পুঁজিৰ আহ্বায়ক গোবিন্দ কলিতা, শৰৎ চন্দ্ৰ গোস্বামী ভাষা গৱেষণা কেন্দ্ৰৰ আহ্বায়ক ড০ ৰবীন দাস, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৱজিৎ বেজবৰুৱা, সদৌ অসম কৰ্মচাৰী সন্থাৰ সম্পাদক পংকজ বৰ্মন, নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি সমৰ তালুকদাৰ, প্ৰাক্তন জিলা সভাপতি বিপিন কলিতা, জিলা সম্পাদক নৰেশ্বৰ কলিতা, সহকাৰী সম্পাদক শ্বাহ আলম, লেখক পংকজ গোবিন্দ মেধি প্ৰমুখ্যে জিলা, শাখা সাহিত্য সভাৰ বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে। অসম সাহিত্য সভাৰ নাট্য সন্মিলন উপ-সমিতিৰ আহ্বায়ক ধ্ৰুৱজ্যোতি শৰ্মাই আঁত ধৰা সভাখনত অসম সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকক বিভিন্ন দল-সংগঠন-ব্যক্তিবিশেষে ব্যাপক সম্বৰ্ধনা জ্ঞাপন কৰে। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখন জাতীয় সংগীত পৰিৱেশনেৰে সফল সমাপ্তি ঘটে। উল্লেখ্য যে আজি পুৱা ৮ বজাত অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয় ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ পৰা অসম সাহিত্য সভাৰ তৃতীয় পৰ্বৰ সেতুবন্ধ কাৰ্যসূচীৰ শুভাৰম্ভ হয়।

# বিটিআৰ নিৰ্বাচনৰ পূৰ্বে ওদালগুৰিত বিপিএফত মোক্ষম আঘাত

**ই-সংবাদ, ডিমাকুছি, ১৮ এপ্ৰিলঃ** সন্মুখত বিটিআৰ নিৰ্বাচন, নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এতিয়া প্ৰতিটো ৰাজনৈতিক দলতে এতিয়া আৰম্ভ হৈছে যোগদান আৰু পদত্যাগৰ অঘোষিত প্ৰতিযোগিতা। ইউপিপিএল, বিজেপিৰ পিছত এইবাৰ বিপিএফত দলত্যাগৰ জোৱাৰ উঠিছে। ৩২ নং ভেৰগাঁও পৰিষদীয় সমষ্টিত বিপিএফৰ বাঙালী কোষৰ কেন্দ্ৰীয় উপ-সভাপতি বাপন বণিকৰ দলত্যাগৰ খবৰে ৰাজনৈতিক মহলত খলকনিৰ সৃষ্টি কৰিছে। পূৰ্বৰে পৰা দিনে-নিশাই দলটোৰ স্বাৰ্থত অহৰ্নিশে কাম-কাজ কৰি অহাৰ সময়তে জ্যেষ্ঠ নেতাজনৰ দলত্যাগে দলটোৰ অভ্যন্তৰত জোকাৰণিৰ সৃষ্টি কৰিছে। ইতিমধ্যে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীলৈ পদত্যাগ-পত্ৰ প্ৰেৰণ কৰি বাপন বণিকে নিজৰ পদত্যাগৰ কথা ৰাজহুৱা কৰে। তেওঁ সম্পূৰ্ণ ব্যক্তিগত কাৰণত পদত্যাগ কৰা বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# সাধাৰণ সভা-সমিতিতে সময় পাৰ কৰিছে হেমাংগ ঠাকুৰীয়াই

**ই-সংবাদ, মির্জা, ১৮ এপ্রিলঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত মির্জাৰ সমীপৰ তিনিআলিত ৬ মাৰ্চত এখন মাটিভৰ্তি ডাম্পাৰৰ খুন্দাত চাইকেল আৰোহী তাৰণী দাস (চৌধুৰী)ৰ সোঁ ভৰিখন ছিঙি যায়। ফলত চিকিৎসাৰ বাবে তেওঁৰ পৰিয়াল গভীৰ অৰ্থ সংকটত পৰিছে। পৰিতাপৰ কথা যে কান্দুপুৰৰ গৰাবাড়ী নিবাসী তথা মির্জাৰ লোক নিৰ্মাণ বিভাগৰ শ্ৰমিক তাৰণী দাস (চৌধুৰী) ৰ এই ঘটনাৰ এমাহ পাৰ হোৱাৰ পিছতো কিন্তু খবৰ নল'লে বিধায়ক হেমাংগ ঠাকুৰীয়াই। উল্লেখ যে এই লোকজনৰ পত্নী গীতিকা দাস হ'ল কান্দুপুৰ এক নম্বৰ ৱাৰ্ডৰ বিজেপিৰ এগৰাকী সদস্য। ইতিমধ্যে তেওঁৰ চিকিৎসাৰ নামত ঘৰৰ পোহনীয়া জীৱ-জন্তু বিক্ৰী কৰি পোৱা ধন, আত্মীয়ৰ পৰা ধাৰলৈ অনা ধন প্ৰায় পাঁচ লাখ টকাৰে চিকিৎসা কৰিবলগীয়া হোৱাত পৰিয়ালৰ লোকে মূৰে-কপালে হাত দিবলগীয়া হৈছে। আনহাতে লোক নিৰ্মাণ বিভাগৰ বিষয়ায়ো কিছু সহায়-সহযোগ কৰে। প্ৰশ্ন হয়- পত্নী বিজেপিৰ এগৰাকী সদস্য হোৱাৰ পিছতো এনে লোকৰে যদি বিধায়ক হেমাংগ ঠাকুৰীয়াই খবৰ নলয়, তেতিয়াহ'লে সাধাৰণ লোকৰ কি অৱস্থা হ'ব পাৰে বুলি ৰাইজে মত প্ৰকাশ কৰে। জানিব পৰা মতে বিধায়ক হেমাংগ ঠাকুৰীয়াৰ হাতত সময় নাই। ভৱিষ্যতে তেওঁ গাদী যাতে হেৰুৱাবলগীয়া নহয়, তাৰবাবে মুখ্যমন্ত্ৰীৰ চিন্তাতহে তেওঁ বেছি নিমগ্ন হৈ থাকে। অৱশ্যে তেওঁ এই অঞ্চলটোৰ আশেপাশে নিতৌ এবাৰ হ'লেও সাধাৰণ সভা-সমিতিত অংশ লোৱাৰ খবৰ আহে যদিও এইসকল লোকৰ খবৰ নোলোৱাত ৰাইজে বিধায়কজনক সমালোচনা কৰে। আনহাতে এই অঞ্চলটোৰে মেলেং মিষ্টি নামৰ এজন লোকক বন্যহস্তীয়ে আক্ৰমণ কৰি চিৰদিনৰ বাবে ঘুণীয়া কৰে। তেনেক্ষেত্ৰত বিধায়ক হেমাংগ ঠাকুৰীয়াই তেওঁৰ বাসগৃহত বহুদিনৰ মূৰত উপস্থিত হৈ সামান্য ধন প্ৰদান কৰি চিকিৎসাৰ বাবে পঞ্চাশ হাজাৰ টকা আগবঢ়োৱাৰ কথা আছিল। কিন্তু সেই আশ্বাস আজিও বাস্তৱত পৰিণত নহ'ল।

# আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা আৰক্ষীক গ্ৰেপ্তাৰৰ দাবী

**ই-সংবাদ, গোলকগঞ্জ, ১৮ এপ্রিলঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অস্থায়ী কৰ্মচাৰী দেবানন্দ দাসৰ আত্মহত্যাৰ ঘটনাত জড়িত আৰক্ষী উপ-পৰিদৰ্শক জোনালী দেৱীকে ধৰি আন দুই কনিষ্টবলক আজি পৰিয়ালৰ লগতে ৰাষ্ট্ৰীয় বজৰংগ দলে গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰিছে। জানিব পৰা মতে, কালডোৱা প্ৰথম খণ্ড গাঁৰৰ মনোৰঞ্জন দাসৰ পুত্ৰ দেবানন্দ দাস দীৰ্ঘদিনৰ পৰা গোলকগঞ্জ থানাত কেছ ডায়েৰী লেখক হিচাপে অস্থায়ীভাৱে কৰ্মৰত হৈ আছিল। থানাৰ উপ-পৰিদৰ্শক জোনালী দেৱীৰ লগত থাকি দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে। এমাহ পূৰ্বে জোনালী দেৱী ঘৰলৈ গৈ গোপনে আন এজন আৰক্ষী কনিষ্টবলৰ লগত বিবাহপাশত আবদ্ধ হয়। বিয়া কৰি ঘূৰি অহাৰ পিছতো সিহঁতৰ মাজত অব্যাহত থাকে অবৈধ সম্পৰ্ক। ১৬ এপ্রিলৰ নিশা থানাৰ ভিতৰতে দুয়োজনৰ মাজত সৃষ্টি হয় দ্বন্দ্ব-খৰিয়াল। ঘটনা এসময়ত চৰম পৰ্যায় পায়। জোনালী দেৱীয়ে থানাত উপস্থিত থকা বেটলিয়ন জোৱান শ্যামল চন্দ্ৰ দাস আৰু ৰেডিঅ' বিভাগৰ হাবিলদাৰ আছিফ ৰহমানৰ হতুৱাই দেবানন্দক মাৰপিট  কৰে। থানাৰ ভিতৰত মাৰ খাই মানসিকভাৱে ভাগি পৰে। শেষ নিশা তেওঁক আৰক্ষী কনিষ্টবল শ্যামল আৰু ৰেডিঅ' বিভাগৰ হাবিলদাৰ আছিফে মাৰপিট কৰা বুলি ছুইছাইড নোট লিখাৰ লগতে জোনালী আৰু তেওঁৰ অন্তৰংগ মুহূৰ্তৰ আপত্তিজনক কিছু ফটো-ভিডিঅ' বন্ধু-বান্ধৱ আৰু নিকট আত্মীয়ক হোৱাটছএপ যোগে প্ৰেৰণ কৰি ঘৰৰ ভিতৰত গামোচাৰে চিপ লৈ আত্মহত্যা কৰে। দুয়োৰে আপত্তিজনক ফটো ভাইৰেল হৈ বৰ্তমান সকলোৰে মোবাইলে মোবাইলে উপলব্ধ। পুৱা পৰিয়ালৰ লোকে মৃতদেহ প্ৰত্যক্ষ কৰি আগমনি আৰক্ষীক খবৰ দিয়ে। দুপৰীয়া আগমনি ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত মৃতদেহ নমাই মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। এই সন্দৰ্ভত খুৰাক নিত্য ৰঞ্জন দাসে ছুইছাইড নোটসহ আগমনি থানাত এজাহাৰ দাখিল কৰে। অতিৰিক্ত আৰক্ষী অধীক্ষক দীপজ্যোতি তালুকদাৰ ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ বুজ লয়। আজি জিলা আৰক্ষী অধীক্ষকে আত্মহত্যা কৰিবলৈ বাধ্য কৰা মূল অভিযুক্ত আৰক্ষী বিষয়া জোনালী দেৱী, শ্যামল আৰু আছিফক ৰিজাৰ্ভ ক্লজ কৰি একপ্ৰকাৰ দায়িত্ব সামৰে। আৰক্ষীৰ এনে নমনীয় ভূমিকাত চৰম অসন্তুষ্ট হৈ পৰিছে পৰিয়ালৰ লোক। আনহাতে ক্ষুণ্ণ হৈ পৰিছে ধুবুৰী জিলাৰ ৰাষ্ট্ৰীয় বজৰংগ দলৰ নেতৃত্ব। জিলাৰ সভাপতিৰ দায়িত্বত থকা কৃষ্ণ ৰাথোৰে শীঘ্ৰে হত্যাত অভিযুক্ত তিনিওকে গ্ৰেপ্তাৰ কৰাৰ দাবী জনায় অন্যথা ইয়াৰ বিৰুদ্ধে আন্দোলন কৰিব বুলি সকীয়াই দিয়ে। আনহাতে সকলো ঘটনাৰ অন্তৰালত ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ কুমাৰ ডেকাকো স্থানীয় একাংশই দোষাৰোপ কৰা পৰিলক্ষিত হৈছে। যি সময়ত মুখ্যমন্ত্ৰীয়ে এজাহাৰ, কেছ ডায়েৰী কোনো বাহিৰা লোকৰ হতুৱাই লিখাত বাধা-নিষেধ আৰোপ কৰিছে তেনে সময়ত কেনেকৈ এজন সাধাৰণ লোক হিচাপে থানাত দিনে-নিশাই থাকি কেছ ডায়েৰী লিখি আছিল। দৃষ্টিকটুভাৱে দুয়ো সকলো সময়ত থানাৰ ভিতৰতে সময় পাৰ কৰিছিল যদিও কোনো গুৰুত্ব আৰোপ কৰা নাছিল ভাৰপ্ৰাপ্ত বিষয়া ডেকাই। ডেকাই যোগদান কৰাৰ পিছতে থানাখনত কাকো কোনেও নমনা হৈ পৰিছে। ভাৰপ্ৰাপ্ত বিষয়াৰ সোঁহাতস্বৰূপ সহকাৰী উপ-পৰিদৰ্শক প্ৰদীপ সাহা হৈ পৰিছে উঠি ৰজা বহি ৰজা। থানাখনৰ এনে নোহোৱা-নোপোজা ঘটনাসমূহৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰি আৰক্ষী বিষয়া কেইজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# গোলকগঞ্জত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী ৪ জন সদস্য

**ই-সংবাদ, গোলকগঞ্জ, ১৮ এপ্রিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সম জিলাৰ অন্তৰ্গত চাৰিটা জিলা পৰিষদ এলেকাত এজন জিলা পৰিষদ, তিনিজন আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু আঠগৰাকী সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। এই তথ্য সদৰী কৰে সম জিলা আয়ুক্ত জগদীশ চন্দ্ৰ ব্ৰহ্ম। সম জিলা কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত সংবাদমেলত তেওঁ জানিবলৈ দিয়ে যে আগমনি হালাকুৰা জিলা পৰিষদ সমষ্টিৰ বাবে বিজেপিৰ পৰা কল্যাণী ৰায় শিকদাৰ আৰু কংগ্ৰেছ দলৰ পৰা বুল্টি দাসে মনোনয়ন দাখিল কৰে। অনুসুচিত জাতিৰ বাবে সংৰক্ষিত আসনখনত বুল্টি দাসৰ পশ্চিমবংগৰ অনুসূচিত জাতিৰ প্ৰমাণ-পত্ৰ গ্ৰহণযোগ্য নোহোৱাত মনোনয়ন বাতিল হয়। যাৰবাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি প্ৰাৰ্থী কল্যাণী ৰায় শিকদাৰে জয়লাভ কৰে। আনহাতে ২১ খন পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ বাবে ৪৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ইয়াৰে আগমনি হালাকুৰা জিলা পৰিষদৰ আগমনি আঞ্চলিক পঞ্চায়তৰ সদস্য পদত বিজেপিৰ সংযুক্তা বাগচী আৰু হালাকুৰাত অকল বিজেপিৰ ভাৰতীবালা ৰায়ে মনোনয়ন দাখিল কৰাত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। আনহাতে গোলকগঞ্জ জিলা পৰিষদ এলেকাৰ বিষখোৱা আঞ্চলিক পঞ্চায়তৰ সদস্য পদত দুজন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। নিৰ্দলীয় প্ৰাৰ্থীগৰাকীয়ে মনোনয়ন উঠাই নিয়াত বিজেপিৰ লিপিকা ৰায়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। গোলকগঞ্জ সম জিলা এলেকাত মুঠ ১৪১ টা ভোট কেন্দ্ৰত ভোট দিব পাৰিব। ইয়াৰে ৪৫ টা অতি স্পৰ্শকাতৰ আৰু চাৰিটা স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰিছে। সৰ্বমুঠ ভোটৰ সংখ্যা ১,৭৭,৩২৩ টা। ইয়াৰে ৯১,৭৩৭ জন পুৰুষ আৰু ৮৫,৫৮৬ গৰাকী মহিলা ভোটাৰে ভোটদান কৰিব। এইবেলি ষ্ট্ৰংৰুমৰ লগতে ভোট গণনা গোলকগঞ্জৰ চিলাৰায় মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। উল্লেখ্য যে সমষ্টি পুনঃনিৰ্দ্ধাৰণৰ বাবে গংগাধৰ নদীৰ পশ্চিম দিশত থকা খলিচামাৰীৰ বৃহৎসংখ্যক ভোটাৰ নদী পাৰ হৈ তামাৰহাট উচ্চ মাধ্যমিক বিদ্যালয়ত থকা ভোট কেন্দ্ৰত ভোট দিব যাব লাগিব। ভোটাৰৰ সুবিধাৰ্থে প্ৰশাসনে বিনামূলীয়াকৈ নাৱৰ ব্যৱস্থা কৰিব বুলি আজি সদৰী কৰে। সংবাদমেলত উপ-আয়ুক্ত দেৱযিনা বৰ্মন, উপ-আয়ুক্ত কপিল দাস আগমনি ৰাজহ চক্ৰ বিষয়া হৰেকৃষ্ণ ডেকা আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়া স্নিগ্ধাৰাণী দাস আদি উপস্থিত থাকে।

# ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ক ইউজিচিৰ স্বতন্ত্ৰ মৰ্যাদা

**ই-সংবাদ, ডিব্ৰুগড়, ১৮ এপ্ৰিলঃ** অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ উৎসৱমুখৰ পৰিৱেশৰ মাজতে ডিব্ৰুগড়লৈ আহিল এটা সুখবৰ। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় অনুদান আয়োগে ১৭ এপ্ৰিলত স্বতন্ত্ৰ (অট'নমাছ) মহাবিদ্যালয় হিচাপে স্বীকৃতি দিয়ে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ চিঠিৰ নম্বৰ এফ.২-১০/২০২৩ (এচি-পলিচি) দিনাংকঃ ১৭ এপ্ৰিল, ২০২৫ মৰ্মে মহাবিদ্যালয়খনক স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে ঘোষণা কৰে। অৱশ্যে এই ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ৩০ দিনৰ ভিতৰত বিশ্ববিদ্যালয় অনুদান আয়োগৰ নীতি অনুসৰি স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে ঘোষণা কৰাৰ এক জাননী জাৰি কৰাৰ নিয়ম। উল্লেখ্য যে ইতিমধ্যে মহাবিদ্যালয়খনে কেন্দ্ৰীয় চৰকাৰৰ অধীনত 'ITEP' (Integrated Teacher Education Training Programme) অনুমোদন লাভ কৰিছে। মহাবিদ্যালয়খনত ড০ শশীকান্ত শইকীয়াই অধ্যক্ষ হিচাপে যোগদান কৰা পিছত আন্তঃগাঁথনি, শৈক্ষিক, প্ৰযুক্তি, প্ৰশাসন সকলো দিশত এক আমূল পৰিৱৰ্তন হয়। ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনলাইন মাধ্যমেৰে অনুষ্ঠিত কৰা মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীৰ উপস্থিতিও অনলাইন মাধ্যমতে হয়। ই এক ব্যতিক্ৰমী পদক্ষেপ বুলিও বিভিন্ন সময়ত চৰ্চা হৈ আহিছে। বিগত সময়ছোৱাত কানৈ মহাবিদ্যালয়খনে শৈক্ষিক দিশত এক ব্যতিক্ৰমী কাম-কাজৰ দ্বাৰা ৰাইজৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত একেৰাহে তিনিবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ বঁটা লাভ কৰাৰ লগতে শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয় হিচাপেও স্বীকৃতি লাভ কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে মহাবিদ্যালয়খনক কিছুদিনৰ আগতে ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছিল। কেৱল সেয়াই নহয়, কেন্দ্ৰীয় চৰকাৰৰ লগতে ডিব্ৰুগড় জিলা প্ৰশাসন, ডিব্ৰুগড় পৌৰসভা, নেহৰু যুৱ কেন্দ্ৰ, ডিব্ৰুগড় নাগৰিক মঞ্চকে ধৰি অনেক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে মহাবিদ্যালয়খনক বিভিন্ন সন্মান, বঁটা প্ৰদান কৰি এটা ৰাজহুৱা শ্ৰেষ্ঠ শিক্ষানুষ্ঠান হিচাপে ঘোষণা কৰিছে। আনহাতে, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰা আগবঢ়োৱা কৰ্মসূৰ্য উপাধি তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰদান কৰিছিল। অধ্যক্ষগৰাকীক ডিবৰু হিতৈষী, দিনবন্ধুকে ধৰি অনেক উপাধি আৰু সন্মান বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰদান কৰিছে। আজি বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা মহাবিদ্যালয়ৰ অধ্যক্ষলৈ প্ৰেৰণ কৰা পত্ৰখন লাভ কৰাৰ পিছতেই মহাবিদ্যালয়খনত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে ১৯৪৫ চনৰ ১৫ জুনত ডিব্ৰুগড় মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খন পৰৱৰ্তী সময়ত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ৰূপে পৰিচিত হৈ পৰাৰ পিছত মহাবিদ্যালয়খন প্ৰাথমিক পৰ্যায়ত কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰে। ইয়াৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ ফলত ১৯৪৮ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত স্বীকৃতি লাভ কৰে। ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাত মহাবিদ্যালয়খন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত আছিল। আজি মহাবিদ্যালয়খনে এই দীৰ্ঘ পৰিক্ৰমা, বৰ্ণিল যাত্ৰাৰ পিছত স্বতন্ত্ৰ হিচাপে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বীকৃতি লাভ কৰে। ৮০ বছৰীয়া মহাবিদ্যালয়খনত কলা আৰু বিজ্ঞান শাখাত ২১ টা বিভাগত স্নাতক পাঠ্যক্ৰম চলি আছে। আনহাতে, ৬ টাকৈ বিভাগত স্নাতকোত্তৰ ডিগ্ৰী আদিৰ দৰে আন বহু গুৰুত্বপূৰ্ণ পাঠ্যক্ৰম বিগত সময়ছোৱাত নতুনকৈ সংযোজন কৰা হৈছিল। মহাবিদ্যালয় পৰিয়ালে স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে লাভ কৰিবলৈ যাৱতীয় সকলো ব্যৱস্থা কাৰ্যকৰী কৰিছিল। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এক বিবৃতিত কয় যে মহাবিদ্যালয়খনে তেওঁৰ কাৰ্যকালৰ সময়ত যিখিনি অগ্ৰগতি লাভ কৰিছিল সেয়া সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত সম্ভৱ হৈছিল। এই ক্ষেত্ৰত অধ্যক্ষগৰাকীৰ সৈতে যোগাযোগ কৰাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা পত্ৰখন সম্পৰ্কত সদৰী কৰি তেওঁ সকলোকে ধন্যবাদ জ্ঞাপন কৰি কয়— সকলোৰে সহযোগিতা নোপোৱাহেঁতেন মহাবিদ্যালয়খনৰ উন্নয়নৰ গতি এইদৰে ত্বৰান্বিত নহ'লহেঁতেন। তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল, মহাবিদ্যালয় পৰিদৰ্শক ড০ ৰূপম শইকীয়াৰ সহায়-সহযোগিতাকো কৃতজ্ঞতাৰে স্বীকাৰ কৰে আৰু তেখেতসকলে সকলো সময়তে কৰা সহযোতিৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়। তেওঁ ডিব্ৰুগড়বাসীকো বিভিন্ন সময়ত মহাবিদ্যালয়খনক কৰা সহায়-সহযোগিতাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ঢেকীয়াজুলিত ধনীৰ হাতত চৰকাৰী ঘৰ, বঞ্চিত যোগ্যজন

**ই-সংবাদ, ঢেকীয়াজুলি, ১৮ এপ্ৰিলঃ** ঢেকীয়াজুলিৰ ভঙ্গামন্দিৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বালিজান গাঁৱত চৰকাৰী বাসগৃহ বিতৰণৰ নামত এক গুৰুতৰ কেলেংকাৰীৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় একাংশ সচেতন লোকৰ মতে, চৰকাৰৰ পৰা দৰিদ্ৰ পৰিয়ালৰ বাবে বিতৰণৰ বাবে অহা ঘৰবোৰ দুখীয়াৰ হাতত নপৰি শাসকীয় পক্ষৰ কিছুমান দালালৰ সহযোগত মোটা অংকৰ ধনৰ বিনিময়ত ধনী ব্যক্তিৰ হাতলৈ গৈছে। এই ঘটনাই গাঁওখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু স্থানীয় লোকৰ মাজত ক্ষোভৰ সঞ্চাৰ কৰিছে। অভিযোগ অনুসৰি, বালিজান গাঁৱৰ এজন ব্যক্তি, যাৰ নিজৰ ইতিমধ্যে এটা পকী RCC বিল্ডিং আছে, তেওঁ চৰকাৰৰ পৰা দৰিদ্ৰ পৰিয়ালৰ বাবে বিতৰণৰ বাবে অহা বাসগৃহ পাইছে। আচৰিত কথা যে এইজন ব্যক্তিয়ে নিজকে দুখীয়া বুলি সজাই কাগজ-পত্ৰ প্ৰস্তুত কৰি এই সুবিধা হস্তগত কৰিছে। স্থানীয় লোকৰ মতে, শাসকীয় বিষয়াৰ সৈতে জড়িত দুজনমান দালালে এই কাৰ্যত মূল ভূমিকা পালন কৰিছে। তেওঁলোকে মোটা অংকৰ ধনৰ বিনিময়ত এই ধৰণৰ অনৈতিক কাম সম্পন্ন কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। বালিজান গাঁৱৰ এগৰাকী সচেতন ব্যক্তিয়ে নাম প্ৰকাশ নকৰাৰ চৰ্তত কয়, “এইটো অতি লজ্জাজনক ঘটনা। চৰকাৰে দুখীয়াৰ কল্যাণৰ বাবে যি ঘৰবোৰ দিছে, সেইবোৰ ধনী লোকৰ হাতলৈ কেনেকৈ গ'ল? এইখন গাঁৱত বহুতো পৰিয়াল আছে, যি পৰিয়ালৰ সঁচাকৈয়ে ঘৰৰ প্ৰয়োজন। কিন্তু তেওঁলোকৰ নাম তালিকাত নাই আৰু যাৰ ঘৰৰ প্ৰয়োজন নাই তেওঁ পাইছে। ইয়াৰ পিছত নিশ্চিতভাৱে কিছুমান লোকৰ হাত আছে।”এই কেলেংকাৰীৰ ফলত গাঁওখনৰ প্ৰকৃত দৰিদ্ৰ পৰিয়ালবোৰ চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হৈছে। স্থানীয় লোকৰ মতে, এই ঘটনা কেৱল বালিজান গাঁওৰ মাজতে সীমাবদ্ধ নহয়, বৰঞ্চ ভঙ্গামন্দিৰ গাঁও পঞ্চায়তৰ অন্যান্য অঞ্চলতো এনে অনিয়ম চলি থকাৰ সম্ভাৱনা আছে। কিছু গাঁওবাসীয়ে দাবী কৰিছে যে এই ধৰণৰ কাৰ্যত জড়িত থকা দালাল আৰু বিষয়াসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন। গাঁওখনৰ আন এজন ব্যক্তিয়ে কয়, “আমি দেখিছোঁ যে কিছুমান লোকে টকাৰ জোৰত সকলো কৰি আছে। দুখীয়াৰ নামত অহা ঘৰ ধনীয়ে লৈ গৈছে। এইটো কোনো নতুন কথা নহয়, কিন্তু এতিয়া ইয়াৰ তদন্ত হোৱা উচিত। আমি চৰকাৰৰ পৰা এই বিষয়ে সঠিক তদন্ত আৰু দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা বিচাৰিছোঁ।” দৰিদ্ৰ পৰিয়ালৰ কল্যাণৰ বাবে চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে সা-সুবিধা প্ৰদান কৰি আহিছে, কিন্তু এনে অনিয়মৰ বাবে প্ৰকৃত উপভোক্তাসকল সুবিধাৰ পৰা বঞ্চিত হৈছে। এই বিষয়ত ভঙ্গামন্দিৰ গাঁও পঞ্চায়তৰ কোনো বিষয়াৰ পৰা তাৎক্ষণিকভাৱে কোনো মন্তব্য পোৱা নগ'ল। স্থানীয় লোকে জিলা প্ৰশাসনৰ পৰা এই বিষয়ত তদন্তৰ দাবী জনাইছে। ইয়াৰ লগতে প্ৰকৃত দৰিদ্ৰ পৰিয়ালবোৰৰ হাতত চৰকাৰী সা-সুবিধা পোৱাটো নিশ্চিত কৰিবলৈ পঞ্চায়ত পৰ্যায়ত অধিক স্বচ্ছ পদ্ধতি গ্ৰহণ কৰাৰ প্ৰয়োজন। এই ঘটনাই কেৱল বালিজান গাঁৱৰ সমস্যা নহয়, বৰঞ্চ ই গোটেই অঞ্চলটোৰ চৰকাৰী আঁচনিৰ বিতৰণ প্ৰক্ৰিয়াৰ দুৰ্বলতাক প্ৰতিফলিত কৰে। গাঁওবাসীৰ মতে, যদিহে এনে কেলেংকাৰীৰ তদন্ত নহয় আৰু দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰা হয়, তেন্তে চৰকাৰৰ কল্যাণমূলক আঁচনিৰ প্ৰতি জনসাধাৰণৰ আস্থা কমি যাব। এতিয়া প্ৰশ্ন হৈছে, এই কেলেংকাৰীৰ সৈতে জড়িতসকলৰ বিৰুদ্ধে প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰিব? আৰু প্ৰকৃত দৰিদ্ৰ পৰিয়ালৰ হাতত চৰকাৰী সা-সুবিধা পোৱাটো নিশ্চিত কৰিবলৈ কি পদক্ষেপ লোৱা হ'ব?

## আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ডিমাকুছিৰ বগৰীতলত ৰঙালী বিহু-দেউল উদযাপন

**ই-সংবাদ, ডিমাকুছি, ১৮ এপ্ৰিলঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ডিমাকুছিৰ বগৰীতলত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহু আৰু দেউল উৎসৱ উদযাপনৰ বাবে প্ৰস্তুতি চলাইছে। ১৯ ,২০ আৰু ২১ এপ্ৰিল শনিবাৰ, দেওবাৰ আৰু সোমবাৰে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বগৰীতল যুৱক সংঘ খেলপথাৰত বিগত বৰ্ষকেইটিৰ দৰে এইবেলিও অসমীয়াৰ বাপতিসাহোন হেঁপাহৰ ৰঙালী বিহু আৰু দেউল উদযাপন অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে উদযাপন সমিতিয়ে। বগৰীতল যুৱক সংঘৰ সৌজন্যত অনুষ্ঠিত ৰঙালী বিহু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি হৰিচন্দ্ৰ ডেকা, সভাপতি হেমন্ত ডেকা, সাধাৰণ সম্পাদক ৰিংকু ডেকা আৰু সহকাৰী সম্পাদক পিংকু কলিতাৰ লগতে দেউল উদযাপন সমিতিৰ সভাপতি সোণেশ্বৰ ডেকা, সম্পাদক লংকেশ্বৰ চহৰীয়া, বগৰীতল যুৱক সংঘৰ সভাপতি মনীন্দ্ৰ চহৰীয়া, সম্পাদক উৎপল চহৰীয়াই জানিবলৈ দিয়া মতে কাৰ্যসূচী অনুসৰি চাৰি ব'হাগ শনিবাৰে পুৱা ৬ বজাত হৰি মন্দিৰত বন্তি প্ৰজ্বলন কৰিব হৰি মন্দিৰৰ দেউৰী খগেন ডেকাই, ৭ বজাত বিহু পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি হেমন্ত ডেকাই, ৭.৩০ বজাত বগৰীতল যুৱক সংঘৰ স্থায়ী পতাকা উত্তোলন কৰিব সংঘৰ সভাপতি মনীন্দ্ৰ চহৰীয়াই, ৮ বজাত শ্বহীদ তৰ্পণ কৰিব বিশিষ্ট সমাজকৰ্মী ইন্দ্ৰেশ্বৰ চহৰীয়াই, ৮.৩০ বজাত ব্যতিক্ৰমীভাৱে বৃক্ষ ৰোপণ কৰিব যিহেতু ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত সঘনাই বন্যহস্তীৰ উপদ্ৰৱ বৃদ্ধি পাই আহিছে। হাতী-মানুহৰ সংঘাত নিৰ্মূল কৰিবলৈ চৰকাৰে অহৰহ চেষ্টা চলাইছে যদিও বিফল হোৱা পৰিলক্ষিত হৈছে। সেয়েহে ডিমাকুছিৰ বিভিন্ন অঞ্চলত বিশেষকৈ হাতীৰ বাবে খোৱাৰ উপযোগী হোৱাকৈ বিভিন্ন ধৰণৰ ফল-মূলৰ গছ-গছনি ৰোপণ কৰিব বগৰীতলবাসীয়ে। বৃক্ষৰোপণত উপস্থিত থাকিব ৰেঞ্জাৰ প্ৰাঞ্জল তালুকদাৰ, ৰেঞ্জাৰ ৰাজেন দৈমাৰী, বৰংগাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰণেন মুছাহাৰী, ২ নং সোণাজুলি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেন বড়া, ডিমাকুছি আদৰ্শ চিকিৎসালয়ৰ বিশিষ্ট চিকিৎসা কৰ্মী প্ৰমোদ ডেকা, সমাজ সেৱক শচীন ডেকা, ৰবীন্দ্ৰ নাথ। পুৱা ৯.৩০ বজাত বিভিন্ন ধৰণৰ খেল-ধেমালি উদ্বোধন কৰিব ৰাজেন কলিতাই। ১১.৩৯ বজাত চিত্ৰাংকণ প্ৰতিযোগিতা। আবেলি ৪ বজাত দেউল উৎসৱৰ বন্তি প্ৰজ্বলন আৰু মগৰ স্থাপন। সন্ধিয়া ৬ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব অসম চাহ কৰ্মচাৰী সংঘৰ মঙলদৈ শাখাৰ সম্পাদক দ্বীপেন তালুকদাৰে। ৬ ব'হাগ, ২০ এপ্ৰিল দেওবাৰে পুৱা ৭ বজাত দেউল উৎসৱৰ বন্তি প্ৰজ্বলন। ১০ বজাত দেউলৰ হোম-যজ্ঞ, আবেলি ২ বজাত বাইহাটা চাৰিআলিৰ জংকী দাসৰ নাগাৰা নাম প্ৰদৰ্শন। নাগাৰা নাম উদ্বোধন কৰিব বিটিআৰৰ ইএম দাওবাইছা বড়োৱে।

# ২৪ সংখ্যক আঞ্চলিক পানীগাঁও ৰঙালী বিহু সন্মিলন

**ই-সংবাদ, নলবাৰী, ১৮ এপ্ৰিলঃ** আজি এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আঞ্চলিক ক্ৰীড়া-কলা কেন্দ্ৰ, পানীগাঁৱৰ সৌজন্যত আঞ্চলিক পানীগাঁও ৰঙালী বিহু সন্মিলনৰ জৰিয়তে অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুটি উদ্‌যাপন কৰা হয়। সেই উপলক্ষে পুৱা ৭ বজাত পৰিৱেশ প্ৰস্তুতিৰ পিছত একাদিক্ৰমে সংঘৰ পতাকা উত্তোলন, বিহুৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, আঞ্চলিক ক্ৰীড়া-কলা কেন্দ্ৰ, পানীগাঁৱৰ প্ৰয়াত সদস্যসকলৰ স্মৃতিত মাল্যাৰ্পণ আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয় । পুৱা ১০ বজাত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিয়লি ৪ বজাত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰচাৰৰ দায়িত্বত থকা শিক্ষক তথা প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান ৰূপক বৈশ্যই জানিবলৈ দিয়া মতে সন্ধিয়া ৭ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে মিলন হাইস্কুল, পানীগাঁৱৰ শৈক্ষিক তত্বাৱধায়ক ব্ৰজেন বৈশ্যই। সাংস্কৃতিক সন্ধিয়াত নৃত্যাংগন একাডেমীৰ শিক্ষাৰ্থীৰ অনুষ্ঠান, আমন্ত্ৰিত দলৰ দ্বাৰা বিহু হুঁচৰি প্ৰদৰ্শন, বাৰেৰহণীয়া নৃত্যগোষ্ঠী, সৰ্থেবাৰী আৰু স্থানীয় শিল্পীৰ লগতে গীত পৰিৱেশন কৰিলে চন্দন ৰাজ, কাজল কৃষ্ণ আৰু নিলোফাৰ নাচৰিনে ।

# পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু 'চম্পাৱতী' আৰম্ভ

**ই-সংবাদ, পুৰণিগুদাম, ১৮ এপ্ৰিলঃ** নগাঁও জিলাৰ পুৰণিগুদাম বাপুজী ভৱন পুথিভঁৰাল খেলপথাৰত আজি পুৱাৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন। পুৱা বিহু উদযাপন সমিতিৰ সভাপতি জ্যোতিৰ্ময় গোস্বামীয়ে পতাকা উত্তোলন কৰাৰ পিছতে স্মৃতি তৰ্পন কৰে পুৰণিগুদামৰ জ্যেষ্ঠ নাগৰিক দুলেন গায়নে। ইয়াৰ পিছতে অনুষ্ঠিত হয় চিত্ৰাংকণ আৰু কুইজ প্ৰতিযোগিতা। চিত্ৰাংকণ প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে পুৰণিগুদাম ড০ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ কমল শইকীয়াই। চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰি দিয়া ভাষণত কমল শইকীয়াই কয় যে সুকুমাৰ শিল্পচৰ্চাৰ মাধ্যমেৰে তৰুণ শিক্ষাৰ্থীসকলে আত্মপ্ৰকাশৰ সুবিধা লাভ কৰে, সংবেদনশীলতা, বস্তুনিষ্ঠ পৰ্যবেক্ষণ আৰু সুকুমাৰ অনুভূতিৰ কৰ্ষণ আৰু বিকাশৰ কাৰণে শিল্প চৰ্চা সৰ্বোত্তম উপায়। দুৰ্ভাগ্যজনকভাৱে আমাৰ বিদ্যায়তনিক পাঠ্যক্ৰমত সংগীত আৰু শিল্প সাধনাৰ অনুপ্ৰেৰণা তেনেকৈ নাই। ছবি আঁকি, গীত-মাতৰ চৰ্চা কৰি একোজন প্ৰতিষ্ঠিত শিল্পী হোৱাটো অৱশ্যে এক দীঘলীয়া পৰিক্ৰমা, ধাৰাবাহিকভাৱে এনে সাধনাত সকলো সমানে ব্ৰতী হ'ব নোৱাৰে। কিন্তু এটা শিল্পৰ প্ৰতি অনুৰাগ গঢ়ি তুলিব পাৰি, শিল্প চেতনাটোৰে একোজন ব্যক্তিৰ ব্যক্তিত্ব গঠনত সহায় কৰে। সেইকাৰণে আনুষ্ঠানিক শিক্ষাৰ সমান্তৰালভাৱে এনে সুকুমাৰ কলাৰ চৰ্চা কৰি থাকিব পাৰি, যি সময়ত এজন ব্যক্তি সকলো মানবীয় গুণেৰে বিকাশ লাভ কৰাত সহায় কৰে। শিল্প কেৱল নীৰৱে ৰসাস্বাদন কৰি আনন্দিত হোৱা বিষয়েই নহয়, ইয়াৰ মাজেৰে মানুহ, প্ৰকৃতি, ৰাজনীতিৰো একোটা গভীৰ বোধ আৰু উপস্থাপন সম্ভৱ। বিশ্বৰ যশস্বী কলা সাধকৰ সৃষ্টিৰ মাজত মানুহ আৰু মানুহৰ সমাজৰ অভিনৱ উপস্থাপন সম্ভৱ হৈছে। এনেবোৰকালজয়ী শিল্পৰ সোৱাদ ল'বলৈও আমি এই মাধ্যমটো বুজিব লাগে। গ্ৰন্থ অধ্যয়ন কৰি ভাল পোৱা ৰসিক নাথাকিলে যিদৰে লেখকৰ কোনো গুৰুত্ব নৰয় তেনেকৈ শিল্প ৰসিক আবিহনে শিল্পীৰো গুৰুত্ব নাথাকে। এজন ভাল শ্ৰোতা, পঢ়ুৱৈ আৰু শিল্প ৰসিক হ'ব পৰাটোহে আচল কথা বুলি উল্লেখ কৰে। শিক্ষক হেৰম্ব প্ৰসাদ গোস্বামীয়ে আঁত ধৰা প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে চিত্ৰশিল্পী শৰৎ বৰুৱা আৰু ৰাতুল শৰ্মা। নিশালৈ সদৌ অসম ভিত্তিত দলীয় বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ পুৱা পাঁচ বজাত মাৰথন দৌৰ প্ৰতিযোগিতা, ৰছী টনা প্ৰতিযোগিতা, টেকেলী ভঙা প্ৰতিযোগিতা আৰু নিশালৈ বাৰেবৰণীয়া সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিছে বুলি উদযাপন সমিতিৰ সাধাৰণ সম্পাদক ড০ যতীন শৰ্মাই জানিবলৈ দিছে। আজি পুৱাৰে পৰা অনুষ্ঠিত পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু উদযাপনস্থলীত পুৱাৰ ভাগত আয়োজন কৰা বিহু নৃত্যত উপস্থিত সকলোৱে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে পুৰণিগুদামৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া আৰু পুৰণিগুদামৰ ৰাইজৰ সন্মিলিত প্ৰচেষ্টাত আয়োজন কৰা কেন্দ্ৰীয় ৰঙালী বিহুৰ বাকৰিত আজি পুৱা অনুষ্ঠিত হোৱা চিত্ৰাংকণ প্ৰতিযোগিতাত "ক" শাখাত প্ৰথম ধীৰাজজ্যোতি গোহাঁই, দ্বিতীয় হৃদয় কিশোৰ শৰ্মা আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে নিহাৰিকা হালৈয়ে। ইয়াৰ উপৰি নিচুকনি পুৰস্কাৰ লাভ কৰে দিয়াশ্ৰী বৰা আৰু চিন্ময়জ্যোতি শইকীয়াই, "খ" শাখাত প্ৰথম পুৰস্কাৰ নিয়ৰ শইকীয়া, দ্বিতীয় পুৰস্কাৰ চিন্ময়ী শৰ্মা আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে মোদিতা কলিতাই। ইয়াৰ উপৰি নিচুকনি পুৰস্কাৰ লাভ কৰে ফাৰ্জিয়া আখতাৰে।

# নলবাৰীত সাহিত্য সভাৰ মনজুৰুৱা আৰু সেতুবন্ধন অনুষ্ঠান



**ই-সংবাদ, বাঁহজানী, ১৮ এপ্ৰিলঃ** নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত শুকুৰবাৰে জিলা সাহিত্য সভা কাৰ্যালয়ত মনজুৰুৱা আৰু সেতুবন্ধন অনুষ্ঠান অনুষ্ঠিত হয়। দিনৰ ১২ বজাত অনুষ্ঠিত অনুষ্ঠানটিত সভাপতিত্ব কৰে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড° বীৰেন কুমাৰ চক্ৰৱৰ্তীয়ে। জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতাই উদ্দেশ্য বাখ্যা কৰা, অসম সাহিত্য সভাৰ নাট্য সাহিত্য উপ-সমিতিৰ আহ্বায়ক ধ্ৰুৱজ্যোতি শৰ্মাই আঁত ধৰা আৰু জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্বাহ আলম আহমেদ, ৰুবুল বৰ্মন, ভুবনেশ্বৰ কলিতাই সহযোগ কৰা অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী । সভাপতি ড° গোস্বামীয়ে মনজুৰুৱা আৰু সেতুবন্ধন কাৰ্যসূচীৰ তাৎপৰ্য ভাষণযোগে ব্যাখ্যা কৰে। সভাপতি ড° গোস্বামীয়ে অসমৰ চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষা প্ৰচলন হোৱাৰ লগতে বিটিএডিত বড়ো ভাষাৰ লগতে অসমীয়া ভাষা, বৰাক-কাছাৰতো অসমীয়া ভাষাৰ প্ৰচলন হ'ব লাগিব বুলি মন্তব্য কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, প্ৰধান সম্পাদক দেৱজিৎ বৰা, কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, সচিব অশোক সেনাপতি, স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতা, গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ড° সঞ্জীৱ কুমাৰ শৰ্মা, শৰৎ চন্দ্ৰ গোস্বামী ভাষা গৱেষণা কেন্দ্ৰৰ আহ্বায়ক ড° ৰবীন দাস, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকু সিদ্ধ নাথ, জিলা সাহিত্য সভাৰ উপ-সভাপতি ডাঃ সমৰ তালুকদাৰকে ধৰি কেন্দ্ৰীয় প্ৰতিনিধিৰ দল এটি উপস্থিত থাকে। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৱজিৎ বেজবৰুৱা, সদৌ অসম কৰ্মচাৰী সন্থাৰ সম্পাদক প্ৰধান পংকজ বৰ্মন, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী চহৰ সমিতিৰ সাধাৰণ সম্পাদক চাহিল মল্লিককে ধৰি দল-সংগঠনৰ প্ৰতিনিধি, শাখা সাহিত্য সভাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# তিনিচুকীয়াত নিৰ্বাচনী পৰ্যবেক্ষকৰ সৈতে প্ৰশাসনৰ সভা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৮ এপ্ৰিলঃ** তিনিচুকীয়া জিলাৰ পঞ্চায়ত নিৰ্বাচন পৰ্যবেক্ষণৰ বাবে নিয়োজিত তিনিগৰাকী পৰ্যবেক্ষকৰ উপস্থিতিত আজি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হ'য়। জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ৰাজ্যিক নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত পৰ্যবেক্ষকত্ৰয় তথা জ্যেষ্ঠ প্ৰশাসনীয় বিষয়া পাৰ্থপ্ৰতিম বৈৰাগী, সুজাতা শেনছোৱা আৰু জিতু কুমাৰ দাসৰ উপৰি আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গুৰনীল সিং, অতিৰিক্ত আয়ুক্তসকল, সমজিলা আয়ুক্তসকল আৰু পঞ্চায়ত নিৰ্বাচনৰ সকলো কোষৰ দায়িত্বত থকা ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে। আজি আবেলি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই সভাখনত নিৰ্বাচনৰ সকলো কোষৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে সকলোকে নিজ নিজ দায়িত্ব সুচাৰুৰূপে পালন কৰি নিৰ্বাচন সুকলমে সম্পন্ন কৰাত গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত পৰ্যবেক্ষকসকলে বিভিন্ন নিৰ্বাচনী কোষৰ কামৰ পৰ্যালোচনা আৰু পৰ্যবেক্ষণ কৰি পালনীয় কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে তিনিচুকীয়া জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনৰ বিষয়াসকলৰ নেতৃত্বত বিভিন্ন কোষে অহৰ্নিশে দায়িত্ব পালন কৰি আছে।

# দুশৰো অধিক বিহুৰ ওলগনি-পত্ৰ প্ৰদান চৰাইদেউ জিলা সাহিত্য সভাৰ

**ই-সংবাদ, মথুৰাপুৰ, ১৮ এপ্ৰিলঃ** অসম সাহিত্য সভাৰ পহিলা ব'হাগ "নিজৰ দিন" পালনৰ উদ্দেশ্যে চৰাইদেউ জিলাৰ সাহিত্য সভা আৰু জিলাখনৰ শাখাসমূহে পহিলা ব'হাগৰ পৰা একেৰাহে তিনিদিন সমাজলৈ বিশেষভাবে অৱদান আগবঢ়োৱা জ্যেষ্ঠ নাগৰিক, শিক্ষাবিদ, লেখক, সমাজ সচেতন ব্যক্তিসকলৰ গৃহ আৰু কৰ্মৰত কাৰ্যালয়ত উপস্থিত হৈ বিহুৰ ওলগ জ্ঞাপন কৰাৰ লগতে একোখনকৈ ওলগনি-পত্ৰ প্ৰদান কৰে। জিলা সভাৰ সভাপতি মুকুট বৰগোহাঁই, সম্পাদক বিপুল বৰুৱাৰ নেতৃত্বত জিলা সাহিত্য সভা আৰু জিলাখনৰ অন্তৰ্গত প্ৰতিটো শাখাই পালন কৰা উক্ত কাৰ্যসূচীত জিলাখনৰ দুশৰো অধিক বিশিষ্ট ব্যক্তিক বিহুৰ ওলগনি-পত্ৰ প্ৰদান কৰা হয়। জিলা সাহিত্য সভাৰ উদ্যোগত ব'হাগৰ দ্বিতীয় দিনা জিলাখনৰ আয়ুক্ত ডাঃ নেহা যাদৱ আৰু জিলাখনৰ আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেশ্বৰক পৃথকে পৃথকে নিজ নিজ কাৰ্যালয়ত জিলা সাহিত্য সভাৰ বিষয়ববীয়াসকল উপস্থিত হৈ ওলগনি-পত্ৰ, ফুলাম গামোচা, গ্ৰন্থ আৰু চেলেং চাদৰেৰে বিহুৰ ওলগ জনোৱাৰ লগতে বিশেষভাবে সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানটোত চৰাইদেউ জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ৰতিপ্ৰভা গগৈ, জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদিকা (সাংগঠনিক) কল্পনা বৰুৱা, শিক্ষাবিদ তথা বিশিষ্ট কবি, লেখক ভীমবৰ পাতিৰি, সাংস্কৃতিক সাধক তথা জিলা সাহিত্য সভাৰ বিষয়ববীয়া বাণী চাংমাই, বলোৰাম চেতিয়া আদিয়ে অংশগ্ৰহণ কৰে।

# মান্দাকাটাত শংকৰদেৱ সংঘৰ স্থায়ী গুৰু আসন প্ৰতিষ্ঠা

**ই সংবাদ, বাইহাট চাৰিআলি, ১৮ এপ্ৰিলঃ** কামৰূপ জিলাৰ দক্ষিণ মান্দাকাটাত শ্ৰীমন্তশংকৰদেৱ সংঘৰ গুৱাহাটী মহানগৰ জিলা শাখাৰ ৰামচৰণ ঠাকুৰ আঞ্চলিকৰ অন্তৰ্গত দক্ষিণ মান্দাকাটা প্ৰাথমিক শাখাৰ স্থায়ী গুৰু আসন আজি প্ৰতিষ্ঠা কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সাহায্য পুঁজিৰ পৰা লাভ কৰা ধনৰাশিৰে নিৰ্মাণ কৰি উলিওৱা গুৰু আসন প্ৰতিষ্ঠা কৰে দৰং জিলাৰ প্ৰাক্তন সদস্য নন্দেশ্বৰ নাথে। গুৰু আসন প্ৰতিষ্ঠাৰ পিছতে দক্ষিণ মান্দাকাটা প্ৰাথমিক শাখাৰ সভাপতি পীতাম্বৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাতকমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ সহধৰ্মিণী জুলি কলিতা, বেজেৰা মণ্ডল বিজেপিৰ সভাপতি নয়ন বড়া, স্থানীয় বিশিষ্ট ব্যৱসায়ী দীপাংকৰ তালুকদাৰ, আয়েজুল হক, ৰুবুল হাজৰিকাৰ লগতে কেইবাগৰাকী বাপ-বৈষ্ণৱ উপস্থিত থাকে। ইফালে শংকৰী কলা-কৃষ্টি কেন্দ্ৰৰ সভাপতি অচ্যুত দাস আৰু সম্পাদক ৰাতুল ডেকাই স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আজিৰ এই গুৰু আসন প্ৰতিষ্ঠা অনুষ্ঠানত ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## সাহিত্য সাধনা মঞ্চ, অসমৰ নলবাৰী জিলা সমিতিৰ মুকলি সভা আৰু বঁটা বিতৰণী সভা সম্পন্ন



**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৮ এপ্ৰিলঃ** সাহিত্য সাধনা মঞ্চ, অসমৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত আৰু নলবাৰীস্থিত চিত্ৰলেখা ভিজুৱেল আৰ্ট কেন্দ্ৰৰ সহযোগত আজি নলবাৰী মহাবিদ্যালয়ৰ প্ৰভাত চন্দ্ৰ গোস্বামী প্ৰেক্ষাগৃহত এখন মুকলি সভা আৰু জিলাভিত্তিক চিত্ৰাংকণ প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সাহিত্য সাধনা মঞ্চ, অসমৰ নলবাৰী জিলা সমিতিৰ সম্পাদক ৰাজীৱ দাসে আঁত ধৰা অনুষ্ঠানটোত অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক পংকজ বৰ্মন, নলবাৰী মহাবিদ্যালয়ৰ ক্ৰমে অধ্যক্ষ ড০ কমল নয়ন পাটোৱাৰী, সহঃঅধ্যাপক ড০ ৰূপক শৰ্মা, স্বাস্থ্য বিষয়া তথা সমজকৰ্মী ডাঃ অনিমেষ শৰ্মা, অধিবক্তা মানসী চক্ৰৱৰ্তী। ভাষণ প্ৰসংগত নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ পাটোৱাৰীয়ে সাহিত্য সাধনা মঞ্চ, অসমৰ নতুন প্ৰজন্মক লৈ কৰা কামৰ প্ৰশংসা কৰি ছাত্ৰ-ছাত্ৰীসকলক দিনৰ আৰু সন্ধিয়াৰ আকাশলৈ চাবলৈ আহ্বান জনায়। তেওঁ আকাশলৈ চালে মানুহৰ মন বিশালতাৰে ভৰি পৰে বুলি উল্লেখ কৰে। উপস্থিত অতিথিসকলে সাহিত্য সাধনা মঞ্চ, অসমৰ নলবাৰী জিলা সমিতিৰ এনে কাৰ্যসূচী সঁচা অৰ্থত এক বলিষ্ঠ পদক্ষেপ বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে ১৩ এপ্ৰিলত সাহিত্য সাধনা মঞ্চ, অসমৰ কেন্দ্ৰীয় সৌজন্যত নলবাৰী জিলা সমিতিৰ উদ্যোগত আৰু চিত্ৰলেখা ভিজুৱেল আৰ্ট কেন্দ্ৰৰ সহযোগত অসম ভেলী একাডেমিত কেন্দ্ৰীয় সমিতিৰ বহুমুখী প্ৰতিভাৰ সন্ধানত বিশেষ অনুষ্ঠানৰ অংশ হিচাপে জিলাভিত্তিক চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। উক্ত অনুষ্ঠানত সাহিত্য সাধনা মঞ্চ, অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিলীপ দাস, সম্পাদক নৰজিৎ দাস আৰু মুখ্য উপদেষ্টা বিনয় কুমাৰ শৰ্মা, নলবাৰী জিলা সমিতিৰ সভাপতি বিপিন চন্দ্ৰ কলিতা, চিত্ৰলেখা ভিজুৱেল আৰ্ট কেন্দ্ৰৰ অধ্যক্ষ জয় শংকৰ শৰ্মা উপস্থিত আছিল। প্ৰায় আঢ়ৈশ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা চিত্ৰাংকণ প্ৰতিযোগিতাখন মুকলি কৰিছিল বিশিষ্ট সাংবাদিক, কবি মনোজ শৰ্মাই। আজি নলবাৰী মহাবিদ্যালয়ত আয়োজিত মুকলি সভাত চিত্ৰাংকণ প্ৰতিযোগিতাৰ তিনিটা শাখাৰ মুঠ ৯ গৰাকী বিজেতাক স্মাৰক আৰু প্ৰমাণ-পত্ৰ প্ৰদান কৰে লগতে অংশগ্ৰহণ কৰা ২৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সচেতন ৰাইজৰ উপস্থিতিয়ে সৌষ্ঠৱ বৃদ্ধি কৰে। নলবাৰী জিলা সমিতিৰ সম্পাদক ৰাজীৱ দাসে অনাগত দিনত নতুন প্ৰজন্মৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে সাহিত্য সাধনা মঞ্চই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি যাব বুলি সাংবাদিকৰ আগত মন্তব্য কৰে।

# মৰিগাঁৱত ভোটগ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ

**ই-সংবাদ, লাহৰীঘাট, ১৮ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে মৰিগাঁৱত আজিৰে পৰা প্ৰিজাইডিং আৰু প্ৰথম প'লিং বিষয়াসকলৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। মৰিগাঁও মহাবিদ্যালয়, জি কে বি কলেজ আৰু মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত আজি প্ৰশিক্ষণ সম্পন্ন হয়। আজিৰ প্ৰশিক্ষণত জিলা আয়ুক্ত দেৱাশিস শৰ্মা, নিৰ্বাচনী পৰ্যবেক্ষক উদয়াদিত্য গগৈ, অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মা আৰু সুলক্ষণা বৰপাত্ৰগোহাঁই আৰু জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া, প্ৰশিক্ষক, মাষ্টাৰ ট্ৰেইনাৰসকল উপস্থিত আছিল। আজি দুহাজাৰৰো অধিক প্ৰিজাইডিং আৰু প্ৰথম প'লিং বিষয়াৰ প্ৰশিক্ষণ সম্পন্ন হয়। প্ৰশিক্ষণকালত ভোটগ্ৰহণকাৰী বিষয়াসকলক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যসমূহৰ বিষয়ে বিতংভাৱে অৱগত কৰোৱা হয়। কাইলৈ অনুৰূপ স্থানতে দুহাজাৰৰো অধিক দ্বিতীয় আৰু তৃতীয় প'লিং বিষয়াৰ প্ৰশিক্ষণ সম্পন্ন হ'ব। ২১ এপ্ৰিলৰ পুৱা ১০ বজাৰ পৰা মৰিগাঁও মহাবিদ্যালয়ত ১৮৮ গৰাকী মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ প্ৰশিক্ষণ সম্পন্ন হ'ব। দিনৰ ১.৩০ বজাৰ পৰা জ'নেল আৰু ছেক্টৰ বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ২৩ আৰু ২৪ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত দলীয় প্ৰশিক্ষণ সম্পন্ন হ'ব। ২৫ এপ্ৰিলত মহিলা ভোটগ্ৰহণকাৰী বিষয়াসকলৰ দলীয় প্ৰশিক্ষণ সম্পন্ন হ'ব। উল্লেখ্য যে মৰিগাঁও জিলাত ১২ খন জিলা পৰিষদ, ৫ খন আঞ্চলিক পঞ্চায়ত আৰু ৮৪ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৮৪০ টা ৱাৰ্ডৰ সদস্য পদৰ বাবে ৯৭২ টা ভোটগ্ৰহণ কেন্দ্ৰত ৭ মে'ত পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈকে দ্বিতীয় পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। পঞ্চায়ত নিৰ্বাচনত মৰিগাঁও জিলাত ৮৪ গৰাকী ছেক্টৰ বিষয়া আৰু ১২ গৰাকী জ'নেল বিষয়া নিয়োগ কৰাৰ লগতে ১,১৬৬ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ১,১৬৬ গৰাকীকৈ প'লিং বিষয়া নিয়োগ কৰা হৈছে। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটোত ১০ শতাংশ সংৰক্ষণসহ ৫,৩৪৬ গৰাকী বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হ'ব।

# ধিং মহাবিদ্যালয়ৰ প্ৰাংগণত চাৰিখনকৈ গ্ৰন্থ উন্মোচন

**ই-সংবাদ, মৈৰাবাৰী, ১৮ এপ্ৰিলঃ** আজি চাৰিখনকৈ গ্ৰন্থ একেলগে উন্মোচন হোৱা উন্মোচনীয়ে আলোকিত কৰিলে নগাঁও জিলাৰ ধিং মহাবিদ্যালয়ৰ শ্ৰীমন্তশংকৰদেৱ প্ৰেক্ষাগৃহ। নগাঁও জিলা কবি সন্মিলন আৰু ধিং জাগৰণ সাহিত্য গোষ্ঠীৰ সহযোগত ধিং মহাবিদ্যালয়ৰ শ্ৰীমন্তশংকৰদেৱ প্ৰেক্ষাগৃহত আয়োজিত বিশিষ্ট লেখক, কবি আৰু সাহিত্যিক ক্ষীৰধৰ নাথৰ চাৰিখনকৈ গ্ৰন্থৰ উন্মোচনী সভাত উপস্থিত থাকি "ধিঙৰ অলিখিত বুৰঞ্জী" নামৰ গ্ৰন্থখন উন্মোচন কৰে ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই, "ৰৈয়াদ" নামৰ গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট লেখক তথা গল্পকাৰ শিৱানন্দ কাকতিয়ে, কবিতা পুথি "অগ্নিপথ" উন্মোচন কৰে নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীৰ লগতে গ্ৰন্থকাৰ ক্ষীৰধৰ নাথৰ চতুৰ্থখন গ্ৰন্থ "সংযোগ" উন্মোচন কৰে লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়, চিৰাজুলিৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীয়ে। স্থানীয় শিল্পী কৰবী শইকীয়াৰ এটি বৰগীতেৰে আৰম্ভণি হোৱা গ্ৰন্থ উন্মোচনী সভাৰ উন্মোচকসকলে কবি তথা গ্ৰন্থকাৰ ক্ষীৰধৰ নাথে কোনো প্ৰকাশক গোষ্ঠী অবিহনে সম্পূৰ্ণ নিজা প্ৰচেষ্টাৰে চাৰিখনকৈ গ্ৰন্থ প্ৰকাশ কৰি উলিয়াই আজি উন্মোচন কৰোৱা এই বিৰল প্ৰচেষ্টাক আটাইকেইগৰাকী উন্মোচকে বিস্তাৰিতভাৱে আলোকপাত কৰি গ্ৰন্থকাৰগৰাকীক ভূয়সী প্ৰশংসা কৰাৰ লগতে আটাইকেইখন গ্ৰন্থ তথা কবিতা পুথিৰ সাৰমৰ্ম সমালোচনা কৰি সাহিত্য জগতলৈ কিছু বৰঙনি আগবঢ়াই নিব বুলিও মত পোষণ কৰে । ধিং জাগৰণ সাহিত্য গোষ্ঠীৰ মুখ্য সম্পাদক প্ৰেমেশ্বৰ ঠাকুৰীয়াই আঁত ধৰা উক্ত অনুষ্ঠানটিৰ পূৰ্বে গ্ৰন্থকাৰৰ পিতৃ ৰূপৰাম নাথ, ভিনি দেৱেন চন্দ্ৰ নাথ আৰু দাদা কুলেন চন্দ্ৰ নাথৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায় শতদল সাহিত্য সভা ধিঙৰ সভানেত্ৰী মমতা নায়কে। ইপিনে নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকীয়ে সঞ্চালনা কৰা এই গ্ৰন্থ উন্মোচনী সভাৰ নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সাহিত্য সৃষ্টিত প্ৰতিযোগিতা থকাটো ভাল, প্ৰতিযোগিতা থাকিলেহে সৃষ্টি সম্ভাৰ বৃদ্ধি পায় বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখযোগ্য যে আটাইকেইখন গ্ৰন্থৰ বেটুপাত অংকন কৰে ফাইজাৰ ফাৰ্মাচিউটিকেলছৰ জ্যেষ্ঠ বিজ্ঞানী বিশ্বজ্যোতি নাথে, অক্ষৰ বিন্যাস আৰু অংগসজ্জা কৰে হেঙুল হাইতাল প্ৰকাশনৰ স্বত্বাধিকাৰী কল্যাণ মেধিয়ে, আৰ্হিপাঠ কৰে বিশিষ্ট সাহিত্যিক ৰাজু দত্তই আৰু গ্ৰন্থকাৰৰ পৰিচয় দাঙি ধৰে নৰ্মাল স্কুল নগাঁৱৰ প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ ইন্দ্ৰমোহন নাথে। আনহাতে জিলা কবি সন্মিলন আৰু সাহিত্য গোষ্ঠীৰ বিষয়ববীয়া তথা সাহিত্যনুৰাগী, কবি আৰু শিল্পীৰ দ্বাৰা অনুষ্ঠিত হয় কাব্য ধ্বনি অনুষ্ঠান। স্থানীয় শিশু শিল্পী মৃদু শিৰমৰ এটি সত্ৰীয়া নৃত্যৰে আৰম্ভ হোৱা কাব্য ধ্বনি অনুষ্ঠানত সভাপতিত্ব কৰে জাগৰণ সাহিত্য গোষ্ঠীৰ সভাপতি মুকুল বৰাই। এই কবিতা পাঠ অনুষ্ঠানত দুৰ্গেশ্বৰ বৰকটকী, প্ৰদীপ দে' সৰকাৰ, হৰিবন্ধু বিশ্বাসকে ধৰি প্ৰায় অৰ্ধশতাধিক স্থানীয় তথা আমন্ত্ৰিত কবিয়ে অংশগ্ৰহণ কৰে।

# টিহু মহাবিদ্যালয়ৰ খেলপথাৰত গো-ধনৰ সৌন্দৰ্য প্ৰতিযোগিতাৰ সামৰণি

**ই-সংবাদ, বৰমা, ১৮ এপ্ৰিলঃ** টিহু প্ৰেছ গীল্ডৰ উদ্যোগত টিহু মহাবিদ্যালয়ৰ খেলপথাৰত গৰু বিহুৰ লগত সংগতি ৰাখি দ্বিতীয় বাৰৰ বাবে গো-ধনৰ সৌন্দৰ্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত দিনা পুৱা পতাকা উত্তোলন কৰে টিহু সাংস্কৃতিক কলা পৰিষদৰ সভাপতি কণক বৈশ্যই। বন্তি প্ৰজ্বলন কৰে শিক্ষয়িত্ৰী চিত্ৰলেখা বৰ্মনে আৰু স্মৃতি তৰ্পণ কৰে সাংবাদিক হেমন্ত শীলে। পুৱা ১০ বজাত গছপুলি ৰোপণ কৰে ‘অসমীয়া প্ৰতিদিন’ কাকতৰ উপ-সম্পাদক তথা টিহু প্ৰেছ গীল্ডৰ উপদেষ্টা অঞ্জন কুমাৰ শৰ্মাই। গছপুলি ৰোপণ কৰি শৰ্মাই আগন্তুক দিনত টিহুৰ নিকটৱৰ্তী বালি গাঁৱৰ পৰা আৰম্ভ কৰি গাঁৱে গাঁৱে এই অনুষ্ঠানটো সম্প্ৰসাৰণ কৰিবলৈ টিহু প্ৰেছ গীল্ডৰ সভাপতি ধনঞ্জয় বৰপূজাৰী আৰু সম্পাদক প্ৰাঞ্জল ৰয়ৰ লগতে কৰ্মকৰ্তাসকলক আহ্বান জনায়। দিনৰ ১১.৩০ বজাত সমূহীয়া গা-ধোৱা পৰ্ব্বত গৰখীয়াক সম্বৰ্ধনা জনায় সমাজকৰ্মী কৰুণা কলিতাই।আবেলি ৩ বজাত গো-ধনৰ সৌন্দৰ্য প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে এইমছ গুৱাহাটীস্থিত মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপক ভূপেন বৰ্মনে। উদ্বোধনী ভাষণত বৰ্মনে কয় যে গো-মাতাক পূজা-অৰ্চনা কৰিলেহে আমাৰ স্বাস্থ্যৰ লগতে ঘৰৰ ধন ভঁড়াল ভৰি থাকিব। আজিৰ দিনত মধুমেহ ৰোগ দিনক দিনে বৃদ্ধি হোৱাৰ ফলত আমাৰ দেহ-মনত আনন্দ, হাঁহি-স্ফূৰ্তি হ্ৰাস পাই আহিছে। সেয়েহে গৰু বিহুৰ দিনা প্ৰতিজন কৃষক আৰু উপস্থিত ৰাইজক নিজৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায়। এই গো-ধনবিলাক গৰখীয়াৰ লগত প্ৰতিযোগী হিচাপে খেলপথাৰত দেখিবলৈ পাই পৰম আনন্দ লাভ কৰা বুলি তেওঁ কয়। এই গো-ধনৰ সৌন্দৰ্য প্ৰতিযোগিতাখনত মুঠ তেৰটা গো-ধনৰ লগতে গৰখীয়াসকলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ শেষত প্ৰথম পুৰস্কাৰ লাভ কৰে পাকা গাঁৱৰ ৰত্নেশ্বৰ কলিতা, দ্বিতীয় ৰজত কলিতা, তৃতীয় অক্ষয় বৈশ্য আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে চুমি ৰাজবংশীয়ে। বিচাৰক হিচাপে উপস্থিত থাকে কুমুদ ভট্টাচাৰ্য, বিনোদ ডেকা, ডাঃ বিচিত্ৰ হালৈ, অলকা বুজৰবৰুৱা। এই গো-ধনৰ সৌন্দৰ্য প্ৰতিযোগিতাখনিয়ে ইতিমধ্যে সামাজিক মাধ্যমত অসমৰ ভিতৰতে সৰ্ববৃহৎ প্ৰতিযোগিতা বুলি চৰ্চা লাভ কৰিছে। এই সৌন্দৰ্য প্ৰতিযোগিতা চাবলৈ টিহু মহাবিদ্যালয়ৰ খেলপথাৰত গাঁৱৰ চহা কৃষকৰ লগতে বিভিন্ন প্ৰান্তৰ লোকক অংশগ্ৰহণ কৰা দেখিবলৈ পোৱা যায়।

## সাংস্কৃতিক কৰ্মী ৰুণু বায়নৰ মৃত্যুত শোক

**ই-সংবাদ, ওদালগুৰি, ১৮ এপ্ৰিলঃ** ওদালগুৰিৰ সত্ৰীয়া সংস্কৃতিৰ সাধক তথা এগৰাকী নৃত্য পটীয়সী হিচাপে জনপ্ৰিয় সাংস্কৃতিক কৰ্মী ৰুণু বায়ন (৪৬) ৰ ১৫ এপ্ৰিলৰ পুৱা ৬ বজাত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। ওদালগুৰিত ২০০০ চনত প্ৰথম সত্ৰীয়া সংগীত বিদ্যালয় স্থাপন কৰি মহাপুৰুষজনাৰ সত্ৰীয়া নৃত্যৰ সাধনাত ব্ৰতী হৈ তেওঁ ওদালগুৰি-দৰং জিলাৰ বিভিন্ন প্ৰান্তত সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিছিল। সত্ৰীয়া নৃত্যক অধিক জনপ্ৰিয় কৰিবলৈ তেওঁ ভোজপুৰী, বড়ো, নেপালী জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক প্ৰশিক্ষণ দি জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। থিয়নামৰ এগৰাকী পাঠকনী হিচাপে আকাশবাণী গুৱাহাটী কেন্দ্ৰ আৰু দূৰদৰ্শন কেন্দ্ৰত থিয়নাম পৰিৱেশন কৰিছিল। সত্ৰীয়াত বিশাৰদ লাভ কৰা ওদালগুৰি জিলাৰ প্ৰথমগৰাকী শিল্পীৰ উপৰি কথক নৃত্যত বিশাৰদ ডিগ্ৰী লাভ কৰে। ২০০৫ চনত কলকাতাত নৃত্য পটীয়সীৰ বঁটা লাভ কৰা শিল্পী ৰুণু বায়নে ওড়িশা, মধ্যপ্ৰদেশৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যত সত্ৰীয়া নৃত্যানুষ্ঠানত অংশগ্ৰহণ কৰি সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, ওদালগুৰিৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান কাঁচিয়লী সুৰ সংগমৰ সৈতে জড়িত হৈ লোকনৃত্য, বাগৰুম্বা, ৰাভা নৃত্য, হোলীগীত আৰু মহিলাৰ থিয়নামৰ প্ৰশিক্ষণ দিছিল। ওদালগুৰি সত্ৰীয়া সংগীত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী তথা কলা-সংস্কৃতিৰ নীৰৱ সাধক ৰুণু বায়নৰ মৃত্যুত ওদালগুৰিৰ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি হ'ল। তেওঁৰ মৃত্যুত ওদালগুৰিৰ বিভিন্ন দল-সংগঠনে বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।


## মানাহ ৰাষ্ট্ৰীয় উদ্যানত এইবাৰ হাতীৰ উগ্ৰমূৰ্তি



**ই-সংবাদ, বৰপেটাৰোড, ১৮ এপ্ৰিলঃ** প্ৰকৃতিৰ ৰম্যভূমি মানাহ ৰাষ্ট্ৰীয় উদ্যানত যিদৰে জীৱ-জন্তুৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে, তেনেদৰে জীৱ-জন্তুৰ আক্ৰমণত আহত তথা নিহত হৈছে বহুজন লোক। কেতিয়াবা বনৰীয়া ম'হৰ আক্ৰমণ, কেতিয়াবা হাতীৰ আক্ৰমণ, কেতিয়াবা বাঘৰ আক্ৰমণ আৰু কেতিয়াবা গঁড়ৰ আক্ৰমণৰ বলি হৈছে মানুহ। আনহাতে, প্ৰকৃতিৰ ৰম্যভূমি মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ ভ্ৰমণ কৰিবলৈ অহা পৰ্যটকৰ গাড়ীলৈ বিভিন্ন সময়ত গঁড়ে আক্ৰমণ কৰাও দেখা গৈছিল। আজি পুনৰ তেনে এক ঘটনা সংঘটিত হয় মানাহ ৰাষ্ট্ৰীয় উদ্যানত। কিন্তু এইবাৰ গঁড়ৰ আক্ৰমণ নহয়, এইবাৰ প্ৰকাণ্ড হাতী এটাই পৰ্যটকৰ গাড়ীলৈ চোঁচা লয়। মানাহ ৰাষ্ট্ৰীয় উদ্যানত হাতী এটাই উগ্ৰমূৰ্তি ধাৰণ কৰি পৰ্যটকৰ বাহনলৈ চোঁচা লয় যদিও চালকৰ আপ্ৰাণ চেষ্টাৰ ফলত প্ৰাণৰক্ষা পৰে পৰ্যটকৰ দলটোৰ। ৰাষ্ট্ৰীয় উদ্যানখনত সঘনাই সংঘটিত হৈছে বনৰীয়া জীৱ-জন্তুৰ আক্ৰমনৰ ঘটনা। আজি পুনৰ বাঁহবাৰী বনাঞ্চলত সংঘটিত হয় এই শিহৰণকাৰী ঘটনা। এই ভয়ংকৰ আক্ৰমণৰ পৰা কোনোমতে প্ৰাণ ৰক্ষা পৰে পৰ্যটকৰ দলটোৰ।

## চামগুৰিৰ হ'লি চাইল্ডৰ গৌৰাংগ ৰবীন কাশ্যপে লাভ কৰিলে ডিষ্টিংচনসহ প্ৰথম স্থান

**ই-সংবাদ, পুৰণিগুদাম, ১৮ এপ্ৰিলঃ** নগাঁও জিলাৰ চামগুৰিৰ হ'লি চাইল্ড ইংলিছ স্কুলৰ ছাত্ৰ গৌৰাংগ ৰবীন কাশ্যপে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ৮৬.২ শতাংশ নম্বৰ প্ৰাপ্তিৰে ডিষ্টিংচনসহ প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। মেধাৱী ছাত্ৰগৰাকীয়ে ইংৰাজীত ৮৭, অসমীয়াত ৯১, বিজ্ঞানত ৮৬, সমাজ অধ্যয়নত ৮০, সাধাৰণ গণিতত ৮৬ আৰু ভূগোল বিষয়ত ৮১ নম্বৰ পাবলৈ সক্ষম হয়। ছাত্ৰগৰাকীৰ উত্তীৰ্ণৰ হাৰ ৮৬.২ শতাংশ হোৱাত চামগুৰিৰ হ'লি চাইল্ড ইংলিছ স্কুলৰ শিক্ষক সমন্বিতে ছাত্ৰ-ছাত্ৰীৰ লগতে ছাত্ৰগৰাকীৰ এই সফলতাই উৎফুল্লিত কৰিছে চামগুৰিবাসী ৰাইজক। মেধাৱী ছাত্ৰগৰাকী চামগুৰি ভেলেউগুৰি গাঁও নিবাসী



ৰবীন্দ্ৰনাথ শৰ্মা আৰু মণিকা দেৱীৰ একমাত্ৰ পুত্ৰ। হ'লি চাইল্ড ইংলিছ স্কুলখনৰ পৰা মুঠ ২১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ২১ গৰাকী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰে ১৩ গৰাকী প্ৰথম বিভাগত আৰু ৮ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়।

# ছিপাঝাৰত চুৰি শপতনামা সন্দৰ্ভত অভিযুক্ত বিষয়াইহে ল'লে শুনানি

**ই-সংবাদ, দুনী, ১৮ এপ্ৰিলঃ** ছিপাঝাৰত চুৰি শপতনামা সন্দৰ্ভত অভিযুক্ত বিষয়াইহে বঞ্চিতৰ শুনানি লোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰদৌলগুৰি গাঁও পঞ্চায়তৰ ১নং চোটো আঠিয়াবাৰী খণ্ডৰ ৩ গৰাকী পঞ্চায়ত সদস্যৰ মনোনয়নৰ পৰা শপতনামা চুৰি সন্দৰ্ভত বৃহস্পতিবাৰে ছিপাঝাৰ উন্নয়ন খণ্ডত শুনানি গ্ৰহণ কৰা হয়। উল্লেখ্য যে, বৰদৌলগুৰি গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে মিনু ডেকা, মামণি বেগম আৰু অচ্যুৎ শৰ্মাই দাখিল কৰা মনোনয়নৰ পৰা শপতনামা চুৰি হৈছিল। ইতিমধ্যে, মিনু ডেকা আৰু অচ্যুৎ শৰ্মাই বিষয়টোক লৈ ছিপাঝাৰ থানাত মনোনয়ন গ্ৰহণকাৰী বিষয়া প্ৰিয়ংকা শইকীয়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাই নহয়, জিলা ৰিটাৰ্নিং বিষয়া, বিজেপিৰ ৰাজ্যিক সভাপতি আৰু নিৰ্বাচন পৰ্যবেক্ষকক সাক্ষাৎ কৰি বিষয়টোঅৱগত কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে, অভিযুক্ত বিষয়া প্ৰিয়ংকা শইকীয়াই আজি মিনু ডেকা আৰু অচ্যুৎ শৰ্মাৰ শুনানি গ্ৰহণ কৰে। এই কাণ্ডত দুইগৰাকী বঞ্চিত প্ৰাৰ্থী ইমানেই ক্ষোভিত হৈ পৰে যে, অভিযুক্ত বিষয়াই প্ৰস্তুত কৰা টোকাত চহী কৰিবলৈ অসন্মত হয়। বিশেষকৈ, এই টোকা আকৌ অভিযুক্তই কিদৰে আত্মপক্ষ সমৰ্থন কৰি জালিয়াতি কৰে, তাৰ ভয়তে চহী নকৰো বুলি স্পষ্টভাৱে উল্লেখ কৰে। অৱশ্যে, মামণি বেগমে বিষয়টোৰ পৰা আঁতৰি থাকে আৰু ন্যায়ৰ সন্ধান কৰাৰ পূৰ্বেই এক প্ৰকাৰ আত্মসমৰ্পণ কৰা পৰিলক্ষিত হয়। মিনু আৰু অচ্যুতে নিৰপেক্ষ তদন্ত দাবী কৰি ইতিমধ্যে, বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী ঘোষণা কৰা অৰুণিমা ডেকা কোঁৱৰৰ ফলাফল ঘোষণা ৰদ কৰাৰ আবেদন জনায়। ছিপাঝাৰ গণেশকুঁৱৰী পঞ্চায়তৰ সদস্য পদৰ প্ৰত্যাশী মানৰ দাসৰো একেই দশা হয় আৰু মনোনয়নৰ পৰা শপতনাম চুৰিৰ অভিযোগ দাখিল কৰে যদিও আজি শুনানি লোৱা পৰিলক্ষিত নহ'ল। স্বাভাৱিকতে, ন্যায় নাপালে আদালতৰ কাষ চাপি নিৰ্বাচনকে ৰদ কৰাৰ গুণাগঁথা চলিছে দুই বঞ্চিত প্ৰাৰ্থীৰ সমৰ্থকসকলৰ মাজত। কিন্তু গুৰুতৰ বিষয়টোলৈ দৰং জিলাৰ নিৰ্বাচনী ৰিটাৰ্নিং বিষয়াই এই পৰ্যন্ত বিষয়টো সন্দৰ্ভত মৌনতা অৱলম্বন কৰাত ৰহস্যৰ সৃষ্টি হৈছে।

# ওদালগুৰিত সন্মিলিত যুৱ সমাজৰ বিহুৰ শুভাৰম্ভ

**ই-সংবাদ, ওদালগুৰি, ১৮ এপ্ৰিলঃ** বিগত বৰ্ষবোৰৰ দৰে এইবেলিও দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজিৰে পৰা ওদালগুৰি সন্মিলিত যুৱ সমাজৰ উদ্যোগত চতুৰ্থ বাৰ্ষিক সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ ২০২৫ ৰ শুভাৰম্ভ কৰা হয়। আজি প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিহু পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি হেমচন্দ্ৰ ৰাভাই। ১০.১৫ বজাত স্মৃতি তৰ্পণ মুকলি কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি বনমালী দাসে। ইয়াৰ পাছত পতাকাস্থলীত উপস্থিত শতাধিক লোকৰ মাজত লাৰু-পিঠা বিতৰণ কৰা হয়। দিনৰ ১১ বজাত জেং বিহু প্ৰদৰ্শনেৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ সামৰণি পৰে। আনহাতে, দ্বিতীয় দিনৰ কাৰ্যসূচী অহা ৩ মে'ত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি বিয়লি তিনি বজাত অনুষ্ঠিত হ'বলগীয়া জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহখনি উদ্বোধন কৰিব মাজবাট সমষ্টিৰ বিধায়ক চৰণ বড়োৱে, আবেলি ৪ বজাত আৰম্ভ হ'বলগীয়া সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতাত বন্তি প্ৰজ্বলন কৰিব বিটিচিৰ উপমুখ্য কাৰ্যবাহী সদস্য তথা বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে। প্ৰয়াত হনুমান প্ৰসাদ বাজাজ সোঁৱৰণী বিহুতলী উদ্বোধন কৰিব বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতাত অসমৰ উজনিৰ পৰা নামনিলৈ বহুতো বিহুদলে অংশগ্ৰহণ কৰিব। মুকলি বিহুৰ পুৰস্কাৰসমূহ ক্ৰমে প্ৰথম শ্ৰেষ্ঠ দললৈ নগদ ৫০ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ দললৈ নগদ ৩০ হাজাৰ টকা, তৃতীয় শ্ৰেষ্ঠ দললৈ নগদ ২০ হাজাৰ টকা। প্ৰথম শ্ৰেষ্ঠ বিহুৱতী নগদ ১০ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ বিহুৱতী নগদ ৬হাজাৰ টকা, শ্ৰেষ্ঠ ঢুলীয়া নগদ ৫ হাজাৰ টকা, শ্ৰেষ্ঠ পেঁপাবাদক নগদ ৫ হাজাৰ টকা, শ্ৰেষ্ঠ বিহুৱা নগদ ৫ হাজাৰ টকা আৰু শ্ৰেষ্ঠ গগণাবাদকক নগদ ৩ হাজাৰ ৫ শ টকা প্ৰদান কৰা হ'ব। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া, আমন্ত্ৰিত অতিথিহিচাপে উপস্থিত থাকিব কাৰ্যবাহী সদস্য নিলোৎ স্বৰ্গীয়াৰী, পাৰিষদ ফ্ৰেছ মোছাহাৰী, জিলাআয়ুক্ত পুলক পাটগিৰি, জিলা আৰক্ষী অধীক্ষক পুস্কিন জৈন, এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়ো, পৌৰপতি ৰাকেশ বড়ো, প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰী, ধনশ্ৰী টিএলচিচৰ অধ্যক্ষ ৰুজুগ্ৰা মোছাহাৰী, ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ডেভিদচন দৈমাৰী, আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য দ্বীপজ্যোতি নাথ, ওদালগুৰি জিলা অজাযুছা পৰিষদৰ সাধাৰণ সম্পাদক পংকজ চহৰীয়া, সমাজ সেৱক অশোক বাজাজ, মিনন মোছাহাৰী, ওদালগুৰি লোকনিৰ্মাণ বিভাগ(পথ) অভিযন্তা দিগন্ত গগৈ। নিশা ৮ বজাত পেঁপাবাদনৰ চমকেৰে বৰ্হমথুৰী বিহু দলৰ অনুষ্ঠানৰ লগতে মূল আকৰ্ষণ হ'ব অসমৰ জনপ্ৰিয় সাংস্কৃতিক দল তেজপুৰীয়া থেছপিয়ান। উক্ত কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰাৰ লগতে ৮৮২২০৬৮৮২২, ৯৯৫৪৯৩৮৮৪৩ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে বিহু উদযাপন সমিতিয়ে।

# কালাকুছি বেলতলত দুষ্কৃতিকাৰীয়ে নষ্ট কৰিলে মন্দিৰৰ গেট আৰু পোষ্টাৰ

**ই-সংবাদ, তামুলপুৰ, ১৮ এপ্ৰিলঃ** তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত কালাকুছি বেলতল চুবুৰীত ধৰ্মীয় শিৱ মন্দিৰৰ গেট আৰু পোষ্টাৰ ফালি নষ্ট কৰাক লৈ জাঙুৰ খাই উঠিছে গাঁওবাসী। কোনো দুষ্কৃতিকাৰীয়ে যোৱা নিশা শিৱ মন্দিৰৰ গেট আৰু পোষ্টাৰ ফালি পেলোৱাৰ বাবে আজি তামুলপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে গাঁওবাসীয়ে। গাঁওখনৰ দুই শতাধিক লোকে স্বাক্ষৰ কৰি দুষ্কৃতিকাৰীৰ বিৰুদ্ধে আজি তামুলপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। কালাকুছি বেলতলা চুবুৰীৰ দাবী অতিশীঘ্ৰে দুষ্কৃতিকাৰীক আটক কৰি উচিত শাস্তি প্ৰদান কৰক তামুলপুৰ আৰক্ষীয়ে। উল্লেখ্য যে কালাকুছি বেলতল চুবুৰীত ২০ ফুট উচ্চতাৰ মহা শিৱ শিংগ নিৰ্মাণৰ বাবে গাঁওবাসীয়ে প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিৰ্মাণ কৰিছিল গেটখন। ইপিনে, গেট আৰু পোষ্টাৰ নষ্ট কৰা দুষ্কৃতিকাৰীৰ বিনাশ হোৱাৰ বাবে কলাকুছি বেলতল চুবুৰীবাসীয়ে সন্ধিয়া তিনি হাজাৰ বন্তি প্ৰজ্বলন কৰে। যুৱ নেতা জ্যোতিপ্ৰসাদ দাসে কয় যে চুবুৰীৰ প্ৰত্যেকগৰাকী লোকৰে ধৰ্মীয় অনুভূতিত আঘাত কৰিছে। আমাৰ আৱেগ, অনুভূতি আৰু ধৰ্মীয় চেনতাত আঘাত কৰিছে দুষ্কৃতিকাৰীয়ে।

# বৰমাত গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ ১৬৬সংখ্যক জন্মদিন পালন

**ই-সংবাদ, বৰমা, ১৮ এপ্ৰিলঃ** বাক্সাৰ বৰমাত আজি বড়োসকলৰ অন্যতম ধৰ্মীয় গুৰু গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আজি ১৬৬ সংখ্যক জন্মদিৱস পালন কৰে। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্টৰ উদ্যোগত বৰমা মহাবিদ্যালয় চৌহদত উদযাপন কৰা হৈছে জন্মদিৱস। গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ ১৬৬ সংখ্যক জন্মদিন উপলক্ষে প্ৰদান কৰা হৈছে সপ্তম গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটা ২০২৫। উৰিষ্যাৰ প্ৰফেচৰ অচ্যুতা সামান্তক প্ৰদান কৰা হৈছে এই বঁটা। উৰিষ্যাৰ KIIT &KISS ৰ প্ৰতিষ্ঠাপক আৰু মেণ্টৰ প্ৰফেচৰ অচ্যুতা সামান্ত। অচ্যুতা সামান্তাক বঁটাত নগদ এক লাখ টকাৰ লগতে মানপত্ৰ, কালিচৰণ ব্ৰহ্মৰ প্ৰতিমূৰ্তি আদি প্ৰদান কৰা হয়। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটা লাভ কৰি আনন্দিত হৈছে প্ৰফেচৰ অচ্যুতা সামান্ত। এই বঁটাই পুনৰ সমাজৰ উন্নয়নৰ হকে কাম কৰি যাবলৈ উৎসাহিত কৰা বুলি মন্তব্য কৰে প্ৰফেচৰ অচ্যুতা সামান্তই। বঁটা প্ৰদান উপলক্ষে অনুষ্ঠিত সভাত ট্ৰাষ্টৰ সভাপতি ডঃ অজিত বড়ো, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, এব্ছুৰ সভাপতি দ্বিপেন বড়ো, বড়ো সাহিত্য সভাৰ উপ-সভাপতি সীতাৰাম বসুমতাৰী বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়ো বিটিআৰ পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো মুচলপুৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ ৰাকেশ ব্ৰহ্মকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কুৰুৱাবাহী সত্ৰত দ্বাদশ বাৰ্ষিক ভাগৱত পাঠ আৰু ব্যাখ্যা মহোৎসৱৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ১৮ এপ্ৰিলঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতি কাষৰীয়া কুৰুৱাবাহী সত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ কীৰ্তনঘৰ প্ৰাংগণত অহা ২৫ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ সদৌ কুৰুৱাবাহী সত্ৰৰ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত দ্বাদশ বাৰ্ষিক ভাগৱত পাঠ আৰু ব্যাখ্যা মহোৎসৱৰ আয়োজন কৰা হৈছে। তদনুযায়ী ধীৰেণ শইকীয়াক সভাপতি, উমা কাকতিক কাৰ্যকৰী সভাপতি, সোনাৰাম মেধি, শৰৎ বৰা আৰু মনেশ্বৰ বৰাক উপ সভাপতি, মিণ্টু বৰা, মৃদুপৱন বৰা আৰু কমলমনি
বৰাক সম্পাদক তথা অতুল ডেকাক সহকাৰী সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি ২৫ এপ্ৰিলত পুৱা ৬ বজাত জলময়গাঁৱৰ বিষ্ণু বৰদলৈৰ পৰিচালনাত ঊষা কীৰ্তন, ৮ বজাত উদযাপন সমিতিৰ সভাপতি ধীৰেণ শইকীয়াৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন, ৯ বজাত চকলাঘাটৰ লক্ষী বৰাৰ পৰিচালনাত নাম প্ৰসংগ, ১০ বজাত থানেশ্বৰ বৰাৰ দ্বাৰা অক্ষয় বন্তি প্ৰজ্বলন আৰু ১০.৩০ বজাত বকুল চন্দ্ৰ বৰাই ভাগৱত পাঠৰ শুভ উদ্বোধন কৰাৰ পিছতেই ভাগৱত পাঠ আৰু ব্যাখ্যাৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত পাঠক হিচাপে জামুগুৰিৰ বকুল ডেকা আৰু জলময়গাঁৱৰ দেৱেন বৰাই ভা
গ লোৱাৰ বিপৰীতে ব্যাখ্যাকাৰ হিচাপে চাপৰমুখৰ পংকজ তামুলী আৰু বাৰপূজীয়াৰ শনিৰাম দাস উপস্থিত থাকিব। সন্ধিয়া ৬ বজাত আইসকলৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হ'ব। ঠিক সেইদৰে ২৬ এপ্ৰিলত অবিৰতভাৱে চলি থাকিবলগীয়া ভাগৱত পাঠ আৰু ব্যাখ্যাত পাঠক হিচাপে বিষ্ণু বৰদলৈ আৰু ৰত্নেশ্বৰ কোঁৱৰ তথা ব্যাখ্যাকাৰ হিচাপে দলংঘাটৰ কৃষ্ণকান্ত ভাগৱতী আৰু মৰিগাঁৱৰ ভোলাৰাম বৰাই অংশগ্ৰহণ কৰিব। ইফালে, ২৭ এপ্ৰিলৰ অন্তিম দিনা পুৱা ১০ বজাত ভাগৱত পাঠৰ সামৰণি, ১১ বজাত কুজাৰবড়িৰ অমূল্য বৰুৱাৰ পৰিচালনাত নাম-প্ৰসংগ আৰু বিয়লি ৫.৩০ ধৰ্মধ্বজা অৱতৰণৰ লগতে নিশা যুৱতীসকলৰ দ্বাৰা 'হৰিচন্দ্ৰ' পালা ভাওনা প্ৰদৰ্শনৰ দ্বাৰা তিনিদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰিব বুলি ভাগৱত পৰিচালনা উপ-সমিতিৰ সভাপতি ললিত চন্দ্ৰ বৰা আৰু সম্পাদক ৰজনী বৰাই জানিবলৈ দিছে।

# বৰ জামুগুৰি ৰঙালী বিহুৰ সোণালী জয়ন্তী

**ই-সংবাদ, বেবেজীয়া, ১৮ এপ্ৰিলঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ বৰ জামুগুৰি ৰঙালী বিহু উৎসৱটিয়ে এইবেলি সগৌৰৱে পঞ্চাশটি বৰ্ষত পদাৰ্পণ কৰিছে। সেয়ে এইবেলি সোণালী জয়ন্তী বৰ্ষ হিচাপে এই বিহু উৎসৱটি দুটা পৰ্যায়ত আড়ম্বৰপূৰ্ণভাৱে বৰ্ণিল কাৰ্যক্ৰমণিকাৰে উদযাপন কৰা হৈছে। সেই অনুসৰি জামুগুৰি চাৰিআলি বজাৰ প্ৰাংগণত আয়োজিত এই বিহু উৎসৱটিৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীসমূহ যোৱা ১৪ এপ্ৰিলৰ পৰা চাৰিদিনীয়াকৈ সফলতাৰে সম্পন্ন কৰা হয়। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা স্বচ্ছ অভিযান আৰু পৰিবেশ নিকাকৰণৰ লগতে বিয়লি বিহু আদৰণি জনোৱা হয়। দ্বিতীয় দিনা পুৱা উদযাপন সমিতিৰ সভাপতি ৰিংকু মোহন নাথৰ লগতে অঞ্চলৰ আন বিশিষ্ট নাগৰিকৰ দ্বাৰা ৫০ খন পতাকা উত্তোলন আৰু অৱসৰী শিক্ষক ঘন বৰুৱাৰ দ্বাৰা শ্বহীদ তৰ্পণৰ অন্তত এটি বৰ্ণিল সাংস্কৃতিক শুভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাটি উদ্বোধন কৰে সমাজকৰ্মী মণ্টু বৰাই। বিয়লি পৰম্পৰাগত বিভিন্ন থলুৱা খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তৃতীয় দিনা বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা আৰু চতুৰ্থ দিনা মাৰাথান দৌৰ আৰু বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ অন্তত বিয়লি ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইফালে, উক্ত বিহু সোণালী জয়ন্তী উৎসৱৰ অন্তিম পৰ্যায়ৰ কাৰ্যসূচীসমূহ অহা ২৬ আৰু ২৭ এপ্ৰিলত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তা সমিতিৰ হৈ ৰিংকু ডেকা আৰু বিষ্ণুজ্যোতি নাথে জানিবলৈ দিছে। সেই অনুসৰি প্ৰথম দিনা পুৱা বিহু মঞ্চ ৰূপসজ্জা, বিয়লি প্ৰথম পৰ্যায়ত হৈ যোৱা খেল-ধেমালিৰ বঁটা বিতৰণী সভা, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু বিহু মঞ্চ উদ্বোধনৰ পিছতে নিমন্ত্ৰিত শিল্পীৰ দ্বাৰা বিহুনৃত্য প্ৰদৰ্শন কৰা হ'ব। নিশালৈ মৰিগাঁৱৰ অৰুণোদয় তিৱা সাংস্কৃতিক দলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে সদৌ অসম ভিত্তিত বৰ বিহুৱতী আৰু সৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ঠিক



সেইদৰে দ্বিতীয় দিনা পুৱা স্বচ্ছ অভিযান, সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উত্তৰ পেটবহা শিশু সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা শুভাৰম্ভ হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী দিক্ষীতা ৰাজগুৰুৰ সংগীতানুষ্ঠানৰ লগতে চিচিংফাঁক কৌতুক গোষ্ঠীয়ে হাস্যমধুৰ অনুষ্ঠান পৰিৱেশন কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# কামৰূপ জিলাত পঞ্চায়তৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৮ এপ্ৰিলঃ** আগন্তুক পঞ্চায়তৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি কামৰূপ জিলাৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু গাঁও পঞ্চায়ত সদস্যৰ বাবে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হয়। উল্লেখ্য যে কালি পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন আছিল। কামৰূপ জিলাৰ অন্তৰ্গত মুঠ ২০ টা জিলা পৰিষদ সমষ্টিৰ বিপৰীতে মুঠ ৪৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষিত হৈছিল। কালি প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তত কেৱল এগৰাকীকৈ প্ৰাৰ্থী থকা ৬ টা জিলা পৰিষদ সমষ্টিত প্ৰাৰ্থীকেইজন বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। উক্ত সমষ্টি কেইটা হ'ল ক্ৰমে- ১৩ নং ১ নং পঞ্চতীৰ্থ (ৰীতা তালুকদাৰ, বিজেপি), ৮ নং বেকেলি (দেৱজ্যোতি ৰাভা, বিজেপি), ২৪ নং শৰাইঘাট কেতেকীবাৰী (বিৰাজ কুমাৰ নাথ, বিজেপি), ২২ নং কমলপুৰ (প্ৰণিতা দাস, বিজেপি), ২৩ নং বেজেৰা-শিঙাৰপাৰা (কিৰণ চন্দ্ৰ কাকতি, বিজেপি), ১০ নং ছয়ানী ৰাণী (তগৰ দাস কলিতা, বিজেপি)। অন্যহাতে বাকী থকা ১৪ টা জিলা পৰিষদ সমষ্টিত মুঠ ৩৬ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইয়াৰে ৬ নং নগৰবেৰা ছমৰীয়া সত্ৰত ২ গৰাকীয়ে, ৫ নং বনগাঁৱত ৩ গৰাকীয়ে, ৭ নং বকোত ২ গৰাকীয়ে, ১৪ নং ২ নং পঞ্চতীৰ্থত ২ গৰাকীয়ে, ১ নং মাহতলীত ৩ গৰাকীয়ে, ৪ নং পূব ছমৰীয়াত ৪ গৰাকীয়ে, ৩ নং গৰৈমাৰীত ৩ গৰাকীয়ে, ২ নং সোণতলী টুপামাৰীত ৩ গৰাকীয়ে, ১৬ নং শুৱালকুছিত ৪ গৰাকীয়ে, ২১ নং বিহদিয়া জাজিকোণাত ২ গৰাকীয়ে, ১১ নং ৰামপুৰত ২ গৰাকীয়ে, ১২ নং ছয়গাঁও দক্ষিণ সৰু বংশৰত ২ গৰাকীয়ে, ৯ নং বৰদুৱাৰত ২ গৰাকীয়ে, ১৫ নং ৩ নং পঞ্চতীৰ্থত ২ গৰাকীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। অন্যহাতে, কামৰূপ নিৰ্বাচনী জিলাৰ ১১৪ টা গাঁও পঞ্চায়তৰ পৰা ১২ খন আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে ২৪৪ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ ঘোষিত হৈছিল। কালি প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তত ৪০ টা গাঁও পঞ্চায়ত সমষ্টিৰ পৰা আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে মুঠ ৪০ গৰাকী প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হয়। এই গাঁও পঞ্চায়ত সমষ্টি কেইটা ক্ৰমে- পশ্চিম বেকেলি (বিপুল ৰাভা, বিজেপি), পূব লুকি (অপ্সৰা ৰাভা, নিৰ্দলীয়), উত্তৰ বকো (ইৰা ৰাভা, বিজেপি), দক্ষিণ পশ্চিম লুকি (সুৰভী ৰাভা, নিৰ্দলীয়), দক্ষিণ পশ্চিম বকো (ৰুমা ৰাভা, অগপ), দক্ষিণ পূব লুকি (জিতুমনি ৰাভা, বিজেপি), দক্ষিণ বকো (জিতুল চন্দ্ৰ ৰাভা, নিৰ্দলীয়), হাতীপাৰা (ছমিৰন বেগম, আইএনচি), ৰামপুৰ (অনিমা দাস, অগপ), বেজাৰতাৰী পানীখাইতী (কবিতা সৰকাৰ মণ্ডল, বিজেপি), টিটকুছি (নবনীতা বৰুৱা দাস, বিজেপি), খেহেনিপাৰা (দিপ্তী ৰাজবংশী, বিজেপি), বেজেৰা (দ্বিপেন ডেকা, বিজেপি), শৰাইঘাট (নিৰঞ্জন বৰুৱা, বিজেপি), ধোপাটাৰী (পূৰবী কলিতা, বিজেপি), মান্দাকাটা (জেৰিনা বেগম, বিজেপি), ৰুদ্ৰেশ্বৰ (লক্ষ্যধৰ বড়ো, বিজেপি), সাতপখলী তেজপুৰ (চুমি শ্ৰী চৌধুৰী, বিজেপি), আমত'লা জীয়াকুৰ (মল্লিকা মেধি, বিজেপি), সাপৰটাৰী মাকেলী কটহী (পবিত্ৰ সাউদ, অগপ), ১ নং হাজো (ভাগ্যলতা বৈশ্য, বিজেপি), ২ নং হাজো (তিলমা মেধি, বিজেপি), ক্ষেত্ৰীহাৰদিয়া (ৰূপালী কলিতা, বিজেপি), শ্বহীদ নগেন ডেকা (ছাহানাৰা আখতাৰা, অগপ), বঙৰা (লীলাৱতী দাস, বিজেপি), বীৰোগাঁও (দিপালী ৰাভা, নিৰ্দলীয়), সতপুৰ (সঞ্জীমা ৰাভা, নিৰ্দলীয়), ৰজাপাৰা (দন্দিৰাম ৰাভা, নিৰ্দলীয়), উত্তৰ ভোলাগাঁও (ধৰিত্ৰী দাস, অগপ), আমৰংগা (কন্দৰ্প দাস, বিজেপি), লাচিতগড় (ৰতন বড়ো, বিজেপি), পশ্চিম শুৱালকুছি (মিতালী দাস, বিজেপি), দদৰা (নৱজিৎ বৈশ্য, বিজেপি), গন্ধমৌ (পিংকী মণি ৰাজবংশী, বিজেপি), বাইহাটা কমলপুৰ (জয়ন্তজিত ডেকা, বিজেপি), গোপেশ্বৰ (ৰাজশ্ৰী ডেকা, বিজেপি), বৰশিল (মৃণাল কুমাৰ ডেকা, বিজেপি), দক্ষিণ পান্টান (ৰূপৰেখা বড়ো, নিৰ্দলীয়), লোচ (ছবিতা পাটোৱাৰী, বিজেপি), বিহদিয়া (মনো তালুকদাৰ, বিজেপি)।

## কামৰূপ জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে তিনিগৰাকী নিৰ্বাচনী পৰ্যবেক্ষক নিয়োগ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৮ এপ্ৰিলঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক নিৰ্বাচন আয়োগে কামৰূপ জিলাৰ বাবে তিনিগৰাকী নিৰ্বাচনী পৰ্যবেক্ষক নিয়োগ কৰিছে। যোৱা ১১ এপ্ৰিলত কামৰূপ জিলাত উপস্থিত হোৱা নিৰ্বাচনী পৰ্যবেক্ষক তিনিগৰাকীৰ ভিতৰত অসম অসামৰিক সেৱাৰ বিষয়া পৰাগমণি মহন্তক (যোগাযোগৰ নম্বৰ-৯৪৩৫০-৬৪৪০০) নগৰবেৰা ছমৰীয়া সত্ৰ, বেজেৰা শিঙাৰপাৰা, শৰাইঘাট কেতেকীবাৰী, ছয়গাঁও দক্ষিণ সৰু বংশৰ, ছয়ানী ৰাণী, মাহতলী, বিহদিয়া-জাজিকোণা আৰু কমলপুৰ জিলা পৰিষদ সমষ্টিৰ অন্তৰ্গত এলেকা, অসম অসামৰিক সেৱাৰ বিষয়া চিন্ময় প্ৰকাশ ফুকনক (যোগাযোগৰ নম্বৰ-৭০০২৫-০৮৮৫১)ক বেকেলি, সোণতলী টুপামাৰী, বনগাঁও, গৰৈমাৰী, পূব ছমৰীয়া আৰু বৰদুৱাৰ জিলা পৰিষদ সমষ্টিৰ অন্তৰ্গত এলেকা আৰু আন এগৰাকী অসম অসামৰিক সেৱাৰ বিষয়া ৰণবীৰ বৰাক (যোগাযোগৰ নম্বৰ-৭০০২৬-৬০৪০০) ৰামপুৰ, শুৱালকুচি, ১ নং পঞ্চতীৰ্থ, ২ নং পঞ্চতীৰ্থ, ৩ নং পঞ্চতীৰ্থ আৰু বকো জিলা পৰিষদ সমষ্টিৰ অন্তৰ্গত এলেকাসমূহৰ দায়িত্ব প্ৰদান কৰা হৈছে। যিকোনো ব্যক্তি, প্ৰাৰ্থী বা ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে নিৰ্বাচনী পৰ্যবেক্ষককেইগৰাকীক তেওঁলোকৰ বাবে নিৰ্ধাৰিত জিলা পৰিষদ সমষ্টি অনুযায়ী পঞ্চায়ত নিৰ্বাচনৰ সৈতে জড়িত ওজৰ-আপত্তি থাকিলে উক্ত নম্বৰকেইটাত যোগাযোগ কৰিব পাৰিব। লগতে তেওঁলোকক কামৰূপ জিলাৰ লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলাতো সাক্ষাৎ কৰিব পাৰিব।

## গোৱালপাৰাৰ সুতাৰপাৰাত দহ চকীয়া বাহন দুৰ্ঘটনাগ্ৰস্ত

**ই-সংবাদ, শিমলীতোলা, ১৮ এপ্ৰিলঃ** আজি পুৱা গোৱালপাৰা জিলাৰ মাটিয়া থানাৰ অন্তৰ্গত সুতাৰপাৰা গাৰোমাৰীত সংঘটিত হয় এক পথ দুৰ্ঘটনা। জানিব পৰা মতে, নৱাগত শিমলিতোলাৰ পৰা গোৱালপাৰা অভিমুখে গৈ থকাত অৱস্থাত গাৰোমাৰী পকী পথৰ পৰা দ' খাৱৈত বাগৰি পৰে PB-05 AR-8891 নম্বৰৰ ১০ চকীয়া বাহনখন। এই দুৰ্ঘটনাত কোনো লোকৰ ক্ষয়-ক্ষতি হোৱা নাই। বাহনখন পথৰ পৰা বাগৰি পৰাত দুটা চকা খুলি পৰে। দুৰ্ঘটনাগ্ৰস্ত গাড়ীখনত কোনো সামগ্ৰী নাছিল। দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতে স্থানীয় ৰাইজে ঘটনাস্থলীত ভিৰ কৰে। দুৰ্ঘটনাগ্ৰস্ত গাড়ীখন পাঞ্জাবৰ বুলি জানিব পৰা গৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# আমেৰিকাৰ ‘দ্য ইউএছএ লিটাৰেচাৰ ৰিভিউ’ত গুণ মৰাণৰ এশৰীয়া কবিতা প্ৰকাশ

**ই-সংবাদ, গেলেকী, ১৮ এপ্ৰিলঃ** ৰঙালী বিহুৰ আনন্দ-উলাহৰ মাজতে অসমীয়া সাহিত্যলৈ এক সুখবৰ কঢ়িয়াই আনিছে অসমৰ প্ৰতিভাশালী যুৱ কবি, গেলেকী প্ৰেছ ক্লাবৰ উপ-সভাপতি গুণ মৰাণে। অসমৰ বিশিষ্ট অনুবাদক নীৰেন্দ্ৰনাথ ঠাকুৰীয়াই ইংৰাজীলৈ অনুবাদ কৰা কবি গুণ মৰাণৰ কেইটামান জনপ্ৰিয় এশাৰীৰ কবিতা আমেৰিকা সম্ভ্ৰান্ত বাতৰি কাকত The USA Literature Reviewত প্ৰকাশ পাইছে। স্মৰ্তব্য যে এশৰীয়া কবিতা বিশ্বত প্ৰথম ৰাছিয়াত প্ৰকাশ পাইছিল। কবি গুণ মৰাণে অসমীয়া সাহিত্যত ধাৰাবাহিকভাৱে এশাৰী কবিতা চৰ্চা কৰি আহিছে। অসমীয়া সাহিত্যত প্ৰতিটো এশৰীয়া কবিতাক একোটাকৈ শিৰোনাম দি অভিনৱভাৱে এশৰীয়া কবিতা ৰচনা কৰা তেওঁৱেই প্ৰথম অসমীয়া কবি। উল্লেখ্য যে কবি গুণ মৰাণৰ কবিতা অসমৰ প্ৰায়বোৰ আলোচনী, বাতৰি কাকতত প্ৰকাশ পোৱা উপৰি ভাৰতৰ প্ৰভাৱশালী আলোচনী Indian Literature, Outlook India, Muse India, Indian Poetry Review, Indian Review, Indian Periodical, Poetry India আদিত প্ৰকাশ পোৱা লগতে পৃথিৱীৰ বিভিন্ন দেশৰ পৰা প্ৰকাশিত ৩৫০ খনতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আলোচনীত প্ৰকাশ পাইছে আৰু কবি মৰাণৰ কবিতা ৩৩ টাতকৈ অধিক বিদেশী ভাষালৈ ইতিমধ্যে অনুবাদ হৈছে। কবি গুণ মৰাণৰ এনে কৃতিত্বত অসমৰ সাহিত্যনুৰাগী সমাজ আনন্দিত হৈছে।

# খোৰাঘাটত অচিনাক্ত মহিলাৰ মৃতদেহ

**ই-সংবাদ, পৰ্বতঝোৰা, ১৮ এপ্ৰিলঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বগৰীবাৰী মা মহামায়া মন্দিৰৰ বিপৰীত দিশত টিপকাইৰ পথৰ কাষৰ খোৰাঘাট যৌথ বন পৰিচালনা সমিতিৰ অৰণ্যত ৩৫ বছৰীয়া এগৰাকী অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। প্ৰতিদিনৰ দৰে যোৱা মঙলবাৰে খোৰাঘাট জয়পুৰ খামাৰ গাঁৰৰ গৰখীয়াই গৰু চৰাবলৈ খোৰাঘাট যৌথ বন পৰিচালনা সমিতিৰ অৰণ্যলৈ যায়। গৰু চৰাই ঘৰলৈ উভতি অহাৰ সময়ত মহিলাৰ মৃতদেহটো টিপকাই লৈ যোৱা পথৰ কাষৰ অৰণ্যত গৰখীয়াই প্ৰত্যক্ষ কৰে। পিছত এই সংক্ৰান্তত খোৰাঘাট জয়পুৰ খামাৰ গাঁৰৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদকক খবৰ দিয়ে। খবৰ পাই গাঁওৰক্ষী বাহিনীৰ সম্পাদক ঘটনাস্থলীত উপস্থিত হৈ বগৰীবাৰী আৰক্ষীৰ সহযোগত মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি থানালৈ আনে। পিছদিনা মহিলাগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বাতৰি লিখা পৰলৈকে অচিনাক্ত মহিলাগৰাকীৰ পৰিচয় উদ্ধাৰ হোৱা নাই বুলি আৰক্ষীয়ে জনাইছে।

# গন্ধমৌ শ্ৰীশ্ৰীবিষ্ণু মন্দিৰত বসন্ত উৎসৱৰ আয়োজন

**ই-সংবাদ, শুৱালকুছি, ১৮ এপ্ৰিলঃ** কামৰূপৰ গন্ধমৌ দাসচুপা শ্ৰী শ্ৰী বিষ্ণু মন্দিৰৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ১ ব'হাগৰ পৰা ১৪ ব'হাগলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ২২ সংখ্যক বসন্ত উৎসৱৰ আয়োজন কৰা হৈছে। ১ ব'হাগ, ১৫ এপ্ৰিলত পতাকা উত্তোলন, বিভিন্ন খেল-ধেমালি অনুষ্ঠিত কৰা হয়। বসন্ত উৎসৱ উপলক্ষে ৬ ব'হাগ তথা ২০ এপ্ৰিলত পুৱা সদৌ অসম ভিত্তিত মাৰাথন দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। মাৰথান দৌৰ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৭০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৬০০১ টকা, তৃতীয় পুৰস্কাৰ ৪০০১ টকা, চতুৰ্থ পুৰস্কাৰ ৩০০১ টকা, পঞ্চম পুৰস্কাৰ ২০০১ টকা, ষষ্ঠ পুৰস্কাৰ ১০০১ টকা, সপ্তম পুৰস্কাৰ ১০০১টকা, অষ্টম পুৰস্কাৰ ১০০১ টকা, নৱম পুৰস্কাৰ ১০০১ টকা, দশম পুৰস্কাৰ ১০০১ টকা। সেইদিনাই পুৱা ১০ বজাত ভেশচন প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। ভেশচন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ২০০১ টকা, দ্বিতীয় পুৰস্কাৰ ১৫০১ টকা, তৃতীয় পুৰস্কাৰ ১০০১ টকা, চতুৰ্থ পুৰস্কাৰ ৭০১ টকা, পঞ্চম পুৰস্কাৰ ৫০১ টকা। ১৩ ব'হাগ তথা ২৭ এপ্ৰিলত শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা ৬ বজাত গণেশ প্ৰভু স্নান, পুৱা ৮ বজাত পতাকা উত্তোলন, পুৱা ১০ বজাত ধৰ্মীয় শোভাযাত্ৰা কাৰ্যসূচী। সন্ধিয়া ৬ বজাত আধুনিক নৃত্য প্ৰতিযোগিতা। আধুনিক নৃত্য প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৫০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৪০০১ টকা, তৃতীয় পুৰস্কাৰ ৩০০১ টকা, চতুৰ্থ পুৰস্কাৰ ২৫০১ টকা, পঞ্চম পুৰস্কাৰ ২০০১ টকা। নিশা ৮ বজাত অনুষ্ঠিত কৰা হ'ব বিহু হুঁচৰি প্ৰতিযোগিতা। বিহু হুঁচৰি প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ২০,০০১ টকা আৰু দ্বিতীয় পুৰস্কাৰ ১৫,০০১ টকা। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগীসকলক ৭৮৯৬২২৪৪২৮, ৮৮৭৬১৭১৯৭৩ এই ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ উদযাপন সমিতিয়ে আহ্বান জনাইছে। আনহাতে, ১৪ ব'হাগ, ২৮ এপ্ৰিলত সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ দিব্যজ্যোতি গগৈ আৰু সৌৰভ হাজৰিকা আৰু ভাঙা টিভি খ্যাত কৌতুক গোষ্ঠীৰ কৌতুক অভিনয়। সকলো কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি হৰিচৰণ দাস আৰু সম্পাদক দিগম্বৰ দাসে।

# নিকিনিখোৰা উজনি নামঘৰত ভাগৱত পাঠৰ আয়োজন

**ই-সংবাদ বিশেষ, মাজুলী, ১৮ এপ্ৰিলঃ** বৈকুণ্ঠৰ কল্পতৰু শ্ৰীমদ্ভাগৱত শাস্ত্ৰভাগি, প্ৰভু ভগৱন্তৰ বাংময় মূৰ্তি। মাজুলীৰ নিকিনিখোৰা উজনি নামঘৰত মানৱৰ শ্ৰেষ্ঠ গুণৰাজিৰ বিকাশ ঘটাই শান্তি আৰু অহিংসাৰ পথ প্ৰশস্ত কৰি জনগণৰ মংগলাৰ্থে গুৰুজনাৰ আশীষ শিৰত লৈ নিকিনিখোৰা ৰাইজৰ উদ্যোগত আৰু অঞ্চলবাসীৰ সহযোগত অহা ২০ এপ্ৰিলৰ পৰা ২৪ এপ্ৰিললৈকে অবিৰত ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২০ এপ্ৰিলৰ পুৱা ঊষা কীৰ্তন, সামূহিক চাফাইৰ পিছত গছপুলি ৰোপণ কৰিব চামগুৰি সত্ৰ ৰাৱনাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক দুৰ্গেশ্বৰ শইকীয়াই। পুৱা বন্তি প্ৰজ্বলন কৰিব দ্বিজেন হাজৰিকাই। ধৰ্মধ্বজা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি চন্দ্ৰধৰ হাজৰিকাই। ভাগৱত শোভাযাত্ৰা পৰিচালনা কৰিব শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ ব্ৰজেন শইকীয়া হাতীমটাই। ভাগৱত প্ৰতিষ্ঠা কৰিব নতুন কমলাবাৰী সত্ৰৰ দিলীপ শৰ্মা বুঢ়াভকতে। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, উত্তৰ পূব পাৰ্বত্য বিশ্ববিদ্যালয় শ্বিলঙৰ ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক ড০ ঘনশ্যাম বেজ, বিশিষ্ট সমাজ সেৱক দীপক গোস্বামী উপস্থিত থাকিব। ভাগৱত উদ্বোধন কৰিব শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাদ্দন দেৱ গোস্বামীয়ে। সন্ধ্যাৰ পৰা প্ৰতিঘৰৰ পদূলিত আটাইকেইদিন বন্তি প্ৰজ্বলন। ২১, ২২ আৰু ২৩ এপ্ৰিলত ভাগৱত পাঠৰ ক্ৰমশঃ দিন ধাৰ্য কৰা হৈছে। ২৪ এপ্ৰিলৰ দিনা নিশা স্থানীয় শিশুসকলৰ দ্বাৰা 'ভাগৱত দৰ্শন' ভাওনা প্ৰদৰ্শন কৰা হ'ব। উক্ত ভাগৱত পাঠৰ আটাইকেইদিনৰ আধ্যাত্মিক অনুষ্ঠানভাগত ধৰ্মপ্ৰাণ ৰাইজৰ সম্পূৰ্ণ সহায়-সহযোগিতা উদযাপন সমিতিৰ হৈ সভাপতি চন্দ্ৰধৰ হাজৰিকা আৰু সম্পাদক চত্ৰধৰ বৰাই কামনা কৰিছে।

# তিতাবৰত আৰক্ষীৰ জালত আই পি এল জুৱাৰী, চাৰিজন আটক

**ই-সংবাদ, তিতাবৰ, ১৮ এপ্ৰিলঃ** তিতাবৰৰ চাৰিআলিৰ এটা ঘৰত নিশা আৰক্ষীৰ এক বৃহৎ দলে কেইবাঘণ্টাজোৰা তালাচী অভিযান চলাই আই পি এল (Indian Premier League) জুৱাৰী সঞ্জীৱ কালোৱাৰক তিনিজন কৰ্মচাৰীৰ সৈতে আটক কৰিবলৈ সক্ষম হৈছে। তিতাবৰ মহকুমা আৰক্ষী বিষয়া তৰুণ গোৱেলৰ নেতৃত্বত চলোৱা এই অভিযানত বুজন পৰিমাণৰ নগদ টকা, কেইবাটাও মোবাইল ফোন আৰু আপত্তিজনক নথিপত্ৰ জব্দ কৰা হৈছে। সঞ্জীৱ কালোৱাৰৰ বাসগৃহত চলোৱা তালাচীৰ সময়ত আৰক্ষীয়ে তেওঁক আটক কৰে। সূত্ৰ অনুসৰি তিতাবৰ আৰক্ষীৰ নজৰত বহুদিনৰ পৰা আছিল উক্ত জুৱাৰীৰ দলটো। তেওঁৰ বিৰুদ্ধে তিতাবৰৰ সমজিলাৰ বিভিন্ন প্ৰান্তত দীৰ্ঘদিন ধৰি আই পি এল জুৱাৰ ৰমৰমীয়া বেহা চলোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। এই অভিযানত তেওঁৰ সৈতে জড়িত তিনিজন কৰ্মচাৰীকো গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীৰ তালাচীত জুৱাৰ সৈতে জড়িত বহুতো আপত্তিজনক নথিপত্ৰৰ লগতে জুৱাৰ কামত ব্যৱহৃত মোবাইল ফোন আৰু নগদ ধন জব্দ কৰা হৈছে। ইফালে, মাধপুৰ আৰক্ষী চকীৰ অন্তৰ্গত বিভিন্ন এলেকাত আই পি এল জুৱাৰ লগতে তিনিপাতি আৰু তীৰ খেলৰ ৰমৰমীয়া বেহা গঢ়ি উঠিছে। স্থানীয় লোকে অভিযোগ কৰিছে যে এই অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীৰ ভূমিকা প্ৰায় শূন্য। উক্ত অঞ্চলৰ বিশেষকৈ গোহাঁইজান, বছাবাৰী চাহ বাগিচা আৰু মাধপুৰৰ বিভিন্ন স্থানত অতি গোপনে অবৈধ জুৱাখেল খেলাই থকাৰ তথ্য আহি পৰিছে। অনাগত সময়ত উক্ত জুৱাৰীসকলৰ বিৰুদ্ধে আৰক্ষীয়ে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# পঞ্চায়ত নিৰ্বাচনত শিৱসাগৰত ৩৫ জনৰ মনোনয়ন প্ৰত্যাহাৰ

**ই-সংবাদ ,শিৱসাগৰ, ১৮ এপ্ৰিলঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে শিৱসাগৰ জিলাৰ (নাজিৰা আৰু ডিমৌ সমজিলাকে ধৰি) মুঠ ২৩৬০ জন প্ৰাৰ্থীৰ ভিতৰত জিলা পৰিষদৰ ৩৭, আঞ্চলিক পঞ্চায়তৰ ২২৩ আৰু গাঁও পঞ্চায়তৰ ২১০০ জন সদস্য প্ৰাৰ্থীয়ে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে জিলা পৰিষদৰ ৩৭, আঞ্চলিক পঞ্চায়তৰ ২২১ আৰু গাঁও পঞ্চায়তৰ ২০৪২ জন সদস্যপ্ৰাৰ্থীকে ধৰি মুঠ ২৩৪২ জন সদস্যৰ মনোনয়ন পত্ৰ গৃহীত কৰা হয় আৰু ১৮ জন প্ৰাৰ্থীৰ ভিতৰত আঞ্চলিক পঞ্চায়তৰ ২ আৰু গাঁও পঞ্চায়ত ১৬ জন সদস্যপ্ৰাৰ্থীৰ মনোনয়ন পত্ৰ নাকচ কৰা হয়। আনহাতে আঞ্চলিক পঞ্চায়তৰ ৪ জন আৰু গাওঁ পঞ্চায়তৰ ৩১ জন সদস্যপ্ৰাৰ্থীকে ধৰি মুঠ ৩৫ সদস্যই মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। উল্লেখযোগ্য যে মনোনয়ন পত্ৰ ইতিমধ্যে দাখিল কৰা এজন আঞ্চলিক পঞ্চায়তৰ সদস্য প্ৰাৰ্থীৰ দেহাৱসান ঘটিছে। মৃত প্ৰাৰ্থীগৰাকী বেতবাৰী গাওঁ পঞ্চায়তৰ অচ্যুতানন্দ গগৈ বুলি প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিছে। বৰ্তমান পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা পৰিষদৰ ৩৭, আঞ্চলিক পঞ্চায়তৰ ২১৬ আৰু গাঁও পঞ্চায়তৰ ২০৫৩ জন সদস্য প্ৰাৰ্থীকে ধৰি মুঠ ২৩০৬ জন প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। ইফালে ডিমৌ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত পালেঙী গাওঁ পঞ্চায়তৰ ওৱাৰ্ড নং-১ ৰ ৰিম্পী আহোম গগৈ, ৱাৰ্ড নং-৪ ৰ ৰশ্মি দত্ত, খৰাহাট গাঁও পঞ্চায়তৰ ৱাৰ্ড নং-২ ৰ প্ৰকাশ নায়ক, ৰূপজ্যোতি পঞ্চায়তৰ ৱাৰ্ড নং-৭ ৰ মামন তেলি কৈৰী, চ'ৰগুৱা পঞ্চায়তৰ ওৱাৰ্ড নং-৬ৰ উত্তৰা টায়ে, শিৱসাগৰ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত নঙলামৰা গাঁও পঞ্চায়তৰ ৱাৰ্ড নং-৮ ৰ ইলু কুমাৰী দাস আৰু নেমুগুৰি গাঁও পঞ্চায়তৰ ৱাৰ্ড নং-২ৰ মনিকা গগৈ, গৌৰীসাগৰ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত শান্তিপুৰ গাঁও পঞ্চায়তৰ ৱাৰ্ড নং-২ ৰ বিপুল হাজৰিকা, ৱাৰ্ড নং-৪ৰ নিতুমনি শইকীৱা হাজৰীকা, ৱাৰ্ড নং-১০ৰ ৰবিন শইকীয়া, ৰুদ্ৰসাগৰ গাঁও পঞ্চায়তৰ ৱাৰ্ড নং-৬ৰ দিব্যজ্যোতি দাস, নাজিৰা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত শিমলুগুৰি গাঁও পঞ্চায়তৰ ৱাৰ্ড নং-৭ৰ অৰূপ ফুকন, আমগুৰি আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত নামতিদ'ল গাঁও পঞ্চায়তৰ ৱাৰ্ড নং-৬ৰ বিতুপন ফুকন, বৰছিলা গাঁও পঞ্চায়তৰ ৱাৰ্ড নং-৪ৰ ববিতা কালিন্দি, পিয়লি ফুকন গাওঁ পঞ্চায়তৰ ৱাৰ্ড নং-১ৰ ৰাজীৱ দিহিঙীয়া বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

# নগাঁৱত আম্বেদকাৰ জয়ন্তী-মুকলি বিহু পালনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, ১৮ এপ্ৰিলঃ** ৰঙালী বিহুৰ উৎসাহ-উদ্দীপনাৰ মাজতে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু নগাঁও জিলা সমিতিৰ সহযোগত আম্বেদকাৰ জয়ন্তী আৰু মুকলি বিহু পালনৰ ব্যাপক প্ৰস্তুতি চলিছে নগাঁও জিলাৰ ৰাইডঙীয়াত। ২৫ এপ্ৰিলত ৰাইডঙীয়াবাসীৰ সহযোগত বৰ্ণিল কাৰ্যসূচীৰে ৰাইডঙীয়াৰ ৰাজহুৱা প্ৰেক্ষাগৃহত মহান ভাৰতীয় তথা ভাৰত ৰত্ন ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ জন্মজয়ন্তীৰ লগতে মুকলি বিহু অনুষ্ঠিত হ'ব। জন্মজয়ন্তীত সংবিধান প্ৰণেতা, যুগপুৰুষ, সমাজ সংস্কাৰক, দাৰ্শনিক বাবাচাহেব ড০ ভীমৰাও ৰামজী আম্বেদকাৰক স্মৰণ কৰি তেখেতৰ কৰ্মৰাজিক চৰ্চা কৰা হ'ব। ইতিমধ্যে সকলো কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰিবলৈ প্ৰমোদ কুমাৰ দাসক সভাপতি আৰু পাপুমণি দাসক সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২৫ এপ্ৰিলৰ পুৱা ৮ বজাত পতাকা উত্তোলন, ৯ বজাত স্বচ্ছতা অভিযান, ৯.৩০ বজাত ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হ'ব। ১১ বজাত 'অনুসূচিত জাতিৰ প্ৰতি বৈষম্য আৰু আম্বেদকাৰৰ চিন্তা' শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। উক্ত আলোচনা-চক্ৰত ৰাজ্যৰ কেইবাগৰাকী আগশাৰীৰ বক্তা উপস্থিত থাকিব। বিয়লি ৩ বজাত অনুষ্ঠিত হ'ব মুকলি বিহু। মুকলি বিহুত আমন্ত্ৰিত আৰু স্থানীয় বিহু দল, জেং বিহু দল, হুঁচৰি দলৰ লগতে বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক দলে বিহু প্ৰদৰ্শন কৰিব। নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব সাংস্কৃতিক সন্ধিয়া। সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত দুগৰাকী বিশিষ্ট নাগৰিকক দুটা বিশেষ বঁটা প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত বিশিষ্ট অভিনেত্ৰী তথা পৰিচালক আইমী বৰুৱাক আই সতী ৰাধিকা বঁটা আৰু ৰাইডঙীয়ানিবাসী আছাম ৰাইফলছৰ অৱসৰপ্ৰাপ্ত কেপ্টেইন বাপুৰাম দাসক আম্বেদকাৰ বঁটা প্ৰদান কৰা হ'ব। সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় শিল্পী মনোজ দুৱৰাই গীত-মাত পৰিৱেশন কৰিব। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দ্বীপজ্যোতি দাসে জনোৱা মতে, ১৪ এপ্ৰিলত আম্বেদকাৰ জয়ন্তী আছিল যদিও গৰু বিহুৰ বাবে ২৫ এপ্ৰিলত এই অনুষ্ঠান পালনৰ সিদ্ধান্ত লোৱা হৈছে। সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ দাসে কয় যে সমাজৰ পিছপৰা তথা হতাশাগ্ৰস্ত শ্ৰেণীটোৰ বাবে আদৰ্শ, সাহস, প্ৰেৰণা ড০ আম্বেদকাৰ। তেওঁৰ কৰ্মৰাজিৰ চৰ্চা জৰুৰী হৈ পৰিছে। জয়ন্তীৰ সমূহ কাৰ্যসূচীত সহায়-সহযোগ, উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে দাসে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# চিএছকেৰ মাষ্টাৰষ্ট্ৰোক! চুক্তিবদ্ধ কৰিলে 'ছিক্স হিটাৰ' ব্ৰেভিছক

**চেন্নাই, ১৮ এপ্ৰিলঃ** এতিয়াও প্লে অফত স্থান লাভৰ বাবে সংগ্ৰাম কৰি থকা চেন্নাই ছুপাৰ কিংগছে নিজৰ দলক ৰক্ষা কৰিবলৈ এইবাৰ চুক্তিবদ্ধ কৰিছে দক্ষিণ আফ্ৰিকাৰ বিস্ফোৰক যুৱ বেটছমেন ডেৱাল্ড ব্ৰেভিছক। আইপিএল ২০২৫ত দলটোৰ বাকী থকা মেচসমূহৰ বাবে গুৰজপনীত সিঙৰ সলনি তেওঁক চুক্তিবদ্ধ কৰা হৈছে। বিদেশৰ এটা স্লট খালী হোৱাৰ বাবে চি এছ কেয়ে ব্ৰেভিছক লোৱাৰ সুযোগ পাইছিল। নিলামত তেওঁৰ ভিত্তি মূল্য আছিল মাত্ৰ ৭৫ লাখ টকা, কিন্তু চেন্নাইয়ে তেওঁক ২.২ কোটি টকাত ক্ৰয় কৰিছিল। ২১ বছৰীয়া ব্ৰেভিছৰ প্ৰতি দীৰ্ঘদিন ধৰি বিশ্ব ক্ৰিকেটে আগ্ৰহ প্ৰকাশ কৰি আহিছে। দক্ষিণ আফ্ৰিকাৰ হৈ এতিয়ালৈকে তেওঁ মাত্ৰ দুখন মেচহে খেলিছে যদিও তেওঁৰ আক্ৰমণাত্মক বেটিং শৈলী, ছিক্স হিটিং ক্ষমতা আৰু এবি ডি ভিলিয়াৰ্ছৰ সৈতে তুলনাই তেওঁক চৰ্চিত কৰি তুলিছে। ইয়াৰ পূৰ্বে আইপিএলত মুম্বাই ইণ্ডিয়ানছৰ হৈ ১০খন মেচ খেলিছে, লগতে এমএলচি আৰু এছ এ২০ লীগতো নিয়মিতভাৱে খেলে। এই ছিজনত চেন্নাইৰ হৈ তেওঁ দ্বিতীয়জন ৰিপ্লেচমেণ্ট ক্ৰিকেটাৰ। ইয়াৰ পূৰ্বে ৰুতুৰাজ গাইকৱাদক ঠাইত স্থান দিয়া হৈছিল আয়ুষ মাট্ৰেক। কিন্তু ব্ৰেভিছৰ অন্তৰ্ভুক্তি সম্পূৰ্ণ বেলেগ মাত্ৰাৰ এক পৰিঘটনা। কাৰণ এফালে তেওঁ অভিজ্ঞ, আনফালে বৰ্তমানৰ ফৰ্মত তেওঁৰ প্ৰদৰ্শন দুৰ্দান্ত। এই ছিজনত টাইটানছৰ হৈ তেওঁ ফৰ্মত আছে। এছ এ২০ প্ৰতিযোগিতাত শীৰ্ষ দহগৰাকী ৰান সংগ্ৰহকাৰীৰ ভিতৰত তেওঁ সৰ্বাধিক ষ্ট্ৰাইক ৰেটেৰে স্থান লাভ কৰিছিল। প্ৰতিযোগিতাত তেওঁৰ ষ্ট্ৰাইক ৰেট আছিল ১৮৪.১৭। বৰ্তমান লীগ টেবুলৰ তলত থকা চেন্নাইৰ বাবে ব্ৰেভিছ ডাঙৰ শক্তি হ'ব পাৰে। দলটোৱে মাত্ৰ দুটা জয়ৰ সৈতে সংগ্ৰাম কৰি আছে, আৰু অধিনায়ক সলনি হোৱাৰ পিছতো পুনৰ ছন্দত সোমোৱাৰ প্ৰচেষ্টা সফল হোৱা নাই। এনে সময়তে ব্ৰেভিছৰ দৰে আক্ৰমণাত্মক টপ অৰ্ডাৰ বেটছমেন পোৱাৰ অৰ্থ হ'ল শেষ মুহূৰ্তত ছিজনটো বচাবলৈ এপাত ডাঙৰ অস্ত্ৰ লাভ কৰা।




আইপিএল ২০২৫: পঞ্জাৱ বনাম বাংগালুৰুৰ খেলত বতৰৰ বিধি পথালি! অপেক্ষাত অনুৰাগী




লাহোৰত অনুষ্ঠিত থাইলেণ্ডৰ বিৰুদ্ধে খেলত জয়লাভেৰে আইচিচি মহিলা বিশ্বকাপলৈ পাকিস্তানৰ যোগ্যতা অৰ্জন

## আঘাতৰ বাবে পুনৰ অনিশ্চয়তাত ক্ৰিজত সঞ্জু ছেমছনৰ উপস্থিতি

# আকৌ ৰিয়ানৰ পৰাগৰ অধিনায়কত্বত ক্ৰিজত নামিব ৰাজস্থান!

**জয়পুৰ, ১৮ এপ্ৰিলঃ** আইপিএল ২০২৫ ছিজনত অত্যন্ত হতাশজনক স্থিতিত আছে ৰাজস্থান ৰয়েলছ। বেটিং, বলিং অথবা নেতৃত্ব- সকলো দিশৰ পৰাই চৰম ব্যৰ্থতাৰ সন্মুখীন হৈছে সঞ্জু ছেমছনৰ দল। অৱশ্যে ইয়াৰ মাজতে একমাত্ৰ ব্যতিক্ৰম হৈ থিয় দিছে যশস্বী জয়ছৱাল। বাকী টপ অৰ্ডাৰ কাৰ্যতঃ ব্যৰ্থ, বলাৰসকলৰ ওপৰত অহৰহ হেঁচা, আৰু ৰাজস্থান বৰ্তমান পইণ্ট টেবুল শেষৰ ফালে অৱস্থান কৰিবলৈ বাধ্য হৈছে। এনে পৰিস্থিতিৰ মাজতে এতিয়া আঘাতৰ বাবে সঞ্জু ছেমছনৰ খেলত সন্দেহৰ সৃষ্টি হৈছে। সামগ্ৰিকভাৱে লক্ষ্ণৌ ছুপাৰজায়েণ্টছৰ বিৰুদ্ধে আড়ম্বৰপূৰ্ণ খেলখনৰ পূৰ্বে ৰয়েলছ শিবিৰত গভীৰ অনিশ্চয়তা অব্যাহত আছে। উল্লেখ্য যে, দিল্লী কেপিটেলছৰ বিৰুদ্ধে খেলত আঘাতৰ বাবে সঞ্জু ছেমছনে খেলপথাৰ এৰিবলগীয়া হৈছিল। খবৰ অনুসৰি, পেটৰ ওচৰত বিষ অনুভৱ কৰাৰ বাবে তেওঁ ৰিটায়াৰ্ড হাৰ্ট হৈ খেলপথাৰ এৰিবলগীয়া হয়। খেলৰ পূৰ্বে অনুষ্ঠিত সংবাদমেলত প্ৰশিক্ষক ৰাহুল দ্ৰাবিদে কয় যে ছেমছনৰ স্কেন কৰা হৈছে, তেওঁ খেলিব নে নাই সেই বিষয়ে প্ৰতিবেদনৰ ভিত্তিত সিদ্ধান্ত লোৱা হ'ব। এনে পৰিস্থিতিত যদি ছেমছনে খেলিব নোৱাৰে তেন্তে ৰিয়ান পৰাগে অধিনায়কৰ দায়িত্ব ল'ব পাৰে। ছিজনৰ প্ৰথম তিনিখন মেচৰ অধিনায়ক আছিল ৰিয়ান। আঙুলিৰ আঘাতৰ বাবে অধিনায়কত্ব নল'লেও অৱশ্যে সেই সময়ত ছেমছনে 'ইমপেক্ট প্লেয়াৰ' হিচাপে বেটিং কৰিছিল। এইবাৰ হয়তো তেওঁক সম্পূৰ্ণৰূপে বাদ দিব লাগিব। ইফালে, যদি ছেমছনে খেলিব নোৱাৰে তেন্তে ৰাজস্থানৰ বাবে ডাঙৰ প্ৰশ্নটো হ'ল- তেওঁৰ ঠাই কোনে ল'ব? হাতত থকা বিকল্পবোৰে অৱশ্যে বিশেষ আশাৰ সঞ্চাৰ নকৰে। ইমপেক্ট প্লেয়াৰ হিচাপে বৰ্তমান খেলি থকা শুভম ডুবে হৈছে মূলতঃ মিডল অৰ্ডাৰ বেটছমেন। একে সময়তে কুনাল সিং ৰাথোৰ হৈছে উইকেটকীপাৰ বেটছমেন। এনে পৰিস্থিতিত সঞ্জু ছেমনছৰ ঠাইক লৈ এতিয়া সমস্যাত পৰিছে ৰাজস্থান ৰয়েলছ। সঞ্জুৰ প্ৰত্যাৱৰ্তনক লৈও অনিশ্চয়তাৰ সৃষ্টি হৈছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি